## Centre for Studies in Social Sciences, Calcutta

### Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/52 | Language of work: Assamese |
| Author (s) / Editor (s): ✓ CHANDRADHAR BARUAH | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asaāma saāhaitaya Sabhaā Patrakaikaā | |
| Translated Title: Magazine of Assam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat. |
| Year: 1931-32 (1952-53 Sak) | Edition: |
| Size: 22 cms - 169 pages + 2 pages | Genre: Magazine |
| Volumes: 5th - 6 issues | Condition of the original: Not bad |
| Remarks: 1st published in the year 1927 and has been continuing. | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |


| Microfilm Roll No: | From gate: | To gate: |
|---|---|---|


# আসাম সাহিত্য–সভা–পত্ৰিকা ।

বহাগ—জেঠ, ১৮৫৩—৫৪ শক ।

পঞ্চম বছৰ | মুঠ সংখ্যা—২৩ | তৃতীয় সংখ্যা


## আৰ্য্যসকলৰ বংশ-নিৰ্ণয় ।




(১) ভৃগুপুত্ৰ ঋচীকে ৰাজৰ্ষি গাধিৰ কন্যা সত্যবতীক বিবাহ কৰাইছিল। ভৃগুৱে বোৱাৰিয়েক সত্যবতীক চাবলৈ যাওঁতে বৰ লবলৈ কলে। সত্যবতীয়ে তেওঁৰ গৰ্ভত তপোনিষ্ঠ, বেদপাৰগ, ব্ৰহ্মজ্ঞ এটি সন্তান

হব লাগে আৰু তেওঁৰ মাকৰ গৰ্ভত ক্ষত্ৰিয় শ্ৰেষ্ঠ বলবীৰ্য্যবন্ত অজেয় বীৰ হব লাগে বুলি বৰ খোজাত ভৃগুৱে উভয়ৰ গৰ্ভত তেওঁ ইচ্ছা কৰা মতে সন্তান হব বুলি বৰ দিলে আৰু ক্ষণকাল ধ্যানত থাকি শ্বাস পৰিত্যাগ কৰোতে বগা বগা ডচক অন্ন শ্বাসৰ পৰা উৎপন্ন হল। সেই ডচক অন্ন সত্যবতীক দি ভৃগুৱে কলে—"ঋতু কালত তুমি ডিমক বৃক্ষ আলিঙ্গন কৰি বগা চৰু অন্ন খাবা; তোমাৰ বাঞ্ছিত সন্তান হব; তোমাৰ মাৰাক বগা চৰু অন্ন দিবা—তেওঁ আঁহত গছ আলিঙ্গন কৰি সেই অন্ন খাব; তেওঁবো তোমাৰ অভিলষিত মতে সন্তান হব।" সত্যবতীয়ে ভুলক্ৰমে তেওঁৰ অন্ন মাকক দিলে আৰু মাকৰ অন্ন তেওঁ খালে; এই অন্নভুক্তিৰ বিপৰ্য্যয়ত সত্যবতীৰ গৰ্ভত জমদগ্নি জন্ম হৈ প্ৰবল প্ৰতাপী ক্ষত্ৰিয় হল; তেওঁৰ মাকৰ গৰ্ভত বেদপাৰগ ব্ৰহ্মজ্ঞ বিশ্বামিত্ৰ ব্ৰাহ্মণ হৈ জন্ম লিলে।

কুশিক (চন্দ্ৰবংশীয় ৰজা)
|
গাধি (ৰাজৰ্ষি)
|
সত্যবতী — বিশ্বামিত্ৰ
|
জমদগ্নি

পৰশুৰামে ২১ বাৰ পৃথিবী দিগ্বিজয় কৰি ক্ষত্ৰিয় নাশ কৰিছিল। বিশ্বামিত্ৰ আৰু জমদগ্নিৰ সন্তান সকলোৱেই ব্ৰাহ্মণ।

(২) বৃহস্পতিৰ পুত্ৰ কচে গুৰু শুক্ৰৰ পৰা সঞ্জীবনী মন্ত্ৰ শিক্ষা কৰি বিদায় লৈ যাব খোজাত গুৰু-কন্যা দেৱযানিয়ে তেওঁক বিয়া কৰাই নিবলৈ ধৰিলে। কচে গুৰুপুত্ৰী বুলি বিবাহ কৰিবলৈ অসম্মত হোৱাত দেৱযানিয়ে কচক পিতাক শুক্ৰৰ পৰা শিক্ষা কৰা মন্ত্ৰবোৰ ফলদায়ক নহ'বলৈ শাপ দিলে; তেতিয়া কচে দেৱযানিক কোনো কালে ব্ৰাহ্মণ পতি নাপাবলৈ শাপিলে। পিচত চন্দ্ৰবংশী ক্ষত্ৰিয় যযাতিয়ে দেৱযানিক পত্নী গ্ৰহণ কৰিলে। যযাতি দেৱযানিৰ সন্তানসকল যদুবংশী ক্ষত্ৰিয়। কচে শিক্ষাসাঙ্গ কৰি ঘূৰি অহাৰ পিচত দেৱযানিৰ শাপৰ কথা দেৱতা-সকলক জনালে—দেৱতাসকলে দেৱযানিৰ শাপ ব্যৰ্থ কৰিবৰ কাৰণে শিষ্যক উপযুক্ত মন্ত্ৰশিক্ষা দিবলৈ আদেশ দিলে আৰু দেৱযানিৰ শাপ অনুসৰি কচে মন্ত্ৰউচ্চাৰণ কৰিলে ফলদায়ক নহ'ব পাৰে। কিন্তু কচৰ শিষ্যসকলে সেই মন্ত্ৰশিক্ষা কৰিলে নিষ্ফল হবৰ কোনো কাৰণ নাই বুলি বুজাই দিলে।

২। অঙ্গিৰা = (ভাৰ্য্যা কৰ্দ্দম মুনিৰ কন্যা শ্ৰদ্ধা)
|
উতথ্য (ভাৰ্য্যা মমতা) — বৃহস্পতি
|
দীৰ্ঘতমা

বৃহস্পতি
|
ভৰদ্বাজ (৩) — কচ (৪)
|
দ্ৰোণাচাৰ্য্য
|
অশ্বত্থামা (অমৰ)



(৩) উতথ্যৰ ভাৰ্য্যা মমতাৰ গৰ্ভত সন্তান থাকোঁতে বৃহস্পতিয়ে সঙ্গম কৰিবলৈ গল। মমতা গুৰ্ব্বিনী আছিল বাবে সঙ্গমৰ উপযুক্তা নহঁও বোলাত বৃহস্পতিয়ে বলেৰে সঙ্গম কৰিলে। গৰ্ভস্থ সন্তানে ভৰিৰ গোবোৰায়ে স্থানাভাব বুলি বীৰ্য্য ঠেলি বাহিৰ কৰিলে—সেই বীৰ্য্য বাহিৰ হৈ সন্তান হল। বৃহস্পতিয়ে গৰ্ভস্থ সন্তানক বীৰ্য্য বাহিৰ কৰা বাবে জন্মান্ধ হবি বুলি শাপ দিয়াত সেই সন্তান জন্মান্ধ হল। সেই কাৰণে সেই সন্তানৰ নাম দীৰ্ঘতমা হল। বৃহস্পতিৰ বীৰ্য্যৰ সন্তানৰ নাম ভৰদ্বাজ হল। উভয় দীৰ্ঘতমা আৰু ভৰদ্বাজৰ সন্তান-সন্ততি ব্ৰাহ্মণ হল।

৩। বশিষ্ঠ = (ভাৰ্য্যা কৰ্দ্দম মুনিৰ কন্যা অৰুন্ধতী)
|
শক্তি
|
পৰাশৰ
|
ব্যাস
|
শুক
|
কৃষ্ণ — গৌৰপ্ৰভ — ভূৰি — দেৱশ্ৰুত — কীৰ্ত্তি (কন্যা)

এই বংশৰ সকলোৱেই ব্ৰাহ্মণ।

(৪) দেৱতাসকলৰ আদেশ মতে কচে শুক্ৰৰ ওচৰত সঞ্জীৱনী মন্ত্ৰ শিক্ষা কৰিবলৈ গৈছিল। দৈত্যসকলে এদিন কচক গৰু ৰখোঁতে দেখা পাই শুক্ৰৰ পৰা সঞ্জীৱনী মন্ত্ৰ শিক্ষা কৰি দৈত্যসকলক অপকাৰ কৰিবলৈ আহিছে বুলি ভাবি কচক বধ কৰি মঙহখিনি শিয়ালক খুৱালে। গধূলি গৰু ঘৰলৈ গল। কচ নগলত শুক্ৰৰ কন্যা দেৱযানিয়ে শুক্ৰক কোৱাত শুক্ৰই ধ্যান কৰি সঞ্জীৱনী মন্ত্ৰৰ বলেৰে কচক জিয়ালে; শিয়ালবোৰ মৰিল। অন্য এদিন ফুল বিচাৰোঁতে কচক পুনৰ দেখি কচক বধ কৰি তিলৰ সমান সৰু কৰি মঙহবোৰ কুটি খিউত ভাজি মদৰ লগত শুক্ৰক খুৱালে। দেৱযানিয়ে কচক নাপাই শুক্ৰক কোৱাত শুক্ৰই ধ্যানযোগত কচক তেওঁৰ পেটতে থকা জানি ভাবিলে, যে পেটতে কচ জীৱ গলে তেওঁ ব্ৰহ্মবধৰ পাতকী হব, জীয়ালে নিজৰ মৃত্যু হব। সেইবাবে শুক্ৰই পেটতে কচক জিয়াই তেওঁক কলে—তোমাক সঞ্জীৱনী মন্ত্ৰ শিক্ষা দিলোঁ, তুমি বাহিৰ হলে মোৰ মৃত্যু হব—তুমি মোক এই মন্ত্ৰেৰে জীয়াবা। কচে "এৱমস্তু" বুলি শুক্ৰৰ উদৰৰ পৰা বাজ হল। শুক্ৰৰ মৃত্যু হলত কচে শুক্ৰক সেই মন্ত্ৰেৰে জীয়ালে। শুক্ৰই জীৱন লাভ কৰি জানিলে কচক বধ কৰি মদৰ লগত তেওঁক ভজা মঙহ খুওৱাত তেনে দশা হল; এতেকে মদ এনে অপকাৰী বস্তু ইয়াক কোনেও নাখাব আৰু খালেও মহা পাতকী হব বুলি খাবলৈ নিষেধ কৰিলে—কোনেও মদ নোখোৱা হল। দেৱযানি ক্ষত্ৰিয় ৰজা যযাতিৰ পত্নী হল। তেওঁৰ গৰ্ভত যদুৰ জন্ম হল। যদু ধাৰ্ম্মিক আছিল সেই কাৰণে তেওঁৰ বংশত শ্ৰীকৃষ্ণ ভগবান্ জন্ম হৈ ভূভাৰ হৰণ কৰি যদুবংশ উদ্ধাৰ কৰিলে।

২। মৰীচি = ( ভাৰ্য্যা কৰ্দ্দম মুনিৰ কন্যা, কলা )
( সূৰ্য্যবংশী ক্ষত্ৰিয়সকলৰ আদি পুৰুষ। )

কশ্যপ
|
সূৰ্য্য
|
বিবস্বান্
|
মনু ( সত্যযুগৰ প্ৰথম চক্ৰবৰ্ত্তী ৰজা )
|
ইক্ষ্বাকু (ত্ৰেতাযুগৰ অযোধ্যাত প্ৰথম চক্ৰবৰ্ত্তী ৰজা)
|
বিকুক্ষি
|
ককুৎস্থ
|
অনেনা
|
পৃথু
|
বিশ্বসন্ধি
|
চন্দ্ৰ
|
যুবনাশ্ব
|
শ্ৰাব
|
বৃহদশ্ব
|
ধুন্ধুমাৰ
|
দৃঢ়াশ্ব
|
হৰ্য্যশ্ব
|
নিকুম্ভ
|
কৃশাশ্ব
|
সেনজিৎ
|
যুবনাশ্ব
|
মান্ধাতা ( চক্ৰবৰ্ত্তী ৰজা )
|
পুৰুকুৎস
|
ত্ৰসদস্যু
|
অনৰণ্য

অনৰণ্য
|
প্ৰাকল
|
ত্ৰিবন্ধন
|
সত্যব্ৰত
|
ত্ৰিশঙ্কু
|
হৰিশ্চন্দ্ৰ ( ৰাজসূয় যজ্ঞকাৰী )
|
ৰোহিত
|
চম্প
|
সুদেব
|
বিজয়
|
ভৰুক
|
বৃক
|
বাহুক (৫) (চক্ৰবৰ্ত্তী ৰজা)
|
সগৰ ( চক্ৰবৰ্ত্তী ৰজা )
|
অসমঞ্জা
|
অংশুমান্
|
ভগীৰথ (তপস্যা কৰি গঙ্গাক পৃথিবীলৈ আনিছিল)
|
শ্ৰুত
|
সিন্ধুদ্বীপ
|
অযুতায়ু
|
ঋতুপৰ্ণ
|
সৌদাস
|
অশ্মক
|
মূলক
|
দশৰথ
|



দশৰথ
|
ঐৰবীৰ
|
বিশ্বসহ
|
খট্বাঙ্গ ( ব্ৰহ্মৰ্ষি আৰু চক্ৰবৰ্ত্তী ৰজা )
|
দীৰ্ঘবাহু
|
ৰঘু
|
অজ
|
কৌশল্যা = দশৰথ = কৈকেয়ী
১মা পত্নী || ৩য়া পত্নী
সুমিত্ৰা
২য়া পত্নী
ভৰত
লক্ষ্মণ শত্ৰুঘ্ন
শ্ৰীৰামচন্দ্ৰ (৬)
লৱ কুশ
|
অতিথি
|
নিষধ
|
নভ
|
পুণ্ডৰীক
|
ক্ষেমধন্বা
|
দেবানীক
|
হীন
|
পাৰিযাত্ৰ
|
বলস্থল
|
বজ্ৰনাভ
|
অৰ্ক

(৫) বাহুক ৰজা হৈ থাকোঁতে হৈহয়বংশীসকলে এওঁৰ ৰাজ্য আক্ৰমণ কৰি কাঢ়ি লৈ এওঁক বনলৈ খেদাইছিল। এওঁৰ দুগৰাকী ৰাণী আছিল—প্ৰভা আৰু ভানুমতী। উভয়ে ঔৰ্ব্ব মুনিক আৰাধনা কৰি বৰ লৈছিল আৰু সেই বৰ অনুসৰি প্ৰভাৰ ষাঠি হেজাৰ সন্তান হ'ল; ভানুমতীৰ একেটি পুত্ৰ সগৰৰ জন্ম হ'ল। গৰ্ভাৱতী অৱস্থাতে প্ৰভাই ভানুমতীক গৰ ( বিহ ) খুৱাইছিল, কিন্তু সেই বিহ খাইয়ো সগৰৰ গৰ্ভতে বিনাশ নহ'ল—গৰ ( বিহ ) সহ বনতে জন্ম হোৱা বাবে ভানুমতীৰ পুত্ৰৰ নাম সগৰ হ'ল। এওঁ চক্ৰবৰ্ত্তী ৰজা হ'ল আৰু এওঁ পিতৃদ্বেষী হৈহয়বংশীসকলক গুৰু বশিষ্ঠৰ আজ্ঞামতে ম্লেচ্ছ কৰি বেদৰ বাহিৰ কৰিছিল।

(৬) দশ অৱতাৰৰ সপ্তম অৱতাৰ। এওঁ পত্নীহাৰী দুৰ্দ্দান্ত ৰাৱণৰ বংশ নিধন কৰি লঙ্কা জিনিছিল; আৰু অযোধ্যা ৰাজ্যত দহ হেজাৰ বছৰ একছত্ৰী চক্ৰবৰ্ত্তী ৰজা স্বৰূপে ৰাজত্ব কৰিছিল। সপত্নী মাতৃ কৈকেয়ীৰ ছলনাত চৌধ বছৰৰ বনবাস, দশৰথৰ মৃত্যু, ভৰতৰ ৰাজত্ব, সীতাহৰণ, লঙ্কা-জয়, সীতাৰ অগ্নি-পৰীক্ষা, সীতাৰ বন-বাস, সীতাৰ পাতাল-প্ৰবেশ আদি ৰামায়ণ-বৰ্ণিত ঘটনাৰ উল্লেখ অনাবশ্যক।

অৰ্ক
|
সগৰ্ণ
|
বিধৃতি
|
হিৰণ্যনাভ
|
পুষ্প
|
ধ্ৰুবসন্ধি
|
সুদৰ্শন
|
অগ্নিবৰ্ণ
|
শীঘ্ৰ
|
মৰু ( এওঁ যোগসিদ্ধ হৈ সুমেৰু পৰ্ব্বতৰ দাঁতিত কলাপ গ্ৰামত আছে ; কলিৰ অন্তত এওঁৰ পৰাই সূৰ্য্য বংশৰ পুনৰ্বিস্তাৰ হ'ব আৰু তেতিয়া আকৌ সত্যযুগৰ প্ৰবৰ্ত্তন হ'ব )
|
প্ৰশুশ্ৰুত
|
সন্ধি
|
অমৰ্ষণ
|
মহস্বান্
|
বিশ্ববাহু
|
প্ৰসেনজিৎ
|
তক্ষক
|
বৃহদ্বল ( এওঁ যুধিষ্ঠিৰৰ সমসাময়িক ৰজা আছিল ; ভাৰত যুদ্ধত অভিমন্যুৱে এওঁক বধ কৰিছিল ।)
|
বৃহদ্ৰণ
|
উৰুক্ৰিয়
|
বৎসবৃদ্ধ
|
প্ৰতিব্যোম
|
ভানু
|
দিবাক
|
সহদেব
|
বীৰ
|
বৃহদশ্ব
|
ভানুমান্
|
প্ৰতিকাশ্ব
|
সুপ্ৰতিক
|
মৰুদেব
|
সুনক্ষত্ৰ
|
পুষ্কৰ
|
অন্তৰীক্ষ
|
সুতপা
|
অমিত্ৰজিৎ
|
বৃহদ্ৰাজ
|
বৰ্হি
|
কৃতঞ্জয়
|
ৰণঞ্জয়
|
সঞ্জয়
|
শাক্য
|
শুদ্ধোদন
|
লাঙ্গল
|
প্ৰসেনজিৎ
|
ক্ষুদ্ৰক
|
সুমিত্ৰক

কলিৰ এহেজাৰ বছৰলৈকে এইসকল সূৰ্য্য-বংশৰ ক্ষত্ৰিয় ভাৰতবৰ্ষৰ ৰজা আছিল।



৫। অত্ৰি = (ভাৰ্য্যা কৰ্দ্দম মুনিৰ কন্যা অনসূয়া)
(চন্দ্ৰবংশীয় ক্ষত্ৰিয়সকলৰ আদি পুৰুষ)

দত্ত — চন্দ্ৰ
|
বুধ = ( পত্নী ইলা ) (৭)
|
পুৰুৰবা
|
আয়ু (মাতা অপ্সৰী উৰ্ব্বশী)
|
নহুষ
|
১মা পত্নী শুক্ৰৰ কন্যা দেৱযানী } = যযাতি = { দ্বিতীয়া পত্নী বৃষপৰ্ব্বন্ দানৱৰ কন্যা শৰ্ম্মিষ্ঠা
(৮)

দেৱযানীৰ পুত্ৰ: যদু তুৰ্ব্বসু (এওঁৰ পৰাই যদু-বংশৰ উৎপত্তি।)

শৰ্ম্মিষ্ঠাৰ পুত্ৰ: দ্ৰুহ্যু অনু পুৰু

পুৰু
|
জনমেজয়
|
প্ৰচিন্বান্
|
প্ৰবীৰ
|
মনস্যু
|
চাৰুপদ
|
সুদ্যু
|
বহুগৱ
|
সংযাতি
|
অহংযাতি
|
ৰৌদ্ৰাশ্ব
|
ঋতেয়ু
|
ৰন্তিনাৰ
|
সুমতি
|
ঐতি
|
দুষ্মন্ত ( চক্ৰবৰ্ত্তী ৰজা )
|
ভৰত ( চক্ৰবৰ্ত্তী ৰজা ) (৯)

(৭) বৈবস্বত মনুৰ কন্যা ইলাৰ গৰ্ভত বুধৰ পুত্ৰ পুৰুৰবাৰ জন্ম হয়। ইলাই বিষ্ণুৰ বৰত পুৰুষত্ব লাভ কৰি সুদ্যুম্ন নামেৰে ৰাজত্ব কৰিছিল। মৃগ-য়াৰ্থী সুদ্যুম্নই অনুচৰবৰ্গেৰে সৈতে অজ্ঞতাবশতঃ কুমাৰ-বনত ( হৰ-পাৰ্ব্বতীৰ বিহাৰ-স্থানত ) প্ৰৱেশ-কৰি পূৰ্ব্বৰ দৰে ইলা নাম্নী স্ত্ৰিৰোত্তা হল---আন কি ৰজাৰ বাহন ঘোটক ঘোটকী হ'ল আৰু অনুচৰ বৰ্গও স্ত্ৰীৰূপ প্ৰাপ্ত হৈ ইলাৰ সহচৰী হ'ল। বুধ কুমাৰ-বনৰ প্ৰান্তত ইলাক দেখা পাই মোহিত হ'ল আৰু উভয়ৰ মিলনফলত পুৰুৰবাৰ জন্ম হল। পিচত বহুকালৰ অন্তত ভগৱতীক আৰাধনাৰ দ্বাৰা তুষ্ট কৰি ভগৱতীৰ বৰত ইলা-ৰূপ পৰিহাৰ কৰি সুদ্যুম্ন ৰজাই নিজৰ ৰাজ্যলৈ উলটি গ'ল।

ৰামায়ণত কৰ্দ্দম প্ৰজাপতিৰ পুত্ৰ ইলই কুমাৰ বনত প্ৰৱেশ কৰি স্ত্ৰীৰূপ পাইছিল বুলি উল্লেখ আছে। স্ত্ৰীৰূপিনী ইলাৰ গৰ্ভত বুধৰ ঔৰসত পুৰুৰবাৰ জন্ম হৈছিল।

উভয় উপাখ্যানৰ মূল কথা এই যে হৰ-পাৰ্ব্বতীৰ বিহাৰ-স্থানলৈ পুৰুষৰ প্ৰৱেশ নিষেধ আছিল আৰু জানি বা নাজানি কোনো পুৰুষে তাত অনধিকাৰ প্ৰৱেশ কৰিলেই স্ত্ৰীৰূপ পাবলৈ শিৱৰ অভিশম্পাত আছিল।

(৮) যযাতিয়ে বহুবৰ্ষ ৰাজত্ব কৰাৰ পিচত জৰাজীৰ্ণ হৈয়ো ভোগ-বাসনা এৰিব নোৱাৰি জ্যেষ্ঠ পুত্ৰ যদুক তেওঁৰ জৰা-গ্ৰহণ কৰি পুতেকৰ যৌবন তেওঁক দিবলৈ কৈছিল। যদু আদি চাৰিউজন পুতেকে পিতৃৰ কথাত অসন্মত হোৱা বাবে তেওঁলোকক ৰাজ্য ভাৰ নিদি শাপ দিছিল। দ্ৰুহ্যু, অনু আৰু তুৰ্ব্বসুক বেদৰ বাহিৰ ম্লেচ্ছ হ'বলৈ আৰু যদুৰ বংশত চক্ৰবৰ্ত্তী ৰজা নহ'বলৈ যযাতিয়ে শাপ দিছিল আৰু কনিষ্ঠ পুত্ৰ পুৰুৱে পিতৃৰ আজ্ঞা পালন কৰা বাবে যযাতিয়ে তেওঁক চক্ৰবৰ্ত্তী ৰজা পাতি ৰাজ-সিংহাসন দিছিল ; আৰু তেওঁৰ ডাঙৰ চাৰিজন পুতেকক খণ্ড খণ্ড ক্ষুদ্ৰ প্ৰদেশৰ তলতীয়া অধিকাৰী পাতি পুৰুৰ অধীন কৰি দিছিল।

ভৰত ( চক্ৰবৰ্ত্তী ৰজা ) (৯)
|
বিতথ
|
মন্যু
|
বৃহৎক্ষেত্ৰ
|
হস্তী ( এৱেঁই হস্তিনাপুৰ নগৰ পাতিছিল )
|
অজমীঢ় (এওঁৰ পৰাই আজমীৰ দেশৰ নাম হৈছিল)
|
ঋক্ষ
|
সম্বৰণ
|
কুৰু (মাতা সূৰ্য্যকন্যা তপতী;এওঁ নিজে হাল বাই খেতি কৰি ধৰ্ম্মকাৰ্য্য চলাইছিল; সেই কাৰণে এওঁৰ পৰাই ধৰ্ম্মক্ষেত্ৰ কুৰুক্ষেত্ৰৰ নাম হৈছিল)
|
জহ্নু
|
কুশিক — সুৰথ

কুশিক
|
গাধি
|
সত্যবতী — বিশ্বামিত্ৰ

সত্যবতী
|
জমদগ্নি

সুৰথ
|
বিদূৰথ
|
সাৰ্ব্বভৌম
|
জয়ৎসেন
|
ৰাধিক
|
অযুতায়ু
|
অক্ৰোধন
|
দেবাতিথি
|
ঋক্ষ
|
* দিলীপ
|
প্ৰতীপ
|
† দেবাপি শান্তনু বাহ্লীক
(চক্ৰবৰ্ত্তী ৰজা) (১০)

(৯) দুষ্মন্ত ৰজাৰ ৰাণী শকুন্তলাৰ গৰ্ভত ভৰত ৰজাৰ জন্ম হৈছিল। দুষ্মন্ত-শকুন্তলাৰ উপাখ্যান মহাকবি কালিদাস কৃত প্ৰসিদ্ধ নাটক শকুন্তলাত সুন্দৰকৈ বৰ্ণোৱা আছে। ভৰত চক্ৰবৰ্ত্তী ৰজা আছিল, আৰু এওঁ ৩৩০০ অশ্বমেধ যজ্ঞ, ৫০ টা ৰাজসূয় যজ্ঞ আৰু অন্যান্য অনেক সৎকাৰ্য্য কৰি ২৭,০০০ বছৰ একছত্ৰী ৰজা হৈ ৰাজত্ব কৰিছিল—এওঁৰ নামৰ পৰাই আমাৰ দেশৰ নাম ভাৰতবৰ্ষ হৈছে।

(১০) শান্তনুৱে মৃগয়া কৰিবলৈ গৈ ধীবৰ প্ৰতিপালিত দাসীকন্যা মৎস্যগন্ধাৰ সুঘ্ৰাণ আৰু ৰূপত মোহিত হৈছিল আৰু সেই দাসীকন্যাক আনি দিবলৈ শান্তনুৱে পুত্ৰেক দেবব্ৰতক আজ্ঞা কৰিছিল। পিতৃৰ আজ্ঞা পালনৰ নিমিত্তে দেবব্ৰতে ধীবৰৰ ওচৰত পিতাকৰ অৰ্থে কন্যা প্ৰাৰ্থনা কৰিছিল; ধীবৰে তেওঁৰ প্ৰতিপালিতা কন্যাৰ সন্তানে ৰাজপাট পোৱাৰ বিধান নকৰিলে ছোৱালী দিবলৈ সম্মত নোহোৱা বাবে দেবব্ৰতে অবিবাহিত হৈ চিৰকুমাৰ-ব্ৰতী হ'বলৈ আৰু ৰাজ-সিংহাসন গ্ৰহণ নকৰিবলৈ ভীষণ অঙ্গীকাৰ কৰি পিতাক শান্তনুলৈ সত্যবতীক আনিছিল আৰু তেতিয়াৰ পৰা তেওঁৰ নাম ভীষ্ম হ'ল; সত্য অঙ্গীকাৰৰ দ্বাৰাই আৱদ্ধ হৈ অনা দাসীকন্যা মৎস্য-গন্ধাৰ নাম তেতিয়াৰ পৰা সত্যবতী হ'ল।

* এওঁ অতি ধৰ্ম্মনিষ্ঠ ৰজা আছিল; এওঁৰ যজ্ঞৰ ফলত পৃথিবী শস্যপূৰ্ণা হৈছিল আৰু প্ৰজাসকল অতি সুখত আছিল।

† এওঁ যোগসিদ্ধ হৈ সুমেৰু পৰ্ব্বতৰ দাতিত কলাপ গ্ৰামত আছে; কলিৰ অন্তত সত্যযুগৰ পুনঃপ্ৰবৰ্ত্তন হলে এওঁৰ পৰাই চন্দ্ৰবংশৰ পুনৰিস্তাৰ হ'ব।



গঙ্গা = শান্তনু = সত্যবতী
১মা পত্নী | ২য়া পত্নী (১১)

গঙ্গা (১মা পত্নী)
|
ভীষ্ম

সত্যবতী (২য়া পত্নী)
|
বিচিত্ৰবীৰ্য্য (১২) — চিত্ৰাঙ্গদ

বিচিত্ৰবীৰ্য্য
|
(১৩) ধৃতৰাষ্ট্ৰ = ভাৰ্য্যা গান্ধাৰী — পাণ্ডু

ধৃতৰাষ্ট্ৰ
|
দুৰ্য্যোধন আদি শত পুত্ৰ

কুন্তী ১মা পত্নী (১৫) = পাণ্ডু = মাদ্ৰী ২য়া পত্নী
(১৪)

কুন্তী
|
যুধিষ্ঠিৰ ভীম অৰ্জ্জুন

মাদ্ৰী
|
নকুল সহদেৱ

অৰ্জ্জুন
|
অভিমন্যু ( মাতা সুভদ্ৰা )
|
পৰীক্ষিত ( মাতা উত্তৰা; পৰীক্ষিত ৰজাৰ দিনতে কলি-যুগৰ আৰম্ভ হৈছিল; এওঁ চক্ৰবৰ্ত্তী ৰজা আছিল )
|
জনমেজয়
|
শতানীক
|
সহস্ৰানীক
|
অশ্বমেধজ
|
অসীমকৃষ্ণ
|
নেমিচক্ৰ
|
উপ্ত
|
চিত্ৰৰথ
|
শুচিৰথ
|
বৃষ্টিমান্
|
সুষেন
|
সুনীথ
|
নৃচক্ষু
|
সুখীনল

(১১) সত্যবতী :— কথা-প্ৰসঙ্গত মৎস্য-গন্ধাৰ সুঘ্ৰাণ-প্ৰাপ্তিৰ উপাখ্যান দিব লগীয়া হ'ল। দ্বাপৰযুগত পৰিচৰ নামক এজন ৰজাই ঘোৰ তপস্যা কৰিছিল। তেওঁৰ তপস্যাত তুষ্ট হৈ দেৱতাসকলে ইন্দ্ৰক বৰ দিবলৈ পঠালে; ইন্দ্ৰৰ প্ৰশ্নৰ উত্তৰত পৰিচৰে ৰাজ্য পাবলৈ আৰু ৰজা হ'বলৈ বৰ বিচাৰিলে—ইন্দ্ৰই পৰিচৰক চেদি-ৰাজ্য দান দি তেওঁক তাত ৰজা পাতি গ'ল। পৰিচৰে অযোনিজা কন্যা এটি পত্নীস্বৰূপে পাইছিল। মৃগয়া কৰিবলৈ যাওঁতে অনুক্ষণ ভাৰ্য্যা স্মৰণ কৰোঁতে তেওঁৰ বীৰ্য্যস্খলন হৈছিল আৰু সেই বীৰ্য্য সঞ্চাৰণ পক্ষীয়ে যমুনাৰ জলত পেলালে। সেই সময়ত যমুনাত দীৰ্ঘিকা নাম্নী অপ্সৰী মুনিশাপ-ভ্ৰষ্টা হৈ মৎস্য-ৰূপ ধৰি আছিল আৰু এই পৰিচৰৰ পূৰ্ব্বোক্ত বীৰ্য্য এই মৎস্যৰ উদৰ-গ্ৰস্ত হৈছিল। কালক্ৰমত সেই মাছটি জালোৱাৰ জালত বন্দী হ'ল আৰু পাবলৈ অনাৰ পিচত সেই মাছৰ পেটৰ পৰা এটি লৰা আৰু এজনী ছোৱালী ওলাল। জালোৱাই মাছে সৈতে লৰা-ছোৱালী উভয়কে ৰজাৰ আগত ভেটিলে; ৰজাই লৰাটি দোষহীন আৰু সুলক্ষণ-যুক্ত দেখি ৰাখিলে আৰু কালক্ৰমত এৱেঁই মৎস্যদেশত মৎস্যৰাজ নামৰ ৰজা হ'ল; ছোৱালীজনীৰ গাত মাছৰ দুৰ্গন্ধ থকা বাবে ৰজাই নাৰাখিলে; জালোৱা ধীবৰে ছোৱালীৰ দুৰ্গন্ধ-দোষৰ বাবে নিজৰ ঘৰত নাৰাখি ঘাটত মানুহ পাৰ কৰিবৰ নিমিত্তে ছোৱালীটি নিযুক্ত কৰিলে॥ পৰাশৰ মুনিয়ে কন্যা মৎস্যগন্ধাক সুগন্ধা আৰু যুৱতী হবলৈ বৰ দিলে আৰু জলৰ মাজৰ দ্বীপত উভয়ৰ মিলন-ফলত দ্বীপৰ মাজত দ্বৈপায়ন ব্যাসৰ জন্ম হ'ল। পৰাশৰ মুনিৰ বৰত মৎস্যগন্ধাৰ যুৱতী-লক্ষণ লুপ্ত হ'ল আৰু তেওঁ আগৰ দৰে মৎস্যগন্ধা কুমাৰী নহৈ সুগন্ধা কুমাৰী হৈ থাকিল। ক্ৰমোদ্ভিন্নযৌবনা সুগন্ধাই শান্তনুক মুগ্ধ কৰি ৰাজপত্নী সত্যবতী হোৱা কথা ওপৰত কোৱা হৈছে।

সুধীনল
|
পৰিপ্লৱ
|
সুনয়
|
মেধাবী
|
নৃপঞ্জয়
|
দূৰ্ব্ব
|
তিমি
|
বৃহদ্ৰথ
|
সুদাস
|
শতানীক
|
দুৰ্দ্দমন
|
মহীনৰ
|
দণ্ডপাণি
|
নিমি
|
ক্ষেমক

পৰীক্ষিতাদি ক্ষেমক পৰ্য্যন্ত এইসকল চন্দ্ৰবংশীয় ৰজাই কলিৰ এহেজাৰ বছৰলৈকে ৰাজত্ব কৰিছিল।

চন্দ্ৰবংশৰ শাখান্তৰ মগধবংশৰ তলত নাম দিয়া ৰজা সকলে মগধত ৰাজত্ব কৰিছিল।

জৰাসন্ধ ( যুধিষ্ঠিৰৰ সমসাময়িক ৰজা )।
|
সহদেব
|
মাৰ্জ্জাৰি
|
শ্ৰুতশ্ৰবা
|
অযুতায়ু
|
নিৰমিত্ৰ
|
সুনক্ষত্ৰ
|
বৃহৎসেন
|
কৰ্ম্মজিৎ

(১২) সত্যবতীৰ গৰ্ভত শান্তনু ৰজাৰ দুটি পুত্ৰ—চিত্ৰাঙ্গদ আৰু বিচিত্ৰবীৰ্য্যই জন্ম লভিছিল; চিত্ৰসেন গন্ধৰ্ব্বই চিত্ৰাঙ্গদক যুদ্ধত বধ কৰিছিল; ভীষ্মদেৱে বিচিত্ৰবীৰ্য্যলৈ কাশীৰাজ-কন্যা অম্বিকা আৰু অম্বালিকাক বিয়া কৰাই দিছিল। সন্তান নৌ হওঁতেই যক্ষ্মাৰোগত বিচিত্ৰবীৰ্য্যৰ মৃত্যু ঘটিছিল আৰু চন্দ্ৰবংশৰ লোপ হৈছিল। সত্যবতীৰ আদেশ অনুসৰি ব্যাসৰ ঔৰসত অম্বিকা আৰু অম্বালিকাৰ ক্ষেত্ৰজ সন্তান ধৃতৰাষ্ট্ৰ আৰু পাণ্ডুৰ জন্ম হোৱা মহাভাৰতৰ আখ্যান জনা-জাত হৈ আছে—সেইবাবে তাৰ বাহুল্য উল্লেখ অনাবশ্যক।

(১৩) ধৃতৰাষ্ট্ৰ জন্মান্ধ আছিল;—তেওঁলৈ ভীষ্মদেৱে মদ্ৰবংশৰ সুবল ৰজাৰ জীয়েক গান্ধাৰীক বিয়া কৰাইছিল আৰু ভীষ্মদেৱেই পাণ্ডুলৈ ভোজৰাজ বংশৰ জীয়াৰী কুন্তীক আৰু মদ্ৰৰাজ-দুহিতা মাদ্ৰীক বিয়া কৰাই দিছিল। গান্ধাৰীৰ গৰ্ভত দুৰ্য্যোধন, দুঃশাসন, বিকৰ্ণ আদি ধৃতৰাষ্ট্ৰৰ এশ জন পুত্ৰ হৈছিল।

(১৪) কিন্দম নামধাৰী ঋষি-কুমাৰ একনে মৃগৰূপ ধৰি মৃগী-সঙ্গম কৰোঁতে শৰ-সন্ধান কৰা বাবে কিন্দমে স্ত্ৰী-সঙ্গমত পাণ্ডুৰ মৃত্যু হবলৈ শাপ দিছিল; সেইবাবে পাণ্ডুৱে শাপ-গ্ৰস্ত হৈ ক্ষেত্ৰজ পুত্ৰ উপজাবলৈ কুন্তীক আৰু মাদ্ৰীক আদেশ দি তপস্যা কৰিবলৈ ধৰিলে।

(১৫) কন্যাকালত কুন্তীয়ে শুশ্ৰূষাৰ দ্বাৰাই সন্তুষ্ট কৰা বাবে দুৰ্ব্বাসা মুনিৰ পৰা বশীকৰণ মন্ত্ৰৰ শিক্ষা পাইছিল। সেই মন্ত্ৰৰ পৰীক্ষা কৰোঁতে তেওঁৰ গৰ্ভত চন্দ্ৰৰ পৰা সিন্ধুৰাব আৰু পিচত আকৌ সূৰ্য্যৰ পৰা কৰ্ণৰ জন্ম হৈছিল। উভয় কানীন (কন্যাকালত হোৱা) পুত্ৰৰ জন্ম কুন্তীয়ে গুপ্ত কৰি ৰাখিছিল। পিচত বিবাহ-বন্ধনত কুন্তী পাণ্ডুৰ প্ৰথমা পত্নী হৈছিল। পাণ্ডুৰ আদেশ অনুসৰি পূৰ্ব্বোক্ত বশীকৰণ মন্ত্ৰৰ বলেৰে কুন্তীয়ে ক্ৰমান্বয়ে ধৰ্ম্মৰাজ, বায়ু আৰু ইন্দ্ৰক স্মৰণ কৰি যুধিষ্ঠিৰ, ভীম আৰু



কৰ্ম্মজিৎ
|
শ্ৰুতঞ্জয়
|
বিপ্ৰ
|
শুচি
|
ক্ষেম
|
সুব্ৰত
|
ধৰ্ম্মসূত্ৰ
|
সম
|
দৃঢ়সেন
|
সুমতি
|
সুবল
|
সুনীথ
|
সত্যজিৎ
|
বিশ্বজিৎ
|
পুৰঞ্জয় ( পুৰঞ্জয় পৰ্য্যন্ত মগধবংশী ৰজাসকলে কলিৰ এহেজাৰ বছৰলৈকে ৰাজত্ব কৰিছিল; পুৰঞ্জয়ৰ মন্ত্ৰী শুনকে তেওঁক মাৰি তেওঁৰ পুত্ৰ প্ৰদ্যোতক ৰজা পাতিছিল। এওঁৰ দিনৰ পৰাই ৰাজবংশত বৰ্ণশঙ্কৰ দোষ ঘটিছিল)
|
প্ৰদ্যোত
|
পালক
|
বিশাখযূপ
|
ৰাজক

অৰ্জ্জুনক পুত্ৰ লাভ কৰিছিল; আৰু তেৱেঁই সেই মন্ত্ৰৰ বলেৰেই সতিনীয়েক মাদ্ৰীৰ হতুৱাই অশ্বিনী-কুমাৰ যুগলক আহ্বান কৰোৱাৰ ফলত মাদ্ৰীৰ গৰ্ভত নকুল আৰু সহদেৱৰ জন্ম হৈছিল।

ৰাজক
|
নন্দীবৰ্দ্ধন ( প্ৰদ্যোত আদি নন্দীবৰ্দ্ধন পৰ্য্যন্ত পাঁচজন ৰজাই ১৩৮০০ বছৰ ৰাজত্ব কৰিছিল।)
|
শিশুনাগ
|
কাকবৰ্ণ
|
ক্ষেমধৰ্ম্মা
|
ক্ষেত্ৰজ্ঞ
|
বিদিসাৰ
|
অজাতশত্ৰু
|
দৰ্ভক
|
অজয়
|
নন্দীবৰ্দ্ধন
|
মহানন্দী ( শিশুনাগ আদি মহানন্দী পৰ্য্যন্ত দহজন ৰজাই ৩৬০ বছৰ ৰাজত্ব কৰিছিল।)
|
নন্দ ( এওঁ শূদ্ৰানী-গৰ্ভজাত আছিল।)
|
সুমালী আদি আঠজন। নন্দৰ মন্ত্ৰী চাণক্যই নন্দ আৰু তেওঁৰ পুতেক আঠজনক বধ কৰি মৌৰ্য্যবংশীয় চন্দ্ৰগুপ্তক মগধৰ ৰজা পাতিছিল। নন্দৰ লগতে বৰ্ণশঙ্কৰদুষ্ট চন্দ্ৰবংশ সম্ভূত মগধবংশীয় ক্ষত্ৰিয় ৰজাৰ অন্ত হয়।

শ্ৰীকৃষ্ণকান্ত ভট্টাচাৰ্য্য।

২১ বহাগ, ১৮৫৩ শক।

---

# ভাষাৰ কথা ।

যোৱা সংখ্যা আসাম সাহিত্য-সভা-পত্ৰিকাত ( ৫ম বছৰ, ১ম-২য় সংখ্যা ২৫ পিঠি ) "শ আৰু স অসমীয়া উচ্চাৰণ" নামৰ এটি আলোচনা-মূলক প্ৰবন্ধ ছপা হৈ গৈছে । সদৌ আসামৰেই মুখ-পত্ৰিকা এখনত এনে বিধৰ প্ৰবন্ধ যিমানেই প্ৰকাশ হয় সিমানেই ভাল । সেই প্ৰবন্ধ পঢ়ি মনত খেলোৱা কথা অলপ ইয়াত উল্লেখ কৰা হ'ল । ই প্ৰতিবাদ নহয় ।

ভাৰতৰ আন আন প্ৰাদেশিক ভাষাৰ লগত অসমীয়া ভাষাৰ যিদৰে মিল আছে, বঙালী ভাষাৰ লগতো আছে ; অৱশ্যে কিছু বেচি-কম হব পাৰে । পূৰ্ব্ব-বঙ্গৰ অনেক মানুহেই অসমীয়া 'মইক' 'মুই' আৰু 'পানীক' 'পাণী' বুলিয়েই উচ্চাৰণ কৰে । 'ঘৰ' শব্দৰ ব্যৱহাৰো বঙালী ভাষাত আছে । বঙালী মানুহে য'ত কিবা কাম-কাজ কৰিবৰ কাৰণে অস্থায়ী ভাৱে থাকে, তাকে বঙালী ভাষাত 'ঘৰ বুলি কয় । যেনে—আমি ঘৰে যাইবো ; আৰু একেবাৰে দেশলৈ যাবলৈ হলে বেচি ভাগ বঙালীয়েই 'বাড়ী যাইবো' বুলিহে কয় । এইদৰেই বঙালী ভাষাৰ লগত, বিশেষতঃ পূৰ্ব্ববঙ্গৰ ভাষাৰ লগত অসমীয়া ভাষাৰ মিল থকা দেখা যায় । কোচবিহাৰ অঞ্চলৰ মানুহে অসমীয়া 'ভাই' শব্দক 'বা-ই' ৰ দৰে উচ্চাৰণ কৰে ।

পুৰণি অসমীয়া ভাষাত 'জল' শব্দৰ ব্যৱহাৰ আছিল ; দুটা নীতি-পূৰ্ণ বচনত তাৰ প্ৰয়োগ এইদৰে আছে—

(১) পশ্চিমে গাজিলে জল ।
পুবে গাজিলে ঢল ॥
(২) সুজল বৰিষণা ( বৰষুণ ) ।
সুপুৰুষ কিৰিষণা ( খেতিয়ক ) ॥
সুফল কাদলী ( কল ) ।
সুজাতি কেদেলী ॥

এতিয়াও অসমীয়া মানুহে পবিত্ৰ ভাৱত 'পানীৰ' ঠাইত 'জল' শব্দ ব্যৱহাৰ কৰে । যেনে—গঙ্গা-জল ।

এইবিলাক কাৰণেই বুজা যায় যে প্ৰাচীন কালত অসমীয়া ভাষাৰ কলেৱৰ বৰ ডাঙৰ আছিল । এই কথাত অকণো ভুল নাই ।

বঙালীৰ উচ্চাৰণৰ লগত অসমীয়াৰ উচ্চাৰণৰ কিছু মিল আছে । দুই চাৰিজন অসমীয়াত বাহিৰে বেচি ভাগেই তলত দিয়া শব্দবোৰ সংস্কৃতৰ দৰে লিখি এইদৰে উচ্চাৰণ কৰে—

সংস্কৃত আৰু হিন্দী উচ্চাৰণ :—
লক্ষ্মী, পদ্ম, আত্মা
অসমীয়া আৰু বঙালী উচ্চাৰণ :—
লক্ষী, পদ্দ, আত্তা ইত্যাদি

আমাৰ যোনেৰে শব্দ যিদৰে লিখা যায় সেই দৰেই উচ্চাৰণ কৰাটো ভাল । আমাৰ কোনো কোনো ঠাইত 'লক্ষ্মীক' ঠিক মতেই উচ্চাৰণ কৰা হয় ; 'পদ্মৰ' ঠাইত 'পদুম' হয় ।

ভাৰতীয় প্ৰায়বোৰ প্ৰাদেশিক ভাষাৰেই জননী হৈছে সংস্কৃত ভাষা । এই প্ৰাদেশিক ভাষাবোৰৰ সৃষ্টি-কাল সঠিককৈ নিৰ্ণয় কৰা উজু কথা নহয় । সংস্কৃত ভাষাৰ পৰা প্ৰায়বোৰ প্ৰাদেশিক ভাষাৰ উৎপত্তি হোৱাৰ কাৰণেই এই ভাষাবোৰৰ ভিতৰত কম-বেচি পৰিমাণে সামঞ্জস্য থকাটো একেবাৰে স্বাভাৱিক । জীন দিনে যি বস্তু যিমানেই পুৰণি হয়, সিমানেই তাৰ অৱয়ৱো পৰিবৰ্ত্তন হোৱাটো স্বাভাৱিক । আমাৰ অসমীয়া ভাষাত এনে কিছুমান শব্দ পোৱা যায় যে ভালকৈ ভাবি নাচালে সেইবোৰৰ উৎপত্তি যে সংস্কৃত ভাষাৰ শব্দৰ পৰা হোৱা তাক নিৰ্ণয় কৰা টান হৈ পৰে । ইয়াত দুটামান উদাহৰণ দিয়া হ'ল :—



| অসমীয়া— | সংস্কৃত— |
| --- | --- |
| নৈ ... ... | নদী |
| নাও ... ... | নৌকা |
| পাত ... ... | পত্ৰ ( পৰ্ণ ) |
| আই ... ... | অম্বা |
| জোঁৱাই ... ... | জামাতা |
| ভনী ... ... | ভগ্নী |
| বিয়া ... ... | বিবাহ |
| গাওঁ ... ... | গ্ৰাম |
| গাঁত ... ... | গৰ্ত্ত |

ভাষা গতিশীলা । সেই কাৰণে অসমীয়া ভাষাৰ চিৰন্তন গতিত পৰি অনেক সংস্কৃত মূল শব্দ জীণ গৈ অসমীয়া ভাষাৰ একেবাৰে নিজা শব্দ যেন হৈ পৰিছে । শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱ দেৱ আদি গুৰুসকলৰ লিখাবিলাকৰ ভিতৰতো ভাৰতীয় আন আন প্ৰাদেশিক ভাষাবোৰৰ অনেক শব্দ পোৱা যায় ; সেই শব্দবোৰে অসমীয়া ভাষাৰ পৰিপুষ্টি সাধন কৰিছে । আমাৰ ভাষাত ইংৰাজী, ফাৰ্চী আদি ভাষাৰ শব্দও বহুত সোমাইছে ।

এতিয়া দেখা গ'ল যে অসমীয়া ভাষাত জীণ যোৱা শব্দৰ সংখ্যা ( তদ্ভৱ শব্দ ) বেচি । সেই কাৰণে ই এটা অতি পুৰণি ভাষা । কিন্তু 'গোবিন্দ'ক "গুবিন্দ" আৰু 'গোপী'ক "গুপী" বুলি উচ্চাৰণ কৰাটো ঠিক নহয় ।

ভাৰতীয় আন আন প্ৰাদেশিক ভাষাত 'ৱ' ৰ ব্যৱহাৰ আছে, অসমীয়া ভাষাতো আছে আৰু বঙালী ভাষাতো আগেয়ে আছিল । কালৰ সোঁতত বা জল-বায়ুৰ বিভিন্নতাত বঙালী ভাষাৰ মাজৰ পৰা 'ৱ' ৰ প্ৰচলন উঠি গ'ল । বঙালী ভাষাত এতিয়াও মাজে সময়ে 'স্বামীৰ' ঠাইত 'সোৱামী' আৰু 'দ্বাৰৰ' ঠাইত 'দুয়াৰ' শব্দৰ ব্যৱহাৰ কৰা দেখা যায় । বঙালী ভাষাতো আগেয়ে 'ৱ' ৰহে প্ৰচলন আছিল ।

আৰু এটা কথা ইয়াত উল্লেখ কৰিলোঁ । যোৱা ১৩৩৭ চনৰ ৫ম সংখ্যা 'প্ৰবাসীৰ' ৭৪৫ পিঠিত 'তিস্তা' নামৰ এটি সৰু পদ্য প্ৰকাশ হৈ গৈছে । এই 'তিস্তা' নৈ সম্ভৱতঃ কোচবিহাৰৰ ওচৰেদি বৈ যোৱা 'তৰ্চা' নৈৰ নামান্তৰ । পদ্যটো প্ৰাচীন অসমীয়াৰ পৰা ( প্ৰাচীন আসামী হইতে অনুবাদ ) অনুবাদ কৰা বুলি অনুবাদক শ্ৰীযুক্ত প্ৰমথ নাথ বিশী মহাশয়ে উল্লেখ কৰিছে । অনুবাদক শ্ৰীযুক্ত বিশী মহাশয়ে 'আসামীৰ' ঠাইত 'অসমীয়া' লিখি একেবাৰে মূল পদ্যটোও প্ৰকাশ কৰা হলে পৰম-সন্তোষৰ কথা হ'লহেঁতেন । মূল অসমীয়া পদ্যটোও প্ৰকাশ কৰিবলৈ প্ৰবাসীৰ সম্পাদক মহাশয়লৈ অনুৰোধ-পত্ৰ লিখি একো সমিধান নাপালোঁ । সুবিধা হলে 'তিস্তা' পদ্যৰ বিষয়ে লিখা হব ।

গোলাঘাট }
২১ বহাগ, ১৮৫৩ শক }
শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস ।
৪।৫।৩১

# কাইথেলী অঙ্ক । *

( প্ৰথম অধ্যায় )

[ সৰস্বতী-বন্দনা ]

১। সৰস্বতী সৰস্বতী মহাভাগ্যে দেবী,
বিদ্যা বাগীশ্বৰী নীলবৰ্ণে কুণ্ডলকৰ্ণে,
আনে বোলে সৰস্বতী আমি বোলোঁ আই,
যিখিনি পাহৰোঁ আই দিবা সোঁৱৰাই ॥
মাৰিলোঁ কোঁট লাগিল গাঁঠি ।
আই সৰস্বতী থাকা কণ্ঠত উঠি ॥
কণ্ঠত থাকি কৰিবা হিত ।
আমাক কৰিবা ৰাজপণ্ডিত ॥

২। সৰস্বতী সৰস্বতী কণ্ঠে কলাপী,
ভোগে বিলাপী, মকৰা চন্দন,
লোকে বোলে সৰস্বতী,
আমি বোলোঁ আই,
যিখিনি পাহৰোঁ আই দিবা সোঁৱৰাই ।
খৰি খৰি খৰি, বৰজ'ৰ খৰি,
খৰিয়ে মেলিলে পাত,
( খৰি খৰি বজ্ৰ খৰি,
খৰি গ'ল ময়ৰা চন্দনৰ বাৰী,
ময়ৰা চন্দনে মেলিলে পাত, )
আই সৰস্বতী কণ্ঠত থাক ।
কণ্ঠত থাকি কৰিবা হিত,
আমাকো কৰিবা ৰাজপণ্ডিত ।
আঠীয়া কলাই মেলিলে ডিল,
আই সৰস্বতী আমাক বুধুবাৰা কিল ॥

১ম সৰস্বতী বন্দনা :— এইটো আমাৰ প্ৰকাশিত কাইথেলী অঙ্ক পুথিৰ প্ৰথমতে আছে । প্ৰাচীন কালত লৰাবিলাকে কাঠৰ ফলি, মাটিৰ গুলি ব্যৱহাৰ কৰিছিল । পঢ়াশালি চুটি হবৰ সময়ত লৰা-বোৰে এই বন্দনা একেলগে গাইছিল । ফলিত মাটিৰ গুলিৰে লিখা আখৰ মচি আঙ্গুলীৰে কোঁট লৈ ঘৰলৈ গৈছিল । ই আসামৰ প্ৰাচীন কলীয়া স্কুলৰ ধৰ্ম্ম-শিক্ষাৰ নিদৰ্শন । বৰ্ত্তমানে স্কুলত ধৰ্ম্ম সম্বন্ধীয় শিক্ষা হোৱা-নোহোৱা পাঠক মাত্ৰেই জানে । আমি ২।১ খন স্কুলৰ লৰাক এনেকুৱা বন্দনা একেলগে গাবলৈ দি অৰ্থ বুজাই দিয়াত লৰাই হেপাহেৰে গাইছিল ।

২য় বন্দনা :— ইও প্ৰাচীন কলীয়া । আমি ঘূৰি ফুৰি গৈ তেজপুৰৰ পৰা ১৫ মাইল দূৰৰ শলগুৰি সত্ৰত প্ৰাচীন পুথি বিচাৰি সত্ৰাধিকাৰ শ্ৰদ্ধাস্পদ শ্ৰীযুত দীনবন্ধু অধিকাৰৰ সত্ৰৰ পৰা ঘূৰি গত ২০।৩।৩০ তাৰিখে জামুগুৰি ডাক-বঙলাত থাকি মাননীয় শ্ৰীযুত কুমুদেশ্বৰ বৰঠাকুৰ, মাননীয় শ্ৰীযুত যজ্ঞেশ্বৰ বৰুৱা ডিপুটী ইনিস্পেক্টৰ মহাশয়ৰ লগত প্ৰাচীন অঙ্কৰ 'কৌতুক' চৰ্চ্চা কৰোঁ । তাতে মাননীয় শ্ৰীযুত যজ্ঞেশ্বৰ বৰুৱা মহাশয়ে ২য় বন্দনাটি আমাক দিয়ে ।

শ্ৰীদণ্ডীৰাম দত্ত,
( পোঃ আঃ বেলশৰ, )
কাইথেলী অঙ্ক অনুসন্ধানকাৰী

( ) বন্ধনীৰ ভিতৰৰ তিনিশাৰী স্থানভেদে ওপৰৰ দুশাৰীৰ পাঠান্তৰ মাত্ৰ । পঃ সঃ

* সংগ্ৰাহক শ্ৰীযুত দণ্ডীৰাম দত্ত মহাশয়ে যোৱা ৩১।৩।৩০ তাৰিখে আসাম সাহিত্য সভাৰ চন্দ্ৰকান্ত সন্দিকৈ হলত "কাইথেলী অঙ্কৰ কৌতুক" বিষয়ৰ বক্তৃতা দি শ্ৰোতাসকলক আনন্দ দিছিল । সেই দিনা সভাত শ্ৰীযুত হৰিনাথ ভট্টাচাৰ্য্য বি. এস্. চি মহাশয় সভাপতি আছিল । আকৌ তাৰ পিচতো ২৬।৪।৩০ তাৰিখে দত্ত মহাশয়ে উক্ত সভাৰ আশ্ৰয়ত একে ঠাইতে অঙ্কৰ কৌতুকৰ সম্পৰ্কে বক্তৃতা দিছিল ; সেই দিনাৰ সভাত সভাপতি আছিল স্বনামধন্য ৰায় বাহাদুৰ শ্ৰীযুত ৰাধাকান্ত সন্দিকৈ ডাঙৰীয়া । নগৰৰ গণ্য-মান্য ভদ্ৰলোকসকল, আৰু স্থানীয় উৎসাহী ছাত্ৰসকলে দত্তৰ অঙ্কৰ কথা শুনিবলৈ আগ্ৰহেৰে উপস্থিত হৈছিল আৰু তেওঁৰ বক্তৃতা শুনি সকলোৱেই সন্তোষ পাইছিল । শেষত শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়া আৰু শ্ৰীযুত কুলধৰ চলিহা ডাঙৰীয়াই দত্তক ধন্যবাদ জনোৱাৰ পিচত সভা-ভঙ্গ হয় । সেইবাৰ দত্ত মহাশয়ে যোৰহাটত প্ৰায় এমাহ থাকি নৰ্ম্মাল স্কুল, হাই স্কুল আৰু মাইনৰ স্কুল আদিত অঙ্কৰ কৌতুকৰ কথা দৃষ্টান্তেৰে সৈতে ছাত্ৰসকলক বুজাই দিছিল । তেখেতৰ "কাইথেলী অঙ্ক" পুথিৰ প্ৰকাশৰ কাৰণে সাহিত্য সভাই ইতিপূৰ্ব্বে এটা পুৰস্কাৰৰ দ্বাৰাই দত্তৰ গুণৰ সমাদৰ কৰিছে । পিচতো আসাম সাহিত্য সভাৰ কাৰ্য্য-নিৰ্ব্বাহক সভাই দত্ত মহাশয়ক প্ৰাচীন অঙ্কৰ অনুসন্ধান-কাৰ্য্যত নিযুক্ত কৰিছে ।

পঃ সঃ ।



# "দুৰ্ল্লভ নাৰায়ণ আৰু ধৰ্ম্মপাল" নামক প্ৰবন্ধৰ সম্পৰ্কে এখনি চিঠি ।

শ্ৰদ্ধাস্পদ শ্ৰীযুত আসাম সাহিত্য-সভা-পত্ৰিকা সম্পাদক
সমীপেষু

৫ম বছৰৰ ১ম সংখ্যা পত্ৰিকাত বন্ধুবৰ শ্ৰীযুত হৰিনাৰায়ণ দত্ত বৰুৱাই লিখা "দুৰ্ল্লভ নাৰায়ণ আৰু ধৰ্ম্মপাল" নামৰ প্ৰবন্ধটি পঢ়িলোঁ । সেই সময়ৰ বহুনামধাৰী ৰজাসকলৰ প্ৰকৃত পৰিচয় (identity) দিয়া, তেওঁলোকৰ "সসাগৰা পৃথিবী" নাইবা "মহিমণ্ডলব্যাপি" ৰাজ্যৰো প্ৰকৃত নিৰ্দ্ধাৰণ কৰা অতি 'দুৰূহ ব্যাপাৰ ।' শ্ৰীযুত দত্ত বৰুৱাই এই বিষয়ে লিখি তথ্য স্থিৰ কৰিবলৈ ওলোৱাত সন্তোষ পাইছোঁ । গৌড়ৰাজ্যৰ সম্বন্ধে তেখেতে যি লিখিছে, তাত আমাৰ কিছু কবলৈ থকাত এই কথাখিনি লিখা হ'ল ; পত্ৰিকাত প্ৰকাশ কৰি বাধিত কৰে যেন ।

তেখেতে লিখিছে "গৌড়ৰাজ্যৰ নাম খৃঃ পূৰ্ব্ব ৮ম শতিকাৰ পৰা পোৱা যায়---ই প্ৰাচীন পৌণ্ড্ৰবৰ্দ্ধনৰ একাংশ ।" এই কথাষাৰিৰ আগছোৱা ঠিক কিন্তু পাছ-ছোৱা সমূলি ঠিক নহয় । অৰ্থাৎ প্ৰাচীন গৌড়ৰাজ্য পৌণ্ড্ৰবৰ্দ্ধনৰ একাংশ নহয় । কাৰণ কূৰ্ম্ম আৰু লিঙ্গপুৰাণত লিখিছে :—

"শ্ৰাবস্তিশ্চ মহাতেজা বংশকস্ত ততো ভবৎ ।
নিৰ্ম্মিতা যেন শ্ৰাবস্তী গৌড়দেশে দ্বিজোত্তমাঃ ।"

সূৰ্য্যবংশীয় শ্ৰাবস্তিৰ পুত্ৰ বংশকে গৌড়দেশত শ্ৰাবস্তী নগৰ নিৰ্ম্মাণ কৰিছিল । এই নগৰত শ্ৰীৰামচন্দ্ৰৰ পুত্ৰ লৱৰ ৰাজধানী আছিল । ই বৰ্ত্তমান অযোধ্যা প্ৰদেশৰ গোণ্ডা জিলাত । গৌড় আৰু গোণ্ড নাম একে । এই গৌড়ৰাজ্যৰ কথা বিষ্ণুশৰ্ম্মাৰ হিতোপদেশতো পোৱা যায়, "অস্তি গৌড় বিষয়ে কৌশাম্বী নাম নগৰী ।" কৌশাম্বী বৰ্ত্তমান এলাহাবাদ জিলাত ।

মধ্যযুগত এই গৌড়ৰাজ্য ইমান প্ৰখ্যাত হৈ উঠিছিল যে সিন্ধুপ্ৰদেশৰ বাহিৰে সমগ্ৰ আৰ্য্যাবৰ্ত্তই একসময়ত গৌড় নামে প্ৰসিদ্ধি লাভ কৰিছিল । সেই সময়ৰ আৰ্য্যাবৰ্ত্তৰ সকলো ভাষাকে গৌড়ীয় ভাষা বুলিছিল । সংস্কৃত কাব্যৰ ৰীতি বিশেষৰ নামো গৌড়ী ৰীতি; যথা "ওজঃপ্ৰকাশকৈ ৰ্বৰ্ণৈৰ্বন্ধা ডম্বৰপূৰ্ণা সমাসবহুলা গৌড়ী ।" গৌড়ী ৰাগিনী, গৌড়মল্লাৰ, গৌড়সাৰঙ্গ ৰাগৰ মূলতো এই গৌড়েই । দিল্লী, ৰোহিলখণ্ড, বিহাৰ আদি দেশৰ প্ৰসিদ্ধ গৌড় ব্ৰাহ্মণ ; পশ্চিমৰ প্ৰসিদ্ধ ভাট, ৰামন, চৌহাৰ—গৌড় ৰাজপুত ; পশ্চিমৰ গৌড় কায়স্থসকলোৰে মূলত এই গৌড় । খৃষ্টীয় ২য় শতাব্দীলৈকে এই ৰাজ্য সমৃদ্ধিশালী আছিল । এই সমৃদ্ধিৰ সময়ত গৌড় সাম্ৰাজ্য ৫ ভাগত বিভক্ত কৰা হৈছিল যথা, "সাৰস্বতাঃ কান্যকুব্জা উৎকলা মৈথিলাশ্চযে । গৌড়াশ্চ পঞ্চধাচৈব···পঞ্চ গৌড়াঃ

প্ৰকীৰ্ত্তিতাঃ ॥"—স্কন্দপুৰাণ । আকৌ "সাৰস্বতাঃ কান্যকুব্জা গৌড়মৈথিলিকোৎকলাঃ পঞ্চ গৌড়া ইতিখ্যাতা বিন্ধ্যস্যোত্তৰবাসিনঃ"—শব্দকল্পদ্ৰুম ।

এই গৌড়ৰাজ্য আছিল মধ্য যুগত অৰ্থাৎ কুৰু-ক্ষেত্ৰৰ যুদ্ধৰ পাচৰ পৰা খৃষ্টীয় শতিকাৰ আৰম্ভণলৈকে । বঙ্গদেশৰ গৌড় বৰ্ত্তমান মালদহ জিলাত আছিল বুলি কয় ; গতিকে এই মালদহ জিলাৰ তেতিয়াৰ অৱস্থা সম্বন্ধে আলোচনা কৰি চোৱা যাওক ।

মহাভাৰতত লিখা আছে যে মহাপ্ৰস্থানৰ সময়ত পাণ্ডৱবিলাকে পূৱৰফালে আহিছিল আৰু অৰ্জ্জুনে লোহিত সাগৰত গাণ্ডীৱ ত্যাগ কৰিছিল । ইয়াৰ পৰা জনা যায় যে, সেই সময়ত আৰ্য্যাবৰ্ত্তৰ পূবে এখন সাগৰ আছিল । মনু সংহিতাতো এনে কথা পোৱা যায় । এজন বঙ্গীয় প্ৰত্নতাত্ত্বিকে লিখি গৈছে যে, "বঙ্গদেশের (?) পাৰ্শ্বদেশ দিয়া হিমালয়ের পাদ-দেশ পৰ্য্যন্ত সমুদ্ৰ বিস্তৃত ছিল । এই সমুদ্ৰকে লৌহিত্য বা লোহিত সাগৰ বলিত ।" মহাভাৰতত বনপৰ্ব্বৰ ১১৩ অধ্যায়ত যুধিষ্ঠিৰৰ তীৰ্থযাত্ৰা-বিৱৰণত পোৱা যায় যে, কৌশিকী তীৰ্থৰ (বৰ্ত্তমান কুশী নদীৰ) কিছু পূবে ( অৰ্থাৎ বৰ্ত্তমান বিহাৰ আৰু বঙ্গদেশৰ সীমাত ) তেওঁ গঙ্গাসাগৰসঙ্গম তীৰ্থ পাইছিল । অৰ্থাৎ তেতিয়া গঙ্গা নদী সেই ঠাইতে আহি সাগৰত পৰিছিল । এনেকি খৃঃ পূঃ ৩৫২ চনত গ্ৰীক ৰাজদূত মেগেস্থানিছে লিখি গৈছে যে, পাটনাৰ পূবে ৩০০ মাইলৰ ভিতৰতে গঙ্গা-সাগৰ-সঙ্গম তেতিয়াও আছিল । ইও লোহিত সাগৰৰ অস্তিত্বকে সমৰ্থন কৰে । খৃষ্টীয় প্ৰথম শতাব্দীত লিখা পেৰিপ্লুচ পুস্তিকাত ( Periplus maris Erythrai ) দেখা যায় যে, কামৰূপৰ ফালৰ পৰা তাম্ৰলিপ্ত বন্দৰলৈ বাণিজ্যদ্ৰব্য নিয়া পোতবোৰ সমুদ্ৰগামী আছিল । গতিকে ইয়াৰ পৰাও জনা যায় যে খৃঃ প্ৰথম শতিকাতো বঙ্গদেশৰ কেচি ভাগতে সাগৰ আছিল । ভূতত্ত্ববিদসকলে কয় যে বৰ্ত্তমান সমগ্ৰ বঙ্গদেশৰে মাটি বালি আৰু বোকাৰে তৈয়াৰি । উত্তৰ বঙ্গৰ মাটি বালীয়া ; হয় ভূমিকম্পৰ দ্বাৰা তলৰ পৰা উঠা বালিৰে পূৰণ হোৱা, নহয় ভূতত্ত্ববিদসকলে কোৱাৰ দৰে হিমালয়ৰ গাত্ৰবিধৌত প্ৰস্তৰ-ৰেণুকাৰ দ্বাৰা পূৰণ হোৱা । গতিকে দক্ষিণ বঙ্গৰ কথাই নাই উত্তৰ বঙ্গও বেচি দিনৰ নহয় ; জলৰ পৰা ওলোৱা আধুনিক স্থলহে । তাৰ উপৰি পুৰণিকলীয়া অসংখ্য দ্বীপৰ নামে বঙ্গদেশত সাগৰৰ অস্তিত্বৰে প্ৰমাণ দিয়ে—যেনে, পৌণ্ড্ৰদ্বীপ, অঙ্গদ্বীপ, সূৰ্য্যদ্বীপ, মধ্যদ্বীপ, জয়দ্বীপ, চক্ৰদ্বীপ, কুশদ্বীপ, এড়ুদ্বীপ, প্ৰবালদ্বীপ, বৃদ্ধদ্বীপ, চন্দ্ৰদ্বীপ, নবদ্বীপ ইত্যাদি । গতিকে এইবোৰৰ পৰা দেখা যায় যে বঙ্গদেশীয় গৌড়ৰ আদিস্থান মালদহ জিলা মধ্যযুগত লোহিত সাগৰৰ বুকুত আছিল । তেন্তে কেনেকৈ বঙ্গীয় গৌড় মধ্যযুগৰ হব পাৰে ? বঙ্গ ভাষাত দহ মানে হ্ৰদ, মালদহৰ অৰ্থ বহল পানী ।

এতিয়া প্ৰশ্ন হয় বঙ্গদেশৰ গৌড় হৈছে কেতিয়াৰ ? তলত এই বিষয়ে আলোচনা কৰি চোৱা যাওক ।

দিনাজপুৰৰ শিলালিপিত গৌড় সম্বন্ধে এই শ্লোকটি উৎকীৰ্ণ আছে, যথা—

"কাম্বোজান্বয়জেন গৌড়পতিনা তেনেন্দু মৌলেৰয়ং । প্ৰাসাদো নিৰমায়ি কুঞ্জৰঘটা বৰ্ষেন ভূষূষণঃ ।"

এই গৌড়পতি যে কম্বোজ বংশীয় আছিল তাৰ প্ৰমাণ শ্লোকতে পোৱা যায় । এই কম্বোজবিলাক কোন ? ঐতিহাসিক ভি. এ, স্মীথৰ ভাৰত বুৰঞ্জীত পোৱা যায় যে টিবেট দেশৰ পুৰণি নাম "কম্বোজ" আছিল । এই দেশৰ পৰা বহু দিগ্বিজয়কাৰীয়ে আহি ভাৰতৰ নানা স্থানত ৰাজ্য স্থাপন কৰিছিল । তাৰ ভিতৰত এখন পেছোৱাৰৰ পশ্চিমে আৰু এখন উত্তৰ ভাৰতত, যথা—

"পাঞ্চাল দেশমাৰভ্য ম্লেচ্ছাদ্দক্ষিণ পূৰ্ব্বতঃ
কম্বোজ দেশো দেৱেশি বাজিৰাশি পৰায়নঃ" ।
শক্তিসঙ্গমতন্ত্ৰ ।



এই কম্বোজৰ পৰা কুবাচ আৰু তাৰ পৰা কুচ বা কোচ হোৱা বুলি ঐতিহাসিকসকলে কয় । এই গৌড়ৰ ৰজা কম্বোজবিলাকেই যে কোচ তাৰ প্ৰমাণ তলত লিখা কথাখিনি পঢ়িলেই পোৱা যায় । ৰংপুৰ সাহিত্য-পৰিষৎ-প্ৰকাশিত গৌড়ৰ ইতিহাসত লিখা আছে—"কোচ দেশৰ ৰজা সাঙ্গলদেৱে বিহাৰ অধিকাৰ কৰি ৪ হাজাৰ গজাৰোহী, ১ লক্ষ অশ্বাৰোহী আৰু ৪ লক্ষ পদাতি সৈন্য লগত লৈ আহি গৌড় নগৰ স্থাপন কৰে ।" ইয়াৰ পৰা দেখা যায় যে কম্বোজ দেশৰ ৰজাকে কোচ বুলি আখ্যান দিছিল । তাৰ উপৰি প্ৰাচীন গৌড়ৰ "আইহোৰাণী" দেৱীৰ প্ৰতিষ্ঠাও কোচবিলাকে কৰা বুলি প্ৰবাদ আছে । এই দেৱীৰ বলি কোচবিলাকৰ বাহিৰে আন কোনেও চুব নোৱাৰে । এই মতে ৮ম শতাব্দীৰ আৰম্ভণৰ অলপ আগতে কম্বোজ—কুবাচ বা কোচ—বিলাকে বঙ্গৰ গৌড় নগৰ স্থাপন কৰে । [ গতিকে ইয়াৰ আগত ৭ম শতাব্দীত হিয়াংচাঙে আহি এই গৌড় নগৰ বা ৰাজ্য তাত পোৱা নাই । উপৰোক্ত বঙ্গীয় প্ৰত্নতাত্ত্বিকেও লিখিছে যে—"খৃঃ ৬ষ্ঠ শতাব্দীপৰ্য্যন্ত নানা গ্ৰন্থে পুণ্ড্ৰ ৰাজ্যেৰ নাম পাওয়া যায়, গৌড়েৰ নাম ক্বচিৎ দৃষ্ট হয় ।" পুণ্ড্ৰক এতিয়া পাণ্ডুৱা বোলে ] । কিন্তু অলপ দিনৰ ভিতৰতে কাশ্মীৰৰ ৰজা ললিতাদিত্যই কোচ ৰজাক যুদ্ধত হৰুৱাই পাচত বধ কৰে । এই ঘটনাৰ পাচতে শূৰ-বংশীয় লোক আহি দ্বিতীয়জন কোচ ৰজাক খেদি গৌড় দখল কৰে । এওঁলোক ভাৰতৰ বাহিৰৰ দাক্ষিণাত্যৰ লোক—

"আগমং ভাৰতবৰ্ষং দাৰদাং সৰবিপ্ৰভঃ ।
জিত্বাচ বৌদ্ধ ৰাজানং তথা গৌড়াদিপং বলাৎ ॥"

এওঁলোকৰ নায়ক আছিল জয়ন্তশূৰ । তেওঁ জোঁৱায়েক কাশ্মীৰৰাজ জয়পীৰৰ সহায়ত ওচৰ-চুবুৰীয়া ৰাজ্য মহাস্থান, সন্তোষ, দেৱকোট আৰু ৰংপুৰ জয় কৰি, নিজ গৌড়েৰে সৈতে ৫ ভাগত ৰাজ্য বিভক্ত কৰি, আৰ্য্যাবৰ্ত্তৰ পুৰণি পঞ্চগৌড়ৰ আহিৰে পঞ্চগৌড় নাম দি পঞ্চ-গৌড়েশ্বৰ উপাধি গ্ৰহণ কৰে । এই ঘটনাৰে চেনু লৈ বৰ্ত্তমান বঙালীবিলাকে আৰ্য্যাবৰ্ত্তৰ বিখ্যাত গৌড়ৰ লগত, আধুনিক উত্তৰ বঙ্গৰ গৌড়ক সানমিহলি কৰি, পশ্চিমৰ পুৰণি গৌণ্ড, সৰস্বতী, মিথিলা, কান্যকুব্জ, উৎকল আদি পঞ্চগৌড়ৰ যিমানবোৰ গৌৰৱৰ কথা আছে সেই আটাইবোৰ আনি নিজৰ দেশৰ পুৰণি কীৰ্ত্তি কলাপৰ নিদৰ্শন বুলি ধৰি নিজেও আত্মপ্ৰতাড়িত হৈছে আৰু আনৰ আনৰ আগতো মিছা আড়ম্বৰ প্ৰকাশ কৰিছে । ফলৰ ভিতৰত ই কেৱল মধ্যযুগৰ উত্তৰ ভাৰতৰ প্ৰকৃত বুৰঞ্জী লিখাত নানা প্ৰতি-বন্ধকতাৰ সৃষ্টি কৰিছে । ইতি—

শক ১৮৫৩, তাং ৯ জেঠ ।

বিনীত—

শ্ৰীহৰিনাথ পাঠক চৌধুৰী,
ধুবুৰী ।

# সন্তাৱলী পুথি ।

ই এখন ১৪২ পিঠিৰ পুৰণি পুথি. শ্ৰীযুত সোণাৰাম তামুলীৰ দ্বাৰা এখনি পুথিৰ পৰা উদ্ধৃত। পুথিখনি গোলাঘাট গৱৰ্ণমেণ্ট হাইস্কুলৰ নৱমমান শ্ৰেণীৰ ছাত্ৰ শ্ৰীমান খগেশ্বৰ তামুলীয়ে পঢ়ি চাবলৈ মোক দিছিল। পুথিখনি পঢ়ি মই বৰ ভাল পালোঁ। ইয়াত মাথোঁ প্ৰথম খণ্ডহে আছে; কোনো সদাশয়লোকৰ অনুগ্ৰহত আটাই কেইটা খণ্ড পালে পৰম সন্তোষৰ কথা হব। ৩।৬।৩১ তাৰিখে স্কুল চাবলৈ গোলাঘাটলৈ আহোঁতে মই পৰম ভক্তিভাজন শ্ৰীলশ্ৰীযুক্ত শৰৎচন্দ্ৰ গোস্বামী প্ৰভুক এই পুথিখনি দেখুৱাইছিলোঁ; তেখেতে কিছু সময় পঢ়ি চাই পুথিখন ভাল আৰু দৰকাৰী বুলি কোৱাত তাৰ এটা চমু বিৱৰণ "পত্ৰিকাৰ" কাৰণে পঠালোঁ। ইয়াত মোৰ নিজৰ মতামত অলপো দিয়া নাই।

পুথিখনত এই কেইটা ভাগ আছে :—

(১) গ্ৰন্থ-আৰম্ভ ( ১ পৃঃ )

(২) ভূঁঞা-চৰিত্ৰ (১৭ পৃঃ)

(৩) কুঞ্জা-জন্ম-বৃত্তান্ত (২১ পৃঃ)

(৪) ভূঁঞাৰ যুদ্ধ আৰু জয় লাভ (২৩ পৃঃ)

(৫) ভূঞাঁৰ বিপদ (২৫ পৃঃ)

(৬) শঙ্কৰদেৱৰ পূৰ্ব্বপুৰুষ (৩১ পৃঃ)

(৭) শঙ্কৰৰ জন্ম কথন (৩৮ পৃ)

(৮) শঙ্কৰদেৱৰ মহিমা (৪৭ পৃঃ)

(৯) শঙ্কৰদেৱৰ তীৰ্থ-পৰ্য্যটন (৫২ পৃঃ)

(১০) শঙ্কৰৰ দ্বিতীয় বিবাহৰ দেৱ দামোদৰৰ জন্ম; উল্লেখ আৰু ভাওনা গীত বাগ আদি ৰাজনা সৃজন— (৫৭ পৃঃ)

(১১) মাধৱ-মিলন (৬২ পৃঃ) (১২) শঙ্কৰ মাধৱৰ তৰ্ক; মাধৱৰ পৰাজয় আৰু শিষ্যত্ব স্বীকাৰ (৭৪ পৃঃ) (১৩) মাধৱৰ শৰণ-গ্ৰহণ (৭৭ পৃঃ) (১৪) গোপালৰ মূৰ্ত্তি-স্থাপন (৮০ পৃঃ) (১৫) মাধৱৰ কৌশলত শঙ্কৰদেৱৰ দ্বিতীয়া ভাৰ্য্যা কালিন্দী গোঁসানীৰ শৰণ গ্ৰহণ (৮২ পৃঃ) (১৬) মাধৱ ভোজন (৮৪ পৃঃ) (১৭) পাল-নামৰ উৎপত্তি (৮৬ পৃঃ) (১৮) ব্ৰাহ্মণৰ বিদ্বেষ (৯৪ পৃঃ) (১৯) ঘোষা-শাস্ত্ৰ-বিৰচন (৯৬ পৃঃ)

"চৌধশ বাৱন্ন শকে মাঘে পূৰ্ণিমাত।
মাধৱে ৰচিলা ঘোষা গুৰুৰ কৃপাত॥" (৯৭ পৃঃ)

(২০) বেলগুৰি পৰিত্যাগ (৯৭ পৃঃ) (২১) স্মাৰ্ত্ত তৰ্ক-খ্যান (১০২ পৃঃ) (২২) শঙ্কৰৰ প্ৰতি পণ্ডিতৰ হিংসা (১১০ পৃঃ) (২৩) দামোদৰ-মিলন (১১৬ পৃঃ) (২৪) সন্তাৱলী গ্ৰন্থ প্ৰাপ্তি আৰু বিৰচন কাল (১২৩ পৃঃ)

"চতুৰ্দ্দশ একশত্তৰ শকত শ্ৰাৱণ। (১৪৭১)
মাধৱে কৰিল সন্তাৱলী বিৰচন॥" (১২৭ পৃঃ)

(২৫) মাধ-মাৰ (১২০ পৃঃ); ইয়াত কছাৰীক নাম-ধৰ্ম্ম দিয়াৰ বিষয়ে এইদৰে আছে—

"এহি বুলি মহাৰঙ্গে কছাৰী সমস্ত।
গুৰু মানি শৰণ লইল শঙ্কৰত॥
এহিমতে কছাৰীক কৰি শৰণীয়া।
মাধৱে সহিতে গৈলা স্বগৃহে চলিয়া॥
নিগদন্তি মাধৱদেৱ শুনা প্ৰভু বাক।
বিপৰীত উপদেশ দিলা আসাক॥
ব্যথিত হৃদয় ভৈল তব কথা শুনি।
হাস্য কৰি শ্ৰীশঙ্কৰে বুলিলন্ত বাণী॥
ক-খ লোৱা বালকক দিয়া ভাগৱত।
খোৱাক ভুলিবে পোলা বৃক্ষৰ আগত॥
সেহিমতে কছাৰীক দিয়া উপদেশ।
প্ৰতিফল পাই আছা সিহেতু বিশেষ॥" (১৩২ পৃঃ)

শ্ৰীশঙ্কৰ প্ৰভুৰ ওপৰৰ কথাখিনি সংসাৰী অনেক মানুহৰ গাটেই খাটে; চুঙা চাই সোপা দিব নজনাৰ কাৰণেই বহুত জনা লোকেও বিপদত পৰে।

(২৬) শঙ্কৰৰ দ্বিতীয়বাৰ তীৰ্থ-ভ্ৰমণ-বৃত্তান্ত। (১৩২ পৃঃ)

এই কেইটা ভাগতে প্ৰথম খণ্ড শেষ। এই



পুথিমতে জনা যায় যে জয়োজ্বৰ পুতেক সুমতি; তেওঁৰ কেইপুৰুষমানৰ পিচত প্ৰতাপচন্দ্ৰ ৰজা হয়—

"জয়োজ্জ্বল জেষ্ঠ-পুত্ৰ নামত সুমতি।
কামৰূপে তেহো হৈলেক নৃপতি॥
সুমতিৰ বৰ্ত্তমান পুৰুষ পাচত।
হৈল প্ৰতাপচন্দ্ৰ নৃপতি মহন্ত॥
ভূকবলে শত্ৰুক নাশিল নৃপবৰ।
অদ্যাপিও আছে চিহ্ন নাম প্ৰতাপগড়॥
তান পুত্ৰ ময়মত্ত নামে জনমিল।
তাক ৰাজ্য ভাৰ দিয়া স্বৰ্গক চলিল॥
পিতৃ ৰাজ্যে ময়মত্ত হইল ৰাজন।
ক্ৰমে জনমিল তাৰ দুগুটি নন্দন॥
জেষ্ঠ পুত্ৰ নাম ৰাখিলেক আৰিমত্ত।
কনিষ্ঠ পুত্ৰৰ নাম দিল নাগমত্ত॥
সবাৰে কনিষ্ঠ এক কন্যা জনমিল।
নৃপতয়ে ভেলাদে নামক ৰাখিল॥" ৩ পৃঃ

আৰিমত্ত ৰজাই চিকাৰ কৰিবলৈ যাওতে ভুলক্ৰমে কেনেকৈ পিতৃ-হত্যা কৰিলে, তাক ইয়াত দিয়া আছে। শ্ৰদ্ধাস্পদ সাহিত্যৰথী শ্ৰীযুক্ত বেজবৰুৱা ডাঙৰীয়াই ১৮৫৩ শকৰ বহাগ মাহৰ বাঁহীৰ ৯ পিঠিত লিখা কথাখিনি এই কিতাপত থকা কথাৰ লগত মিলে। আৰিমত্ত ৰজাৰ বংশ-লতা এইদৰে আৰু অনেক দিয়া আছে। ভেলাদৈ গাভৰু হোৱাত ময়মত্ত ৰজাই তেনো এখন স্বয়ম্বৰ পাতিছিল; তাত ভাৰতৰ অনেক সুপ্ৰসিদ্ধ ৰজা উপস্থিত আছিল। ৰাজকুমাৰীয়ে নিজ ইচ্ছামতে ৰত্নপুত্ৰক স্বামী বৰণ কৰে—

"লোহিতাৰ ৰূপ দেখি মোহিত হইল।
শীঘ্ৰবেগে মালা দিয়া স্বামীক বৰিল॥" ৩ পৃঃ

প্ৰাচীন কামৰূপ ৰাজ্যৰ শ্ৰী—যশৰ বিষয়ে এই পুথিত অনেক কথা আছে।

ৰজাই পিতৃ-হত্যা পাপৰ পৰা মুক্তি পাবলৈ যিমান যে দান-দক্ষিণা কৰিলে তাৰ লেখ-জোখ নাই; কিন্তু পিতৃ-বধীৰ দান কোনেও গ্ৰহণ নকৰিলে। পিচত তেওঁ আন উপায় নাপাই ভাটিৰ জগন্নাথ-ক্ষেত্ৰলৈ যায়। নৃপতিৰ এই তীৰ্থ-পৰ্য্যটনৰ প্ৰসঙ্গতে চৈত্ৰ আৰু মৈত্ৰ নামৰ দুজন উড়িয়া ব্ৰাহ্মণৰ বৃন্দাবন-যাত্ৰা, মৈত্ৰই চৈত্ৰৰ কন্যাক বিয়া কৰোৱা কথা আৰু পুৰীৰ ওচৰত "সাক্ষী গোপাল মূৰ্ত্তি" স্থাপন আদিৰ বিষয়ে ও উল্লেখ আছে। শ্ৰীগোবিন্দৰ আশীৰ্ব্বাদ মতে এতিয়াও তেনো মৈত্ৰৰ বংশধৰসকল তাৰ পূজাৰী হৈ আছে।

ৰজাই পাপৰ পৰা উদ্ধাৰ হবৰ আন একো উপায় নাপাই খেদ কৰি কৈছে—

"ইষ্ট-মিত্ৰ জ্ঞাতিবৰ্গ বিপ্ৰ গুৰুগণ।
ইষ্টদেৱ পুৰোহিত ভাৰ্য্যা বন্ধুগণ॥
ভালৰ দিনত মিত্ৰ ভালতেসে ভাল।
দুৰ্দ্দিন দিনত আৱাগলো হোৱে কাল॥
ৰাৱণক কোলে কৰি অম্বিকা আছিল।
ৰাম-যুদ্ধে তাক এৰি কৈলাসে চলিল॥
পাতালত কালিক পূজে মহিত ৰাৱণ।
নিজ অস্ত্ৰ দিয়া তাৰ বধিল জীৱন॥
প্ৰাৱিৰৰ ভগ্নীপতি অগ্নি মহাশয়।
দুৰ্দ্দশা কালত এৰি গৈল নিজালয়॥
পাণ্ডৱৰ সদাশিৱ আছিল ভৱৰী।
অশ্বত্থামা পূজা পায়া গৈলেক অন্তৰি॥
অমৃত খাইয়া দেৱে অমৰ হইল।
ভাগোদয় কালে দৈত্য সবাকে জিনিল॥
দিব ধন পাৱিলেসে হোৱে অনুকূল।
অগ্নি সখা বায়ু যেন দীপ প্ৰতিকূল॥
দেৱ দ্বিজ গুৰু মিত্ৰ সবেও স্বাৰ্থাৰ্থী।
দুখৰ কালত সৰ্ব্বজনে দিয়ে পিঠি॥
সিহেতু নিষ্কামে থাকে সদা সাধু জন।
মিথ্যা নোহে ইতো কথা প্ৰহ্লাদ বচন॥" ১৪পৃঃ

ওপৰৰ কথাখিনিত অৱসাদগ্ৰস্ত আৰিমত্ত ৰজাৰ মনৰ নীতি-জ্ঞান অতি সুন্দৰকৈ প্ৰকাশ পাইছে। বিপদ-সম্পদে মানুহৰ মনৰ গতি একেবাৰে পৰিবৰ্ত্তন কৰি দিব পাৰে।

জানিবলগীয়া সকলোখিনি কথাকে ইয়াত দিলে প্ৰবন্ধ বৰ দীঘল হব ; গতিকে অতি আৱশ্যকীয় কিছু কথাহে ইয়াত দিয়া হ'ল। পুথিৰ বানান আৰু খাচ্ লবোৱা নাই আৰু ইয়াত ভুল-ভ্ৰান্তি হৈছে যদিও আমি জানি-শুনি তেনে কৰা নাই। তদুপৰি আমাৰ পুৰণি পুথি বা শাস্ত্ৰাদিৰ বিষয়ে সিমান জ্ঞানো নাই।

প্ৰভু শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম শ'কৰ বিষয়ে এইদৰে আছে—

"চন্দি পাঠ দুৰ্গা নাম কৰে অনুক্ষণে।
জনমিল গুৰু পুত্ৰ বৰদোৱা স্থানে॥
ত্ৰয়োদশ এক শত্তৰি শকত। (১৩৭১)
শনিবাৰে অমাবস্যা ফাগুন মাহত॥
অৰ্দ্ধ ৰাত্ৰি কুসুম্বৰ জন্মিল তনয়।
স্ত্ৰীগণে আনন্দত উৰুলি পাৰয়॥" ৩৯ পৃঃ

শ্ৰীশঙ্কৰদেৱে আসামত সুপবিত্ৰ "নাম-ধৰ্ম্ম" প্ৰচাৰ কৰি অসমীয়া ৰাইজক মুক্তিৰ পথ দেখুৱাই দিলে। প্ৰভুৱে শৰণ-ধৰ্ম্ম দিয়াৰ সম্পৰ্কে পুথিৰ ৪৩ পিঠিত এইদৰে আছে—

"ৰামৰাম নামে এক বিপ্ৰৰ নন্দন।
সহধ্যায়ী বন্ধু হইল দুই জন॥
শঙ্কৰৰ পুৰোহিত কৰ্ম্মক কৰই।
এই হেতু ৰামৰাম গুৰু বুলি কয়॥
শঙ্কৰত কৰি পঞ্চ বৰিষে ডাঙৰ।
এই হেতু দেউ বুলি মাতয় শঙ্কৰ॥
শঙ্কৰৰ ধৰ্ম্মে তেওঁৰ নিমজিল মন।
দাস বুলি প্ৰভু মোক দিয়োক শৰণ॥
শঙ্কৰে বোলন্ত ইতো কথা নোহে ভাল।
তুমি পুৰুহিত আমাসাৰ সৰ্ব্বকাল॥
ৰাম বোলে ভাল মন্ত্ৰ মানিছো পূৰ্ব্বত।
প্ৰথমে শৰণ দিয়া কহিবো পাচত॥
নামঘৰে থাপনাৰ আগত বসিল।
দণ্ডৱত কৰাই পাছে শৰণক দিল॥
গুৰুবি শেখৰ বিপ্ৰ ৰাসকলাই।
তিনিও শৰণ লৈলে শঙ্কৰৰ থাই॥
অষ্ট নাম ধৰি আছে বাক্যে শঙ্কৰৰ।
অদ্যাৱধি ভক্ত লোকে বন্দে নিৰন্তৰ॥
আৰু শিষ্য শূদ্ৰ লোক হইল বহুজন।
যি হেতু প্ৰথমে ৰামুণে লইলন্ত শৰণ॥

* * *

নিগদতি বিপ্ৰসৱ শুনিয়ো শঙ্কৰ।
ধৰ্ম্ম প্ৰচাৰক তুমি অংশ ঈশ্বৰৰ॥
বৈশ্য নন্দ ক্ষত্ৰিয় জাতিত বসুদেৱ।
তান পুত্ৰ জগতৰ গুৰু কৃষ্ণদেৱ॥
দেৱ ব্ৰহ্ম ঋষি কিম্বা তাক নেসেৱিলা।
কৃষ্ণ নাম গুণ গায়া সংসাৰ তৰিলা॥
আমাক ভাণ্ডিৱে চাহা তুমি অৱতাৰ।
তোমাত শৰণ আমি কৰিবোহো সাৰ॥
হেন শুনি শঙ্কৰে ইসৎ হাসিল।
নামঘৰে থাপনাৰ আগত বসিল॥
পুস্তকক লাগি দণ্ডৱত কৰাইল।
যুক্তি কৰি বিপ্ৰগণ শৰণক দিল॥
নিগদতি শ্ৰীশঙ্কৰ শুনা বিপ্ৰগণ।
আজি হৈতে নকৰিবা কাহাকো অৰ্চ্চন॥
কলি যুগে ৰাম নাম ধৰ্ম্ম মধ্যে সাৰ।
ৰাম নামে কৰিবেক জগতক উদ্ধাৰ॥" ৪৪ পৃঃ

এই পুথিৰ ৰচক কোন জনা নাযায়। ৩৫ পিঠিত এইদৰে আছে—

"ভনিল কবিয়ে কৃষ্ণ চৰণত ধৰি মতি।
ৰাৰ ৰাৰ-ভূঞাঁৰ চৰিত্ৰ হৈল সমাপতি॥"

হৰি-নাম-মহিমা আৰু অৱতাৰৰ বিষয়ে লিখা আছে—

"বেদে ৰামায়ণে প্ৰভু ভাৱতে পুৰাণে
তৱ গুণ গাৱে আদি মধ্য অৱসানে॥

* * *

শ্ৰীশঙ্কৰ ৰূপে জন্ম পূৰ্ব্ব অসমত।
চাৰি নাম দিয়া ধৰ্ম্ম কৰিল ৰেকত॥" ১ পৃঃ

শঙ্কৰ-দামোদৰ-সম্মিলন সম্বন্ধে পুথিৰ ১১৭ পিঠিত এইদৰে আছে—



"দামোদৰ নিগদতি শুনিয়ো গোসাই।
পাসৰিলা তুমি মোক কি কৰো উপায়॥
বৰদোৱা সমীপত নচলা গ্ৰামত।
সদানন্দ পিতৃ মোৰ জানিবা সম্প্ৰত॥
জেষ্ঠ ভাতৃ সৰ্ব্বেশ্বৰ মধ্য ৰত্নাকৰ।
সবাৰো কনিষ্ঠ ভাতৃ পাপী (মই) দামোদৰ॥
শুনিলা মাতৃৰ গৰ্ব্ভে জনমিলো আমি।
মোৰ নাম দামোদৰ ৰাখিলাহা তুমি॥
সেহি বেলা বৰদোৱা ভাঙ্গিলে কছাৰী।
তুমি গৈলা বেলগুৰি ঘৰ-বাৰী এৰি॥
সেই কাৰণে আমিও আহিলো ঐত লাগি।
ত্ৰিংশ বৰ্ষ তোমা সহ নাই দেখা দেখি॥
পিতৃ মাতৃ জেষ্ঠ ভাই মোৰ পুত্ৰ ভাৰ্য্যা।
সবাকে সংহৰিয়া নিলে যম ৰাজা॥
মধ্যম দাদাৰ নাম জানা ৰত্নাকৰ।
সবাৰে পাচত তেওঁ গৈল যম ঘৰ॥
তান ভাৰ্য্যা আছে নাম কৃষ্ণকান্তি।
শ্ৰীকৃষ্ণ মুকুন্দ নামে আছে দুই গুটি।
মো সমে এই দুই ভতিজা আছয়।
মম সমে চাৰি জন জানিবা নিশ্চয়॥
শিশুকালে পিতৃ মাতৃ গৈল যম ঘৰ।
এই হেতু বিদ্যা বুদ্ধি নাহইল মোৰ॥
হাল গৰু নাই মোৰ কুৰি * কৃষি কৰো।
আৰু নকৰিলে বাপ পেট ভোকে মৰো॥
কোৰ নালে মুখ দিয়া খন্তেক জীৱাও।
নাম-গুণ শুনি বৰ আনন্দক পাও॥
অহৰ্নিশে নাম শুনিবাক ইচ্ছা যায়।
কোৰ ধৰিবাক লাগে অৱসৰ নাই॥
ৰাত্ৰি দিনে কোৰ বাই থাকোহো শঙ্কৰ।
এই হেতু বোলে মোক কোৰ দামোদৰ॥
শিশুকালে তমু সহ একত্ৰে আছিলো।
তুমিসি শঙ্কৰ বুলি আজিহে জানিলো॥
এহি বুলি কান্দিৱে লাগিল দামোদৰ।
শান্ত বাক্যে আশ্বাসিল শ্ৰীমন্ত শঙ্কৰ" ॥

* * *

"চিৰদিন সকলোৰে সমানে নেযায়।
কৰ্ম্ম অনুসৰি ফল ভুঞ্জে সমুদায়॥
পিতৃ মাতৃ পুত্ৰ ভাৰ্য্যা নাহিকে তোমাৰ।
ৰাম নাম লৈয়া তেজা বিষয় সংসাৰ" ॥

* * *

"আজি হন্তে মোৰ প্ৰিয় শিষ্য ভৈলা তুমি।
যেহি লাগে সেহি দিয়া পালিবোহো আমি।
স্নান কৰাই শ্ৰীশঙ্কৰে ভোজন কৰাইল।
ধন বস্ত্ৰ দিয়া আৰু মন সন্তোষিল॥
কান্ধে কোৰ লৈয়া গৃহে আনন্দে চলিল।
গৃহে গৈয়া আদি অন্ত সবাকে কহিল" ॥

* * *

"প্ৰতি দিনে কোৰ ধৰি আহে শীঘ্ৰ কৰি।
বেৰৰ বাজত ৰহে কোৰ নাল পাৰি॥
অকুণ্ঠতা ভাৱে নাম শুনিবাক লৈল।
এহিমতে একবৰ্ষ মান ৰহি গৈল" ॥

* * *

"সৰ্ব্বদায়ে ঐত থাকি নামক শুনিবা।
অনায়াসে জীৱিকা নিৰ্ব্বাহ দ্ৰব্য পাইবা॥
ৰামৰাম গুৰু পাৱে লৈয়া শৰণ।
এক চিত্তে ভজিয়োক কৃষ্ণৰ চৰণ" ॥

* * *

"দামোদৰে বোলে মই থাকিবো ইথানে।
শৰণ লৈবো প্ৰভু তোমাৰ চৰণে॥
ৰামৰাম গুৰু স্থানে ইচ্ছা নাই।
অনায়াসে কৰা কৃপা শঙ্কৰ গোসাই॥
নিগদতি শ্ৰীশঙ্কৰ শুনিয়ো বচন।
ৰামৰাম গুৰুত লৈয়োক শৰণ॥
মোৰ শিষ্য ৰাম বিপ্ৰ জানিবা নিশ্চয়।
মোৰ পুৰোহিত বুলি গুৰু বুলি কয়॥
ব্ৰাহ্মণে ব্ৰাহ্মণে স্থানে লৈয়োক শৰণ।
মোত হন্তে মালা মন্ত্ৰ কৰিবা গ্ৰহণ॥

* কোৰ মাৰি।

এহি মতে শ্ৰীশঙ্কৰ নিয়ম কৰিয়া ।
ৰামৰাম গুৰুক যে আনিলা মাতিয়া ॥
ৰামৰায় গুৰু আসি নামঘৰে বসি ।
শৰণ কৰাইলা দামোদৰক হৰিষি ॥
শঙ্কৰৰ হস্তে মালা মস্তক লভিল ।
আনো গুহ্য পৰমাৰ্থ সকলো শিখিল" ॥

* * *

"ভাল বস্ত্ৰ স্বৰ্ণ ৰৌপ্য সবাকে তেজিল ।
চিৰা বস্ত্ৰ কাষ্ঠ মালা ধাৰণ কৰিল ॥
বিষয়ী কৰ্ম্মক এৰি ভকতি কৰয় ।
দামোদৰৰ ভক্তি দেখি শঙ্কৰো বিস্ময় ॥
শঙ্কৰ মাধৱ দুয়ো কৰি আলোচন ।
দামোদৰ দেউক দিল ধৰ্ম্মৰ আসন ॥
নিগদতি শ্ৰীশঙ্কৰ শুনা দ্বিজ বীৰ্য্য ।
পাতিলো তোমাক আমি ধৰ্ম্মৰ আচাৰ্য্য ॥
আজি হৈতে যতজন ব্ৰাহ্মণ আছিল ।
গুৰু মানি তয়ু পাদে শৰণ লইব ॥
পাটবাউসী সত্ৰখান স্নেহৰ আমাৰ ।
সেই সত্ৰে পাতিলো তোমাক অধিকাৰ ॥
চৌদশ শত্তৰি শকে কোৰ দামোদৰ ।
পাটবাউসী থানে থাপে শ্ৰীমন্ত শঙ্কৰ ॥
সেহি দিনা হস্তে হৈল কৰ্ম্ম কাণ্ডি গুৰু ।
শঙ্কৰে পাতিল অধিকাৰ কল্পতৰু" ॥

* * *

"দেখিয়ো শঙ্কৰ কেনে কৃপালু পুৰুষ ।
যাৰ গুণে দামোদৰে হইল মানুষ" ॥ ১২২ পৃঃ

ৰৰদোৱা থানৰ ওচৰত থকা শান্তি-জান বাক্তিৰৰ কাৰণে শঙ্কৰদেৱে ব্ৰাহ্মণ বৈশ্য আদি কোনো সমাজতে এজনীও সতী বা শান্তা নাৰী নাপালে—

"ব্ৰাহ্মণ ক্ষত্ৰিয় শুদ্ৰ বৈশ্যতো বিচাৰি ।
নাপাইল চালনীত পানী অনা নাৰী" ॥ ৪৮ পৃঃ

পিচত কৈৱৰ্ত্ত জাতীয় 'ৰাধিকা' নামৰ তিৰোতা এজনীয়ে শঙ্কৰদেৱৰ ওচৰলৈ আহি কলে—

"কিবা হেতু শান্তি কন্যা বিচাৰা গোসাই ।
আমি শান্তি পতিব্ৰতা আসিছো ইঠাই ॥
নিগদতি শ্ৰীশঙ্কৰ শুনিয়ো বচন ।
কহিয়োক পতিব্ৰতা শান্তিৰ লক্ষণ ॥
ৰাধিকা বদতি প্ৰভু শুনিয়ো গোসাই ।
সমভাৱে ভূত দায়া কৰোহো সদায় ॥
স্বামী জপ স্বামী তপ স্বামী কৰো ধ্যান ।
স্বামীৰ কুশল বিনা নিচিন্তোহো আন ॥
স্বামী বিনা পৰ পুৰুষক কদাচিত ।
নকৰোহো দৰ্শন স্পৰ্শন আলাপক ॥
সত্য শৌচ ক্ষমা দয়া অতিথি সৎকাৰ ।
কদাচিতে নকৰোহো কাকো তিৰস্কাৰ ॥
সকলোৰে গুন দেখো মোৰ দেখো দোষ ।
নাপালে নাখালে নকৰো অসন্তোষ ॥
ভাল উপদেশ দিয়া চলাও স্বামীক ।
মাস মধ্যে একবাৰ কৰোহো ৰাতক ॥
স্বামী সহ নকৰোহো দন্দ খৰিয়াল ।
সুখে দুখে ৰঙ্গ মনে থাকো সৰ্ব্বকাল ॥
নেদো কাকো লজ্জা নকৰোকো পৰামুখ ।
পৰ সুখে সুখী পৰ দুখে পাও দুখ" ॥ ৫০ পৃঃ

* * *

সতী-ধৰ্ম্মৰ বিষয়ে ৰাধিকাই আৰু অনেক নীতি-কথা কৈছিল ; সেইবোৰ কথা শুনি শ্ৰীশঙ্কৰ গুৰুৱে পৰম সন্তোষিত হৈছিল । ৰাধিকা সুন্দৰীয়ে চালনীত ( কোনো কোনো মানুহে পলত বুলি কয় ) পানী আনি জান বান্ধি ৰাইজৰ অশেষ উপকাৰ সাধন কৰিলে । পুথিৰ ৫১ পিঠিত আছে—

"অল্পকালে শান্তি কন্যা স্বৰ্গক চলিল ।
তাইৰ স্বামী ভক্তি বলে মহন্ত হইল ॥
শঙ্কৰে বোলয় এক কথা সবে শুনা ।
উক্ত মুলুকত নাই শান্তি এক জনা ॥
সেহি মতে ভক্তি ৰব অধম জাতিত ।
দুখী দৰিদ্ৰৰ ঘৰে ৰহিব কিঞ্চিত ॥
দ্বিজ শুদ্ৰ বুলি নকৰিবা অহঙ্কাৰ ।
নাম ধৰ্ম্মে সমস্তকে কৰিব উদ্ধাৰ ॥



শান্তি কন্যা চলে দেখাইল পটন্তৰ ।
কহে মূঢ় দীন কবি জুৰি দুই কৰ ॥
বচা-ভূতা দোষ ক্ষেমিয়োক অধমৰ ।
ৰাম ৰাম বোলা সভাসদ নিৰন্তৰ" ॥

ৰাগ সুৰ আদিৰ বিষয়ে এইদৰে আছে—

"সবে বোলে শ্ৰীশঙ্কৰ মানুহ নোহয় ।
কৃষ্ণ জনমিল জানিলো নিশ্চয় ॥
মানুহে কৰিব পাৰে অন্য কৰ্ম্মচয় ।
ৰাগ সুৰ ৰচনা কৰিবে নপাৰয় ॥
হেনয় মহৎ কৰ্ম্ম শঙ্কৰে কৰিল ।
জানিবা শঙ্কৰ ৰূপে কৃষ্ণ জনমিল" ॥ ৬০ পৃঃ

সুন্দৰী-দিয়া সত্ৰ, বৰপেটা সত্ৰ আদিত আমি "পাল-নাম" গোৱা শুনিছো । পাল-নামৰ প্ৰতি-ধ্বনিত সকলোৰে মন-প্ৰাণ পুলকিত হৈ উঠে । এই পাল-নামৰ বিষয়ে এইদৰে লিখা আছে—

"শঙ্কৰে বোলয় আমি গাইলো পাল নাম ।
এই হেতু কৃষ্ণে পূৰ্ণ কৈলে মনস্কাম ॥
মাঘ মাসে পাল নাম আৰম্ভ কৰিলো ।
পৰশুই দিনা পাল নাম সামৰিলো ।
মাধৱে বোলয় পাল নাম আগ শুৰি ।
সৱশেষে বাপ মোক কৈয়ো কৃপা কৰি ॥
হেন শুনি শ্ৰীশঙ্কৰে কহিবে লৈলন্ত ।
একচিত্তে মাধৱেও শুনি আছিলন্ত ॥
নিলিখিয়া শিখিবেক পাল ঘোষা চাৰি ।
ইহেতু ঘোষাৰ নাম হৈল নিৰক্ষৰি ॥
নিষ্কামে কৰিব সদা নাম সংকীৰ্ত্তন ।
সকামত পাল নাম কৰিবে চৰ্চ্চন ॥
ত্ৰতে থাকি দুই থগি দুই বন্তি দিব ।
চয় কুৰি চয় জন ভকত বসিব" ॥

* * *

"আদ্যোপান্ত পঢ়িবেক কীৰ্ত্তন শাস্ত্ৰক ।
অৰ্চ্চনাৰ অৰ্দ্ধ ভাগ দিবে পাঠকক ॥
উজাগৰে থাকি সবে নামক গাইব ।
নাম মধ্যে নিদ্ৰা কৰি নৰকে পৰিব ॥
নাম মধ্যে অন্য কথা কেহো নপাতিব ।
কৃষ্ণ গুণ নাম গায়া ৰজনী বঞ্চিব" ॥

* * *

"জিতেন্দ্ৰিয় শুদ্ধ চিত্ত বিষয়ে বৈৰাগ ।
ভক্তি কথা বিনে আন নাহি অনুৰাগ ॥
হেনয় মহন্ত পাল আচাৰ্য্য হইব ।
ধন লোভে মূলে বসি জীৱক নাশিব ॥
তথাপিও ধন লোভে গাৱে পাল নাম ।
সিজনৰ পাল নাম হোৱে কাল নাম" ॥ ৯২ পৃঃ

* * *

"চৌদশ পঞ্চাশ শকৰ কাতি মাহত ।
পাল নাম শ্ৰীশঙ্কৰে কৰিলে বেকত" ॥ ৯৩ পৃঃ
"চতুৰ্দ্দশ ষাঠি শকে কাৰ্ত্তিক যে মাহত ।
গুণমালা শাস্ত্ৰখানি কৰিল বেকত" ॥ ১১৫ পৃঃ

* * *

পুথিখনৰ শেষত এইদৰে আছে—

"এক নামে যত পাপ সংহৰিতে পাৰে ।
পাতকী তত পাপ কৰিতে নপাৰে ॥
বৈষ্ণৱ ৰহিয়া যৈতে কীৰ্ত্তন কৰয় ।
গঙ্গা আদি তীৰ্থগণ তথাতে আসয় ॥
একান্ত ভকতে যৈতে কৰয় কীৰ্ত্তন ।
তহিতে ৰহিয়া থাকে হৰি সৰ্ব্বক্ষণ ॥
হেন জানি নৰলোক এৰি আন কাম ।
পাতক চাৰোক ডাকি বোলা ৰাম ৰাম ॥
ইতি—( সন্থাৱলী প্ৰথম খণ্ড সমাপ্ত" । )

শ্ৰীযুত মিত্ৰদেৱ মহন্তদেৱে তেখেতৰ "অসমীয়া সৰ্ম্মাচাৰ্য্যৰ উপাধি" নামৰ কিতাপখনৰ ২৭ পিঠিত কোনো এখন 'সন্থাৱলী' নামৰ পুথিৰ কিছু কথা তুলি দিছে । মোৰ হাতত পৰা পুথিখনৰ লগত তেখেতৰ 'সন্থাৱলীৰ' বিশেষ মিল নেদেখিলো । এইখনৰ ৰচকৰ নাম নাপালো ; তেখেতৰ খনৰ ৰচকৰ নাম "শ্ৰীধৰ কন্দলী" বুলি আছে । এই ৰত্ন-প্ৰসূ অসম-ভূমিত কিমান যে প্ৰসিদ্ধ ৰত্নৰ জন্ম হৈছিল, কিমান যে অমূল্য গ্ৰন্থ অপ্ৰকাশিত হৈ

আছে তাৰ কি নিৰ্ণয় আছে ?

মোৰ হাতত পৰা "সন্তাৱলী" পুথি পোৱাৰ ঠিকনা—শ্ৰীযুত সোণাৰাম তামুলী, পোঃ আঃ মৰডি. চাৰিআলি—( গোলাঘাট )।

ইতি—

গোলাঘাট,
২৫ জেঠ, ১৮৫৩ শক
ইং ৮।৬।৩১

শ্ৰীশ্ৰীৰামচন্দ্ৰ দাস।

---

# উত্তৰ লক্ষীমপুৰ সাহিত্য সম্মিলনৰ সভাপতিৰ অভিভাষণ।

( সভাপতি—শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, বি-এ, বি-টি, )

আদৰণি সভাৰ সভাপতি মহাশয় আৰু সমবেত-সুধীমণ্ডলী—

আপোনালোকে মোক অনুগ্ৰহ কৰি এই সভাৰ সভাপতি হবলৈ মাতি আনিছে। যি কোনো সভাৰ সভাপতিৰ বাব সন্মান আৰু গৌৰৱৰ কাম। আপোনালোকৰ এই আহ্বানত মযো সন্মানিত আৰু গৌৰৱান্বিত বোধ কৰিছোঁ। সেই কাৰণে মই আপোনালোকক কৃতাঞ্জলি হৈ শ্ৰদ্ধা আৰু কৃতজ্ঞতাৰ অঞ্জলি প্ৰদান কৰিছোঁ।

সভাৰ কাম কি ৰূপে চলে আৰু কি ৰূপে সেই কাম চলোৱাত মই সহায় হব পাৰোঁ, এই কথা মই এতিয়াও অনুমান কৰিব পৰা নাই। কিন্তু সভাপতিৰ বাব লৈছোঁ যেতিয়া তাৰ দায়-দোষ সকলো মই কান্ধ পাতি লবলৈ সাজু হৈছোঁ বুলি বুজিব লাগিব।

ভগৱন্তৰ কৃপাত সভাৰ সকলো কাম সুচাৰু-ৰূপে সমাধা হৈ গ'লে, তাত সভাসদসকলৰ বুদ্ধি বিবেচনা আৰু মত-সহিষ্ণুতাৰ পৰিচয় পোৱা যায়। সিবিলাকৰ ঔদাৰ্য্য গুণত সভাপতিয়েও সেই কৃতিত্বৰ এটা ভাগ পায়। কিন্তু কিবা দৈব দুৰ্বিপাকত যদি সভাৰ কামত কোনো খতি-খুণ ওলায়,তেনেহলে সভাপতিৰ অযোগ্যতাই যে তাৰ অন্যতম প্ৰধান কাৰণ, এই কথাত সন্দেহ নাই।

এই সকলোবোৰ কথা গমি চাই, মই কৰযোৰে আপোনালোকৰ ওচৰত সহায় ভিক্ষা কৰিছোঁ। জন আৰু জনাৰ্দ্দনৰ অনুকম্পাত আমাৰ এই সভাৰ সকলো কাম যেন নিৰ্বিঘ্নিয়ে আৰু সুফলয়ে সম্পন্ন হয় এই মোৰ কাতৰ প্ৰাৰ্থনা।

কোনো সাহিত্য-সভাৰ সভাপতি হৈ সভাপতিয়ে তেওঁৰ বক্তৃতাত কি কথা যে কোৱা উচিত এই বিষয়ে মই একো ভাল ধাৰণা কৰিব পৰা নাই। অনেক ঠাইত দেখা যায় কোনো বিশেষজ্ঞ সভাপতিয়ে তেওঁৰ বিশেষ বিষয়ে গভীৰ গৱেষণাপূৰ্ণ বক্তৃতা দিয়ে। দুৰ্ভাগ্য-ক্ৰমে মই কোনো বিষয়ৰে বিশেষজ্ঞ নহওঁ; আৰু এটা কথা—আমাৰ এই সাহিত্য-সভাও কোনো বিশেষ বিষয়ক সভা নহয়। সেইদেখি মোৰ বক্তৃতা নিতান্ত সাধাৰণ কথাৰে তৈয়াৰী। আৰু তাক শুনি আপোনালোক সন্তুষ্ট হয়নে সভাপতিক মনে মনে শাওকে দিয়ে, মই হলে এতিয়ালৈকে বুজিব পৰা নাই। এই কাৰণে আদৰণি সভাৰ আদৰ আহ্বান এৰাব নোৱাৰি যদিও মই সভাপতিৰ বাব গ্ৰহণ কৰিছোঁ, তথাপিতো তেওঁলোকৰ আদৰৰ আৰু এটা অনুৰোধ মই ৰক্ষা কৰিব নোৱাৰিলোঁ। মোৰ বক্তৃতা ছপাবলৈ সিবিলাকে বৰ ইচ্ছা কৰিছিল; কিন্তু মোৰ বক্তব্যৰ অসাৰতালৈ মন কৰি মই এই কথাত মান্তি হব নোৱাৰিলোঁ।

কীৰ্ত্তন, দশম, ৰামায়ণ, মহাভাৰত আপোনালোক সকলোৱে পঢ়িছে। মযো অলপ অচৰপ পঢ়িছোঁ। এইবিলাক আমাৰ প্ৰাচীন আৰু অতুলনীয় সম্পদ। সেইবিলাক পুথিৰ পৰা পদ আওৰাব বা গাব পৰা হলে নাম ঘোষা গাই আপোনালোকৰ দুই এঘণ্টা সময় নিয়াব পাৰি। কিন্তু সাহিত্য-সভাৰ সভাপতি হৈ এইবিলাক পুথিৰ গুণ-গৰিমা প্ৰচাৰ কৰাৰ আৱশ্যক, সৌভাগ্য গুণে এতিয়া আৰু নাই। সকলো অসমীয়া মানুহে এই অমূল্য ৰত্ন-ৰাজিৰ মোল বুজে আৰু সেই অনুসৰি তাক আদৰ যত্ন কৰে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ পৰা আৰম্ভ কৰি অৰুণোদয় কাগজলৈকে দুই চাৰি জন কবিৰ নাম সোঁৱৰণ কৰি আপোনালোকৰ কিছু সময় নিয়ালেও একো অন্যায় নহব পাৰে। কিন্তু সেই বাটো এতিয়ালৈ মুকলি নাই। সাধাৰণতে এইবিলাক বিষয়ে যিমান কথা জানিব পৰা যায় সেই সকলোবিলাক পূৰ্ব্ব পূৰ্ব্ব লিখক, বক্তা আৰু আন সাহিত্য-সভাৰ সভাপতিসকলে কৈ গাই শেষ কৰিছে। যিখিনি নজনাকৈ আছে, তাক বিচাৰি উলিয়াবলৈ এতিয়াও আমাৰ সময় আৰু বিস্থা হোৱা নাই।

সাহিত্য-সভাৰ সভাপতিৰ অভিভাষণবিলাকৰ বিষয়ে প্ৰায়ে এটা গুঁত ধৰা শুনা যায় যে, অসমীয়া সভাপতিৰ বক্তৃতাত বিশ্ব-সাহিত্যৰ সুৰ বাজি নুঠে। এই কথাৰ অৰ্থ আপোনালোকৰ ভিতৰত অনেকেই, বিশেষকৈ ডেকা-তৰপীয়া সাহিত্যিকসকলে, ভালদৰে বুজি পায় বুলি মোৰ অনুমান। কিন্তু মই হলে অতদিনে বিশ্ব-সাহিত্য কি আৰু তাক শুনিবলৈ বা দেখিবলৈ কেনেকুৱা এই কথা ঢুকি পোৱা নাই। গতিকে মোৰ এই ক্ষুদ্ৰ বক্তব্যত বিশ্ব-সাহিত্যৰ সুৰ যে নাবাজে এই কথা অতি স্থিৰ। যদি উপস্থিত আপোনালোকৰ ভিতৰত কোনোৱে বক্তৃতা বা প্ৰবন্ধ বা কথা-বাৰ্ত্তা বা আকাৰ-ইঙ্গিতেৰে আমাৰ দৰে অভাজন লোকক বিশ্ব-সাহিত্যৰ অলপ ৰূপ বা ৰস বা গন্ধ দিব পাৰে তেনেহলে আমি গোটাইখন সভা যে তেনেজনৰ প্ৰতি চিৰ-কৃতজ্ঞ হৈ থাকিম, তাক নকলেও আপোনালোকে নিশ্চয় বুজিব পাৰিছে।

এইদৰে বিচাৰ-খোচাৰ কৰি কি কথাৰে যে আপোনালোকক মই তুষ্টি দিব পাৰিম, তাক বুজিব পৰা নাই। সেইদেখি স্কুলত পঢ়া দিনৰ ৰচনা লিখাৰ ৰীতিকে অৱলম্বন কৰি আপোনালোকৰ আগত দুটা এটা কথা কৈ মোৰ আজিৰ দায় সাৰিবলৈ কাৰবাৰ কৰিছোঁ।

এই ৰীতি অনুসৰি সাহিত্য সম্মিলনৰনো কি সাৰ্থকতা তাকেই আমি সকলোৱে বিচাৰ কৰি চালে বেয়া নহব পায়। আমিনো কিয় সাহিত্য সম্মিলন পাতিব লাগে বা পাতোঁ? আপোনালোকে English Literary Conference বা ইংৰাজী সাহিত্য সম্মিলনৰ কথা শুনিছেনে? অথবা Society for the Improvement of the German Language বা জাৰ্মান ভাষাৰ উন্নতি-বিধায়িনী সভাৰ কিবা শু পায় নে? কি কাৰণে ইংৰাজ জাতি বা জাৰ্মান জাতিয়ে তেওঁলোকৰ ভাষাৰ প্ৰতি ইমান উদাসীন? তেওঁলোকে সভ্য Civilised বুলি ৰবাই কৰে, আমাক Semi barbarian অৰ্দ্ধ-বৰ্ব্বৰ বুলি ঠাট্টা-মস্কৰা কৰে। এই বিষয়ত দেখোন তেওঁলোক পাছ-পৰা। আমাৰ আসাম সাহিত্য-সভা আছে, আমাৰ অসমীয়া ভাষাৰ উন্নতি-বিধায়িনী সভা আছে, বছেৰেকত আমি আসাম সাহিত্য সম্মিলন পাতোঁ আৰু মাজতে উত্তৰ লক্ষীমপুৰৰ দৰে এই সাহিত্য সম্মিলনো পাতিছোঁ। আমাৰ ভাষা আৰু সাহিত্যৰ হকে ইমানবিলাক পৰিযত্নৰ দৃষ্টান্ত দেখোন ইংৰাজ বা জাৰ্মান, ফ্ৰান্স বা আমেৰিকান, ইটালীয়ান বা ৰুচিয়ান—এইবিলাক গৰ্বিত জাতিৰ ভিতৰতো নাই আৰু! তেওঁবিলাকে মিছাতে ফিতাহি মাৰি আমাক অৰ্দ্ধ-সভ্য বুলিলে কি হব? ভাষা আৰু সাহিত্য জাতিৰ প্ৰাণ। যি জাতিৰ নিজৰ ভাষাৰ প্ৰতি নিজৰ সাহিত্যৰ প্ৰতি একো যত্ন-চেষ্টা নাই সেই জাতি অষ্ট্ৰেলীয়াৰ জংগলী মানুহৰ তুল্য নহয় নে বাৰু!

ব্যঙ্গোক্তি বাৰু এৰা যাওক। প্ৰকৃত কথা, সুস্থ শৰীৰৰ কাৰণে বেজ-জ্ঞানীৰ আৱশ্যক নাই। সং-

লোকৰ কাৰণে শাসনৰ আৱশ্যক নাই। ইঞ্জিন ভালদৰে চলি থাকিলে মিস্ত্ৰিৰ আৱশ্যক নাই। সমাজ নিয়মমতে চলিলে বিধি-ব্যৱস্থাৰ আৱশ্যক নহয়। ভাষা সাহিত্য ও বলবান হলে তাৰ উন্নতিৰ কাৰণে সভা-সমিতি বা সম্মিলনৰ আৱশ্যক নকৰে। যিহেতু অসমীয়া ভাষা নিৰ্বল, যিহেতু অসমীয়া সাহিত্য সম্পদহীন, সেই হেতুকে অসমীয়া ভাষাৰ উন্নতি-বিধান কৰিবৰ বাবে সভাৰ আৱশ্যক; আৰু সেই হেতুকে অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধি কৰিবৰ অৰ্থে সম্মিলনৰ আৱশ্যক।

এতেকে কি কি কাৰণত নো অসমীয়া ভাষা নিৰ্বল আৰু কি কি কাৰণত নো অসমীয়া সাহিত্য সম্পদহীন, তাৰ বিচাৰ কৰি সেইবোৰ কাৰণ দূৰ কৰিব পাৰিনে নোৱাৰি, তাৰ চেষ্টাহে আপোনালোকে কৰিব লাগে।

ভাষা আৰু সাহিত্যৰ অঙ্গাঙ্গি ভাব। এটাৰ শ্ৰীবৃদ্ধি বা অৱনতিৰ যি কাৰণ আনটোৰো প্ৰায় তেনে। অসমীয়া ভাষা আৰু সাহিত্যৰ বৰ্ত্তমান অৱস্থাৰ গুৰিত যিবিলাক কেবোণ আছে বুলি মোৰ মনে ধৰে তাৰে দুটা এটা কথা সংক্ষেপ কৰি আপোনালোকৰ আগত কম। মই এই বিষয়ে চিন্তা নকৰি হঠাৎ আপোনালোকৰ সভাপতি হৈ আহি কবৰ একো কথা নথকা হেতুকে কিছুমান বকি গলোঁ বুলি আপোনালোকে ভাব নকৰিব। মই কোৱা কথাখিনি আপোনালোকৰ অনেকৰ মনঃপূত নহব পাৰে, আৰু অনেকৰ মনেৰে সেই কথা নিতান্ত মূল্যহীনো হব পাৰে। কিন্তু সেই খিনি মোৰ সামান্য বুদ্ধি আৰু বিবেচনাই চিন্তা কৰি যি ধৰিব পাৰিছে তাৰ নমুনা। সেই কথা বা তাৰ কোনো অংশ আপোনালোকৰ দৰে সুধী-সমাজৰ যদি মনোমত নহয়, তেনেহলে সেইটো মোৰ বুদ্ধিৰ দোষ, চেষ্টাৰ ত্ৰুটি নহয়, তাৰ বাবে মই মনত খেদ পাম, কিন্তু বেজাৰ নকৰোঁ।

ওপৰত উল্লেখ কৰা ৰোগৰ প্ৰথম নিদৰ্শন— অৱশ্যে মোৰ মনেৰে—যে অসমীয়া ভাষাত ধুতি-বাদ বা ভাষাৰ বিশুদ্ধতা-বিচাৰ বৰকৈ সোমাল। ধুতি-বিধুতি শব্দ দুটা আপোনালোকে জানে। বি উপসৰ্গৰ অৰ্থ বিশেষ; সেই কাৰণে বিধুতি শব্দৰ অৰ্থ বিশেষ প্ৰকাৰৰ শুদ্ধতা হব লাগে। কিন্তু আমাৰ প্ৰচলিত ভাষাত এই কথাৰ যি অৰ্থ তাক সকলোৱে জানে। অসমীয়া ভাষাৰ শুদ্ধতা বিচাৰো সেইদৰে বি উপসৰ্গ যুক্ত হৈ এনে হৈছে যে আজিকালি সৰ্বসাধাৰণ লোকৰ পক্ষে ভাষাক স্পৰ্শ কৰিলেই পৰাচিত হব লগীয়া হৈছে। এই কথা মই বহলাই কোৱাৰ আৱশ্যক নাই। কাৰণ ইয়াৰ প্ৰভাৱ আপোনালোক সকলোৱে জানে। এসময়ত এইবিলাক কথা কোৱা অপ্ৰীতিকৰো আছিল। কিন্তু আমাৰ মানুহৰ সহিষ্ণুতা গুণ, বিচাৰ কৰিব পৰা বুদ্ধি আছে। আজি কালি কোনো আৱশ্যকীয় কথা স্পষ্টকৈ কলে, অপ্ৰীতিকৰ হলেও মানুহে তাক শুনে, আৰু সঁচা হলে তাক গমি-পিতি চায়। ক্ৰমে আমাৰ ভাষাৰ পৰা এই দোষ গুচিছে। তথাপিতো এই ভাব এতিয়াও তেনেই দূৰ হোৱা নাই। সম্প্ৰতি আপোনালোকক ইয়াকে কলেই হয় যে এই কাৰণে গোৱালপাৰাৰ মানুহক আজিও অসমীয়া ভাষা তেওঁলোকৰ নিজৰ ভাষা নহয় বুলি ফুচুলাবলৈ আন মানুহে সুযোগ পাইছে; আৰু এই সুযোগৰ সুবিধা সম্পূৰ্ণ কৈ লৈছে।

অথচ এসময়ত আমাৰ এই প্ৰদেশৰ সীমা আছিল কৰতোয়া পৰ্য্যন্ত। এতিয়াও আমি সপোন দেখোঁ যে পুৰাণ-প্ৰসিদ্ধ কামৰূপৰ প্ৰাচীন সীমা আজিও আমাৰ সীমা হোৱা উচিত। "কৰতোয়াং সমাৰভ্য যাৱদ্দিক্কৰবাসিনী"। যি দেশ এদিন প্ৰাচীন আৰ্য্য যুগত গৌৰৱেৰে মণ্ডিত আছিল, আজি সেই দেশৰ কলেবৰ কম হৈ এক-চতুৰ্থাংশ হৈছে, সেই জাতিৰ জন-সংখ্যা



কমি গৈ কি জানি এক-দশমাংশও থকা নাই; আৰু সেই কালৰ কীৰ্ত্তি আৰু গৌৰৱৰ ক্ষীণ আলোকৰ একোটা ৰেখা মাত্ৰ অনুসন্ধানত্ৰত পণ্ডিতৰ কাপৰ পৰা কেতিয়াবা বিজুলিৰ ছাটিৰ দৰে আমাৰ চকুত পৰেহি।

আমাৰ বৰ্ত্তমান কালৰ দুৰ্গতি আৰু সংকীৰ্ণতা গুচাই যদি অসমীয়া মানুহে পূৰ্বৰ গৌৰৱৰ আৰু বিস্তৃত ৰাজ্যৰ অধিকাৰী হব খোজে, তেনেহলে তেওঁলোকে প্ৰথমতে নিজ নিজ মনক উদাৰ আৰু বহল কৰিব লাগিব। বুজিব লাগিব যে ৰংপুৰ, কোচবিহাৰ আমাৰ দেশ; সেই দেশৰ মানুহ আমাৰ মানুহ, সেই মানুহৰ ভাষা আমাৰ ভাষা, এই কথা বুজি সেইদৰে কায়বাক্যমনেৰে চেষ্টা কৰিলে কিজানি সম্ভৱতঃ এই যুগত অসমীয়া জাতি তিষ্ঠি থাকিব পাৰে, আৰু কালত ভাৰতৰ আন আন জাতিৰ লগত এখন সমান আসন পাবও পাৰে। তাকে নকৰি যদি চুৰা চুৰা বুলি বিধুতি-বাদৰ ভক্ত হৈয়েই থাকোঁক, তেনেহলে পঞ্চাশ বছৰৰ পাছত অসমীয়া বুলিবলৈ যে বহুত ঠাই বা মানুহ, ভাষা বা সাহিত্য বাকী থাকিব তাক স্থিৰ কৰি কোৱা টান।

মই ওপৰৰ কথাখিনি ভাষা আৰু সাহিত্যক লক্ষ্য কৰি কলোঁ। কিন্তু আৰ্থিক অৱস্থা, সামাজিক ৰীতি-নীতি, ভূম্যাধিকাৰ, শাসন-ক্ষমতা আদি কৰি জীৱনৰ লাগতিয়াল যি ক্ষেত্ৰতেই নিৰীক্ষণ কৰিব, তাতেই জাতিৰ এই ম্ৰিয়মানতাৰ চিন দেখিব। তেনে চিন দেখি আৰু প্ৰসিদ্ধ কালৰ প্ৰভাৱ অসমীয়াৰ ওপৰত পৰা বুজিব পাৰি অন্তৰ দহি যায়, চকুৱে ধুঁৱলি-কুঁৱলী দেখে। কিন্তু তাতকৈও দুখ আৰু নৈৰাশ্য আহে তেতিয়া, যেতিয়া দেখোঁ যে অসমীয়াই নিজৰ হাতৰ কুঠাৰ ভৰিত মাৰিও তাৰ মৰ্মন্তুদ আঘাতৰ বাধা অনুভৱ কৰিব নোৱাৰে।

আমাৰ ভাষাৰ দুৰ্বলতাৰ মুখ্য কাৰণ এইটো। সাহিত্যৰো যে সম্পদ বঢ়া নাই তাৰো মূলত এই একেটা কাৰণ।

শ্ৰীমন্ত শঙ্কৰৰ দিনত, আৰু তাৰো আগে পাছে অন্ততঃ ডেৰ-শ বছৰ জুৰি অসমীয়া ভাষা সাহিত্য-সম্পদত কোনো ভাৰতীয় ভাষাতকৈ পাছ-পৰা নাছিল। কোনো কোনো বিষয়ত আমাৰ সাহিত্যৰ সম্পদ আন ভাষাত কৈ বহুত বঢ়াহে আছিল। পুৰণি অসমীয়া সাহিত্য আলোচনা কৰিলে তাৰ শ্ৰী আৰু সম্পদ দেখি আচৰিত হব লাগে। এই বিষয়ে মই বহল আলোচনা কৰি আপোনালোকৰ সময় নিনিওঁ। মুঠতে যিবিলাক গুণত প্ৰাচীন অসমীয়া সাহিত্য ভাৰতৰ আন আন ভাষাৰ সাহিত্য তুলনাত শ্ৰেষ্ঠ আছিল, তাৰে দুটামান কথা কব খুজিছোঁ।

প্ৰথম, অসমীয়া সাহিত্যত গদ্যৰ প্ৰাচীনত্ব। পৃথিৱীৰ ভাষা মাত্ৰকতে ভাষা কিছু পূৰ্ণতা অৱস্থালৈ আহিলেহে গদ্য ৰচনাৰ আৱিৰ্ভাৱ হয়। শ্ৰীশ্ৰীভট্টদেৱে আমাৰ ভাষাত প্ৰথমতে বহল ৰূপে গদ্য ৰচনা কৰে। ই ষোড়শ শতিকাৰ কথা। তেওঁৰ গদ্যৰ বান্ধনিৰ পৰা সহজতে অনুমান কৰিব পাৰি, তেওঁৰ পূৰ্বেও দুই চাৰিজন লিখকে নিশ্চয় গদ্য ৰচনা কৰিছিল। সেই সময়ত আন আন ভাৰতীয় ভাষাৰ বুৰঞ্জী বিচাৰি চালে দেখা যায় যে সেইবিলাক ভাষাত তেতিয়াও গদ্য ৰচনাৰ আৱিৰ্ভাৱ হোৱা নাছিল।

দ্বিতীয়তে, অসমীয়া ভাষাত যেতিয়া নাটক ৰচনা হৈছিল তেতিয়া আন অনেক ভাৰতীয় ভাষাত নাটক দেখিবলৈ পোৱা হোৱা নাছিল। উদাহৰণ স্বৰূপে শঙ্কৰদেৱ আৰু মাধৱদেৱে যেতিয়া অসমীয়া ভাষাত নাটক লিখি দৰ্শ্বৰ মতে ভাৱনা কৰিছিল, তেতিয়া বঙালী ভাষাতো নাটকৰ নাম গন্ধ নাছিল।

তৃতীয়তে বুৰঞ্জী-ৰচনা অসমীয়া ভাষাৰ এটা

প্ৰধান লক্ষণ; আৰু বুৰঞ্জী সাহিত্য অসমীয়া সাহিত্যৰ এটা প্ৰধান অঙ্গ। বুৰঞ্জীৰ ভিতৰতে চৰিত্ৰ-ৰচনাও ধৰিব লাগে।

চতুৰ্থতে, গীত-পদ, ধৰ্ম্মশাস্ত্ৰ আৰু নাটকৰ বাহিৰেও যে গণিত, চিকিৎসা-শাস্ত্ৰ, বেমেলীয়া কথা, পশু-পালন, নৌ-বিদ্যা, ৰাজনীতি ইত্যাদি বিষয়ৰ ৰচনা সাহিত্যৰ একোবিধ অঙ্গ—এই কথা অসমীয়া ভাষা আৰু সাহিত্যত তিনিশ-চাৰিশ বছৰৰ পূৰ্বতে স্বীকৃত হৈছিল। আৰু এইবিলাক বিষয়ত অনেক গ্ৰন্থ ৰচনা হৈছিল। তাৰে কিছু কিছু এতিয়াও পাবলৈ আছে। অনেক লোপ হল।

প্ৰাচীন কালত যি সাহিত্য এনেকুৱা শ্ৰীসম্পন্ন আছিল, আজি তিনিশ বা আঢ়ৈশ বছৰৰ পাছত সেই সাহিত্যৰ দুৰৱস্থা কিয়?

আন কিছুমান ভাৰতীয় ভাষাৰ দৰে ষোড়শ শতিকাৰ বৈষ্ণৱ ধৰ্ম্মৰ পুনৰুত্থানৰ সময়তে অসমীয়া ভাষাৰো অশেষ উন্নতি হয়। ইয়াৰ পাছত ডেৰশ দুশ মান বছৰলৈ অসমীয়া সাহিত্যৰ শ্ৰীবৃদ্ধিৰ সময়। ৰাজ-অনুগ্ৰহ, বিশেষকৈ কোচ ৰজাসকলৰ শুভ দৃষ্টি, এই শ্ৰীবৃদ্ধিৰ প্ৰধানতম কাৰণ।

ক্ৰমে ৰাজ্যত অনেক অপায় অমঙ্গল মিলিল। কোচবিহাৰ মোগলৰ অধীন হল। দৰঙী ৰজাসকলৰ ক্ষমতা কমিল। আহোম ৰাজ্যত ভিতৰুৱা বাদ-বিসম্বাদ আৰু ধৰ্ম্ম-বিবাদে দেখা দিলে। কবি আৰু সাহিত্যিকৰ প্ৰতি সন্মান আৰু ৰজাঘৰৰ পৰা ব্যৱস্থা কৰা বৃত্তিৰ বিধান—এই সকলোবোৰ ক্ৰমে লোপ পাবলগীয়া হল। তাৰ পাছত ১৭৬০ খৃঃৰ পৰা ১৮৩০ খৃষ্টাব্দলৈ এই ৭০ বছৰৰ ৰাজনৈতিক গোলমাল—মোৱামৰীয়া আৰু মানৰ দিনৰ অৰাজকতা। এনে অশান্তিৰ ভিতৰত সাহিত্য-চৰ্চ্চাৰ প্ৰতি মানুহৰ প্ৰবৃত্তি থাকিব নোৱাৰে। আগেয়ে ৰাজ-সন্মান আৰু জীৱন-ধাৰণোপযোগী বৃত্তিৰ আকৰ্ষণত যি সাহিত্য-চৰ্চ্চা অবাধ গতিৰে চলি আহিছিল, ওপৰত কোৱা আপদবোৰে তাত বিঘিনি নথালে—সাহিত্যৰ গতি ৰোধ হল।

ইংৰাজ ৰাজত্বৰ আৰম্ভণত সাহিত্যৰ প্ৰতি চকু দিওঁতা কোনো নোহোৱা হল। পুৰণি দিন আৰু বৰ্ত্তমান দিনৰ ভিতৰত আৰু এটা নতুন প্ৰভেদ সৃষ্টি হল। আগৰ দিনত সুকবি এজনে বিশেষকৈ ৰাজ-অনুগ্ৰহৰ ওপৰতে নিজৰ জীৱিকাৰ আৰু সন্মানৰ কাৰণে নিৰ্ভৰ কৰিছিল। আজি কালিৰ দিনত সেই অনুগ্ৰহ আৰু সন্মান পাব লগীয়া হল প্ৰধানকৈ ৰাইজৰ পৰা। ছাপাখানাৰ পৰা ওলোৱা পুথি যিমানে বিক্ৰি হয়, তিমানে লিখকৰ লাভ হয়, আৰু নাম বিয়পে, মান বাঢ়ে। যদি বিক্ৰি নহয়, তেনেহলে নামো নাই, মানো নাই; ছাপা কৰোঁতে গাঁঠিৰ ধনখিনি খৰচ হয় মাথোন॥

প্ৰধানকৈ, এই কাৰণে আমাৰ বৰ্ত্তমান যুগৰ সাহিত্যৰ উন্নতি হোৱা নাই, আমাৰ সাহিত্যৰ সম্পদ বঢ়া নাই। কোনোবাই কিতাপ ছাপা কৰিলে, তাক কিনোঁতা নাই, পঢ়োঁতা নাই। আন দেশত সাহিত্য-চৰ্চ্চা এটা ব্যৱসায়। সাহিত্য-চৰ্চ্চা কৰি মানুহে নাম কৰে, যশ বঢ়ায় আৰু ধনো ঘটে। আমাৰ দেশত প্ৰায় তাৰ বিপৰীত। কিতাপ লিখি কোনোৱে ধন ঘটিব পৰা নাই, দুই একেহে অলপমান নাম যশস্যা পাইছে; সিও কিন্তু অসমীয়া মানুহৰ ভিতৰতে আবদ্ধ। গতিকে সাহিত্য-চৰ্চ্চা কৰিবৰ যিবিলাক প্ৰলোভন, তাৰ এটাও আমাৰ দেশত নাই। তেও যিবিলাকে অসমীয়া সাহিত্যৰ চৰ্চ্চা কৰে, তেওঁলোকে নিজৰ ভাষাৰ প্ৰতি নিতান্ত অনুৰাগ হেতুকে, অথবা মনৰ ভাবৰ বুৰবুৰণি মাৰ নিয়াব নোৱাৰি এই চৰ্চ্চাত লাগি থাকে। ইংৰাজী শব্দ এটাৰে কবলৈ হলে, সাহিত্য-চৰ্চ্চা আমাৰ মাজত এতিয়াও এটা Hobby, Profession নহয়।



Hobbyৰ অৰ্থ মনৰ খুচিমতে কৰা কাম। সাহিত্য-চৰ্চ্চা যেতিয়ালৈকে আমাৰ দেশত hobby হৈ থাকে, তেতিয়ালৈকে যাৰ খুচি যায় সি দুই কলম লিখিব, যাৰ দুটকা ব্যয় কৰিবলৈ আছে সি দুখন এখন কিতাপ ছপাব। কিন্তু তাৰ পৰা সাহিত্যৰ উন্নতি বিপুল ভাবেৰে হবৰ আশা কৰিব নোৱাৰি। আন আন সাহিত্যৰ আহিৰে আমাৰো সাহিত্য আগ বাঢ়িব লাগিলে, সাহিত্য-চৰ্চ্চাক আমি ব্যৱসায়ত পৰিণত কৰিব পাৰিব লাগিব। সাহিত্য-চৰ্চ্চা কৰি মান-সন্মান হক বা নহক পেটৰ ভাত মুকলি হব লাগিব।

এতিয়াও আমাৰ সাহিত্যৰ সেই অৱস্থা নোহোৱা দেখি নিৰাশ হবৰ কাৰণ নাই। সকলো আধুনিক সাহিত্যৰ আদি বুৰঞ্জী এই ৰূপ। Goldsmith বা Milton ৰ দিনত কাব্য নাটক লিখি টকা ঘটিব পৰা নাছিল। আমাৰ ঘৰৰ ওচৰতে বঙালী সাহিত্যৰ প্ৰতি চালেও দেখা যায় কুৰি শতিকাৰ পূৰ্বে অৰ্থাৎ ৩০।৪০ বছৰ আগেয়ে বঙ্গদেশতো সাহিত্যৰ ব্যৱসায় কৰি কোনো ধনী হোৱা নাছিল।

সাহিত্যৰ বিস্তৃতি হয়, অৰ্থাৎ কোনো ভাষাৰ ছাপা কিতাপ বিক্ৰি হয়, সেই ভাষা ব্যৱহাৰ কৰা মানুহৰ সংখ্যা অনুযায়ী। সেই কাৰণে ইংৰাজী বা বঙালী সাহিত্যৰ বিস্তৃতিৰ সমানে অসমীয়া সাহিত্যৰ বিস্তৃতি ঘটিব নোৱাৰে। কাৰণ অসমীয়া ভাষা ব্যৱহাৰ কৰা মানুহৰ সংখ্যা ওপৰত কোৱা ভাষা ব্যৱহাৰ কৰা লোকৰ সংখ্যাৰ অনুপাতে কম; Census Report ৰ মতে অসমীয়া মানুহ ১৭ লক্ষ মাত্ৰ। কিন্তু মিকিৰ, লালুং আদি অসমীয়া মানুহ আৰু গোৱালপাৰাৰ অনেক মানুহ এই লেখৰ ভিতৰত পৰা নাই। বাগিছাৰ কুলি প্ৰভৃতি আন দেশী যিবিলাকলোকে আমাৰ দেশত বসতি কৰি অসমীয়া ভাষা লৈছেহি তেওঁলোকো এই লেখৰ বাহিৰ। সকলোখিনি হিচাব কৰি চালে অসমীয়া ভাষা ব্যৱহাৰ কৰা মানুহ ৩০ লক্ষমান হব।

৩০ লক্ষ মানুহ নিচেই কম নহয়। ইউৰোপৰ নতুন দেশ কিছুমানৰ জনসংখ্যা ৩০।৪০ লক্ষ হে। সেইবিলাক দেশে নিজ নিজ ৰাজ্য, সাহিত্য, শাসন—সকলো ৰক্ষা কৰি আছে। ৩০ লক্ষ অসমীয়াই নিজৰ সাহিত্য ৰক্ষা আৰু উন্নতি কৰিব নোৱাৰাৰ একো কাৰণ নাই। শতকৰা ৫ জনে লিখা-পঢ়া জনা হিচাবে ধৰিলেও ৩০ লক্ষ মানুহৰ ভিতৰত দেৰ লক্ষ লিখা-পঢ়া জনা মানুহ ওলায়। লিখা-পঢ়া জনা মানুহৰ শতকৰা দহজনে সাহিত্য পঢ়াৰ সোৱাদ বুজে বুলি ধৰিলেও ১৫,০০০ হেজাৰ তেনেকুৱা মানুহ ওলায়। আৰু এই পোন্ধৰ হেজাৰৰ প্ৰতি তিনি জনৰ এজনেও একোখন কিতাপ কিনিলে পাঁচ হেজাৰ কিতাপ বিক্ৰি হব পাৰে। মোৰ মনেৰে যেই সেই গ্ৰন্থকাৰে পাঁচ হেজাৰ কিতাপ বিক্ৰি কৰিব পাৰিলে অত্যন্ত আনন্দিত আৰু গৌৰবান্বিত হব। কিন্তু এই সংখ্যাৰ অনুপাতে সম্প্ৰতি অসমীয়া কিতাপ বিক্ৰি নহয়। তাৰ কাৰণ মোৰ মনেৰে এই কেইটা:—

প্ৰথম—অসমীয়া ভাষাত সৰ্বসাধাৰণৰ মনোৰঞ্জন কৰিব পৰা কিতাপ প্ৰায় ওলোৱা নাই।

দ্বিতীয়—যি দুই এখন কিতাপ ওলাইছে তাৰো যথেষ্ট প্ৰচাৰ নহয়। কাৰণ বিজ্ঞাপন দিয়া অকল ব্যয়সাধ্যই নহয়; তাৰ হেঙ্গামো অনেক।

তৃতীয়—কোনো ডাঙৰ প্ৰকাশক নোহোৱাৰ কাৰণে, অনেক গ্ৰন্থকাৰে কিতাপ ছপাব নোৱাৰে। যি ছপায় তেওঁ বিক্ৰিৰ ভাল ব্যৱস্থা কৰিব নোৱাৰে।

বিজ্ঞাপন এই যুগৰ ব্যৱসায়ৰ প্ৰধান অস্ত্ৰ। বিজ্ঞাপনৰ বলত চুৰট কিমান বিক্ৰি হয় নেদেখিছেনে? কিতাপৰ ব্যৱসায়তো বিজ্ঞাপনৰ

সহায় নহলে, সেই ব্যৱসায় বহল হব নোৱাৰে। মানুহে নজনাৰ কাৰণে ভাল কিতাপো বোঁৱা-চাঙত পৰি থাকে বা উইৰ ভক্ষ্য হয়। গ্ৰন্থকাৰে প্ৰকাশক হৈ কিতাপ বিক্ৰি কৰা বৰ টান। কাৰণ ব্যৱসায়ৰ জটিলতাৰ মাজত সোমালে তেওঁ আৰু কিতাপ লিখিবৰ আহৰি নাপায়। অনেক গ্ৰন্থকাৰ-প্ৰকাশকে বিক্ৰি হোৱা কিতাপৰ ধনকে বিক্ৰি-কৰোঁতা জনৰ পৰা উলিয়াব নোৱাৰে।

এইবিলাক কাৰণে মোৰ মনেৰে অসমীয়া সাহিত্যৰ উন্নতি কৰিবলৈ হলে, দুটা কথা আমি কৰিব লাগে—প্ৰথম, সৰ্বসাধাৰণৰ মনোৰঞ্জক কিতাপ লিখিব বা লিখাব পাৰিব লাগে; আৰু দ্বিতীয়, যাতে তেনে কিতাপৰ বহল প্ৰচাৰ হয় তাৰ যত্ন লব লাগে।

সৰ্বসাধাৰণৰ মনোৰঞ্জক বোলা কথাটো অলপ বহলাই কব খুজিছোঁ। সকলো সময়তে উচ্চাঙ্গৰ সাহিত্য হলেই সকলো মানুহৰ পক্ষে সি সুখ-পাঠ্য নহয়। প্ৰকৃততে যেই সেই ভাষাতে যিমানবিলাক কিতাপ ছাপা হয় তাৰ এটা ক্ষুদ্ৰ অংশহে উচ্চাঙ্গ বা স্থায়ী সাহিত্য। ইংৰাজী ভাষাত বছেৰেকত ৩ হাজাৰ মান নতুন উপন্যাস ওলায়। ইয়াৰ ভিতৰত সাহিত্য ভঁড়ালত স্থায়ী স্থান পাবৰ উপযোগী বোধকৰো ৩০ খন মান হয়নে নহয় সন্দেহ। বঙালী ভাষাতো উপন্যাসৰ সংখ্যা কম নহয়। কিন্তু তাৰ মাজত যুগমীয়া কৈ সাহিত্যত স্থান পাব লগীয়া গ্ৰন্থৰ সংখ্যা অতি নগণ্য।

এই কথা বাৰু থাওক। অসমীয়া সাহিত্যৰ প্ৰচাৰেই হৈছে প্ৰধান সমস্যা। অসমীয়া সাহিত্যৰ প্ৰচাৰ কৰিবলৈ হলে আমি কথা সাহিত্যৰ প্ৰতি বিশেষ মন দিব লাগিব। গল্প আৰু উপন্যাস এই দুই বিধ সাহিত্যৰ প্ৰতিহে আজি কালিৰ মানুহৰ ধাউতি বেচি। অসমীয়া ভাষাত গল্প উপন্যাসৰ সংখ্যা কিয় ইমান কম এই কথা আলোচনা কৰিবলৈ গৈ কোনোৱে কোনোৱে কয় যে অসমীয়া মানুহৰ জাতীয় চৰিত্ৰত গুৰুত্ব বেচি; অসমীয়াৰ ধৰ্ম্মজ্ঞানৰ গাম্ভীৰ্য্য আছে; এইদৰে গল্প-সাহিত্যৰ নিঃসম্বলতাক যুক্তি-ফটা-কানিৰে ঢাকিব খোজে। এই কথা সঁচা হোৱা হলে ইমানবোৰ বঙালী উপন্যাস অসমীয়া মানুহৰ মাজত বিক্ৰি নহলহেতেন। প্ৰকৃত কথা চতুৰ উপন্যাস লিখক আমাৰ মাজত ওলোৱা নাই। এই সঁচা কথাটো আমি স্বীকাৰ কৰি লৈ তাৰ প্ৰতিকাৰৰ অৰ্থে যত্ন কৰাহে যুগুত।

আজি পৰ্য্যন্ত যে তেনে কোনো লিখক নোলাল তাৰ প্ৰধান কাৰণ—আন কাৰণো থাকিব পাৰে—কিতাপ লিখা ব্যৱসায়ত ধৰি কোনোবাই যে জীৱিকা আৰ্জিব পাৰে এই কথাত এতিয়াও আমাৰ সন্দেহ আছে। মই আগেয়ে কৈ আহিছোঁ যে প্ৰকাশক নোহোৱাৰ কাৰণে আৰু বিজ্ঞাপনৰ অভাৱ হেতুকে, অসমীয়া কিতাপৰ বিক্ৰিৰ পৰিমাণ অতি কম। প্ৰকাশক যে নাই, তাৰো কাৰণ এই যেকেটা—কিতাপ ছপোৱা আৰু বিক্ৰিৰ ব্যৱসায়ত লাভ হব বুলি ভাবিবা কোনোৱে নকৰে; অনেকে লোকচান হব বুলিহে ভয় কৰে।

সাধাৰণৰ এই সংশয় ভাব দূৰ কৰিবলৈ হলে সৰ্বসাধাৰণৰ মনত আনন্দ দিব পৰা সাহিত্য লিখিবলৈ, প্ৰকাশ কৰিবলৈ আৰু প্ৰচাৰ কৰিবলৈ সংঘবদ্ধভাৱে চেষ্টা কৰাৰ নিতান্ত সময় আহিছে। এনে এখন সমাজ বা সক কোম্পানী গঠন কৰিব পাৰিলে—যি মন ভাল লগাব পৰা কিতাপ ছাপা কৰি কম দামত বিক্ৰি কৰিব আৰু বিক্ৰি কৰিবৰ কাৰণে চাৰিওফালে উপযুক্ত আৰু বিশ্বাসীলোক নিযুক্ত কৰিব পাৰিব—আমাৰ সাহিত্য প্ৰচাৰৰ কিছু উপায় হয়। এই কথাটো কৰিবলৈ একো টান নহয়—যদি এজন বা দুজন কৰ্মী ওলায়।

আপোনালোকে গত বছৰৰ শিক্ষা-বিষয়ক



গৱৰ্ণমেণ্টৰ ৰিপোৰ্ট দেখিব পায়। মই মোৰ Report ত লিখিছিলোঁ যে Literacy বা আখৰ চিনাকি হৈ থকা অৱস্থা স্থায়ী কৰিব লাগিলে Popular Literature তৈয়াৰী কৰাও প্ৰাইমাৰী স্কুল বখাৰ দৰে শিক্ষাৰ অপৰিহাৰ্য্য অঙ্গ। গৱৰ্ণমেণ্টৰ ৰিপোৰ্টত মোৰ এই কথাষাৰ তুলি দিছে। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে এই কামত গৱৰ্ণমেণ্টেও কিছু সহায় কৰিব পাৰে। অৱশ্যে গৱৰ্ণমেণ্টৰ বিষয়া হিচাবে, গৱৰ্ণমেণ্টে সহায় কৰিব বা নকৰিব বুলি মই একো কব নোৱাৰোঁ।

যেতিয়ালৈকে এইদৰে এটা পঢ়ুৱাই সমাজ (Reading Public) আমি গঠন কৰিব নোৱাৰোঁ, তেতিয়ালৈকে আমাৰ সভা-সমিতি সন্মিলনৰ আৱশ্যক। তেতিয়ালৈকে সাহিত্যিকসকলে সংঘবদ্ধ হৈ এই বিলাক যত্ন কৰি থাকিব লাগিব। এবাৰ এটা Reading Public গঠন হলে, এবাৰ প্ৰকাশকে বুজিলে যে কিতাপ ছপাই ধন ঘটিব পাৰি, এবাৰ লিখকৰ মনত বিশ্বাস হলে যে কিতাপ লিখি গাঁঠিৰ ধন ভাঙিবৰ আৱশ্যক নাই, পৰন্তু ধন থবলৈ গাঁঠি গুচাই মোনাহে সীব লাগিব পাৰে—তেতিয়া আৰু মাভৈঃ—তেতিয়া সাহিত্যই আপোনাৰ বাট চিনি পাব। তেতিয়া সাধাৰণ সাহিত্যৰ আবৰ্জনাৰ মাজত মাজে মাজে সাহিত্যৰ হীৰা, ৰূপ, সোণ আপোনা-আপুনি ওলাব।

আপোনালোকৰ সাহিত্য-সন্মিলনৰ সভাপতি হৈ কিতাপ লিখা, ছপোৱা আৰু বিক্ৰি কৰাৰ কথা কৈ অনেক সময় নিয়ালোঁ। আপোনালোকৰ অনেকেই কব যে এই খন বক্তৃতা সমবেত সাহিত্যিক সমাজৰ আগত নপঢ়ি কিতাপৰ দোকানী কেইজন মানক মাতি আনিহে শুনাব লাগিছিল। মই আদিতে কৈ আহিছোঁ সাহিত্যৰ বিশ্বজনীন তত্ত্ব আৰু সাহিত্যিকৰ ঢুকি নোপোৱা ভাবৰ প্ৰবাহ—এইবোৰ কথাৰ মই অলপো ভু নাপাওঁ। মই অসম দেশখনৰ মানুহ, ইয়াৰ ভাষা, ইয়াৰ সাহিত্য এইবিলাকক ভাল পাওঁ। আৰু এইবিলাকৰ উন্নতি হবলৈ আমি কি কাম কৰিব পাৰোঁ তাৰে কথা নিজৰ বুদ্ধি-বৃত্তিৰ জোখত ভাবি থাকোঁ। অসমীয়া সাহিত্যৰ ভাল হবলৈ আমি কি কাম কৰিব পাৰোঁ বা কৰা উচিত এই বিষয়ে মোৰ চিন্তাৰ যি ফল তাৰ দুটামান কথা আপোনালোকৰ ওচৰত নিবেদন কৰিলোঁ। মোৰ ব্যক্তিগত ত্ৰুটিৰ প্ৰতি লক্ষ নকৰি, এই কথাৰ যদি কিবা মূল্য আছে আপোনালোকে গ্ৰহণ কৰিব; আৰু যদি তাক মূল্যহীন বুলি ভাবে, তেন্তে আজিৰ আবেলি পৰখিনি লোকচান হল বুলি নিজক সান্ত্বনা দিব; কিন্তু যেন মোৰ দায় দোষ নধৰে। কাৰণ মই পৰাখিনি মই কৰিছোঁ!

মই ওপৰত যি সংঘবদ্ধ চেষ্টাৰ কথা কলোঁ, সেই দৰে চেষ্টা কৰিবলৈ আপোনালোকৰ সভাৰ দৰে সাহিত্য সভাৰ বৰ উপযোগিতা আছে। আসাম সাহিত্য-সভা গঠিত হোৱাৰ পৰা অনেকে ভাবে যে স্থানীয় সাহিত্য সভাবিলাকৰ আৰু বিশেষ আৱশ্যক নোহোৱা হল। কিন্তু অলপ বিবেচনা কৰি চালেই দেখা যায় যে স্থানীয় সভাবিলাকৰ পৰা নহলে অকল আসাম সাহিত্য-সভাৰ পৰা সকলো কাম সুচাৰুৰূপে হব নোৱাৰে। এনেকি স্থানীয় সভাৰ সহায় নহলে আসাম সাহিত্য-সভাই অনেক কাম কৰিবই নোৱাৰে। মই সাহিত্য-সভাৰ সম্পাদক থকা সময়ত আসামৰ প্ৰায় প্ৰতি কেন্দ্ৰ ঠাইতে একোখন স্থানীয় সাহিত্য-সভা স্থাপিত হৈছিল। এই মহকুমাৰো ঢলপুৰ, নাৰায়ণপুৰ, ঢকুৱাখানা আৰু বৰদলনিত তেনে সভা আছিল; আজি কালি আছে নে নাই নাজানোঁ। কিন্তু তেতিয়া সেই সভাবিলাকৰ কাৰ্য্য-পদ্ধতিৰ শৃংখলা লগাব

পৰা হোৱা নাছিল। মোৰ মনেৰে তলত লিখা বিষয়বিলাকত এই সভাবিলাকে সাহিত্যৰ উন্নতিত সহায় কৰিব পাৰে।

পূৰ্বত মই কথা-সাহিত্য প্ৰচাৰৰ কথা বহলাই কৈ আহিছোঁ; এই বিষয়ত স্থানীয় সাহিত্য সভাবিলাকে যথেষ্ট কমিচন ৰাখি কিতাপ বিক্ৰি কৰি সাহিত্য-প্ৰচাৰত সহায় কৰিব পাৰে। কিন্তু কথা-সাহিত্য-প্ৰচাৰেই অসমীয়া সাহিত্যৰ প্ৰতি একমাত্ৰ কৰ্ত্তব্য নহয়। আমাৰ দেশৰ অনেক প্ৰাচীন সম্পদ দিনক দিনে লয় হৈ যাব ধৰিছে। অসম দেশৰ য'লৈকে যোৱা যায় তাতেই পুৰণি দিনৰ পুখুৰী বা গৰ, মন্দিৰ বা শিলৰ মূৰ্তি, এনে কিবা এটা কীৰ্তিচিন আছে।

এনেকুৱা কীৰ্তিচিন যে কিমান আছিল, এতিয়াও কিমান নষ্টনাকৈ আছে, তাৰ সীমা সংখ্যা দিব নোৱাৰি। যিবিলাক কথা আমি জানোঁ সেইবিলাকৰ বিষয়তো একো প্ৰকৃত অনুসন্ধান হোৱা নাই।

মই নিজ চকুৰে আমাৰ প্ৰসিদ্ধ পুৰণি ঠাই কিছুমান দেখিছোঁ। শদিয়াৰ ভীষ্মক বা কষ্মক নগৰ, বালিপাৰাৰ ভালুক-পুং, গোৱালপাৰাৰ শ্ৰীসূৰ্য্য-পাহাৰ, ছয়গাঁৱৰ চান্দোৰ মেৰ ঘৰ, তেজপুৰৰ বামণী পৰ্ব্বত—এইবোৰ ঠাই যে কিমান দিনৰ পুৰণি, আৰু এইবোৰ ঠাইত কোন পৰাক্ৰমী জাতি বা ৰাজাৰ কীৰ্তি-কাহিনী লুকাই আছে, তাক কোনোৱে কব নোৱাৰে। এনেকুৱা একোটা আলি পোৱা যায়, যি প্ৰায় শ মাইলমান দীঘল। (মই ৰাজগড় আলিৰ দৰে প্ৰসিদ্ধ আলিৰ কথা কোৱা নাই। এইবিলাক আলিৰ এতিয়া নামেই নাই।) এই আলিৰ কাষত প্ৰায় ২।৩ মাইল আঁতৰে আঁতৰে একোটা পুখুৰী। এতিয়াও আলিৰ চিন আছে, পুখুৰীবোৰৰো চিন আছে, দুই এক পুখুৰীও আছে; সেই আলিৰ কাষত মাজে মাজে গাৰোঁ আছে। কিন্তু কোন যুগৰ কোন প্ৰতাপী ৰজাই এইদৰে গড় লগাই নগৰ আৰু গাওঁ পাতিলে তাৰ হলে চিন মোকাম পাবলৈ নাই।

এইবিলাক বিষয়ত স্থানীয় সভাবিলাকে বহুত কাম কৰিব পাৰে। তেওঁলোকৰ ওচৰত থকা আলি, পুখুৰী, মঠ, মন্দিৰৰ যি বিৱৰণ জানিব পাৰি তাক সংক্ষেপ কৰি সাহিত্য-সভা-পত্ৰিকাত ছপাই থলে আগলৈ এইবিলাকৰ বিষয় অনুসন্ধান কৰিব পৰা যদি কোনো আমাৰ বংশধৰ ওলায়, তেওঁৰ বৰ সহায় হব। এতিয়াও যিবিলাকে এনেবিলাক তথ্য অনুসন্ধান কৰে তেওঁলোকৰো বৰ কামত আহিব।

ইয়াৰ উপৰি পুৰণি হাতেলিখা পুথি আমাৰ কিমান দিনক দিনে নষ্ট হব ধৰিছে তাৰো ধাৰণা আমি সহজতে কৰিব নোৱাৰোঁ। মই এই বক্তৃতাৰ গুৰিতে কৈ আহিছোঁ যে প্ৰাচীন সাহিত্যত অসমীয়া ভাষাৰদৰে সম্পদশালী আন এটা ভাৰতীয় ভাষা পাবলৈ টান। যিবিলাকে অসমীয়া পুৰণি পুথিৰ বিষয় অনুসন্ধান কৰা নাই, তেওঁলোকে এই সম্পদ যে কিমান অমূল্য তাৰ ধাৰণা কৰিব নোৱাৰে। প্ৰাচীন অঙ্কৰ পুথি আমাৰ ভাষাতহে আছিল। লীলাৱতীৰ অনুবাদ আমাৰ ভাষাত বকুল কায়স্থই কৰিছিল। কিন্তু তাতোকৈ ডাঙৰ কথা এই যে আমাৰ ইয়াত কাইথেলী অঙ্ক বুলি গণিতৰ বিশেষ এটা বিভাগ সৃষ্ট হৈছিল। এই কাইঠেলি অঙ্কৰ পুথি এসময়ত বহুতো আছিল—আজি-কালিও দুই এখন পোৱা যায়। মই সাহিত্য সভাৰ সম্পাদক থকা কালত বহুত যত্ন কৰি মোৰ ছাত্ৰ এজনৰ হতুৱাই এই দৰৰ পুথি গোটোৱাই এখন অঙ্কৰ কিতাপ লিখাই উলিয়াইছিলোঁ। সেই ছাত্ৰজনে সাহিত্য সভাৰ সহায়েৰে পুথিখনি এতিয়া ছপাবৰ কাৰবাৰ কৰিছে।

সেইদৰে ৰাজনীতিৰ পুথি যে অসমীয়া ভাষাত থাকিব পাৰে, তাক অনেকে নপতিয়াবই কিজানি।



বিহাৰৰ K. P. Jawsayal নামেৰে প্ৰত্নতত্ত্বজ্ঞ পণ্ডিত এজনে ৰাজনীতিবিষয়ক এখন সংস্কৃত পুথি সম্পাদন কৰি ছপাইছে। তাত লিখা আছে যে কামৰূপৰ গাভৰু খাঁ নামেৰে ৰজা এজনে এই পুথি সংগ্ৰহ কৰাইছিল। গাভৰু খাঁ এজন ভূঞা আছিল। এওঁৰ পুতেক কেতাই খাঁ ভূঞা। এওঁ কেতাই খাঁই শ্ৰীশঙ্কৰদেৱৰ পেহাক। নগাঁৱৰ পৰা মই এখন হাতেলিখা পুথি সংগ্ৰহ কৰিছোঁ। প্ৰায় ডেৰশ মান বছৰৰ আগত লিখা। কৌটিল্যৰ নীতিশাস্ত্ৰ আদি সন্মত বিষয় এই পুথিত লিখা আছে। ৰজা, ৰজাৰ কৰ্ত্তব্য, যুদ্ধ, ব্যূহস্থাপন, ৰাজধানী—নিৰ্ম্মান ইত্যাদি কথাও তাত আছে। সেইবিলাকৰ বিষয়ে আৱশ্যকীয় চিত্ৰও দিয়া আছে। এই দুখন পুথিৰ কথা উল্লেকিয়ালোঁ—কাৰণ সাধাৰণতে এনেকুৱা বিষয়ত পুৰণি দিনৰ নালাগে আধুনিক সাহিত্যতো আন ভাষাত এই প্ৰকাৰৰ কিতাপ পাবলৈ নাই।

আৰু এখন এইদৰৰ বিশেষ পুথি মোৰ হাতত পৰিছে—অসমীয়াত লিখা সাত্বত তন্ত্ৰ। পুথিখন ডাঙৰ নহয় কিন্তু মূল্যবান। সাত্বত তন্ত্ৰ বৈষ্ণৱ ধৰ্মৰ আদি পুথি। ইয়াকেই পঞ্চৰাত্ৰ তন্ত্ৰও বোলে। সাত্বত তন্ত্ৰৰ সংখ্যা অনেক। উত্তৰ ভাৰতৰ পৰা সাত্বত তন্ত্ৰ প্ৰায় লোপ হৈছিল। দক্ষিণ ভাৰতভহে কিছুমান পুথি পোৱা গৈছিল। কিন্তু আচৰিত কথা যে এনেকুৱা শাস্ত্ৰৰো সাৰ সঙ্কলন কৰি এখন পুথি অসমীয়া ভাষাত লিখা হৈছিল। এই পুথিৰ সময় শ্ৰীদামোদৰদেৱৰ অলপ পাছতে—প্ৰায় সোতৰ শতিকাৰ মাজ ভাগ।

অসমীয়া পুথিৰ বাহিৰেও সংস্কৃত অনেক কাব্য, নাটক, ব্যাকৰণ, পুৰাণ, গীতা আদি প্ৰসিদ্ধ গ্ৰন্থৰ হাতেলিখা পুথি আমাৰ দেশত অনেক আছিল; এতিয়াও আছে। কোনো কোনো প্ৰসিদ্ধ গ্ৰন্থৰ অসমীয়া পণ্ডিতে কৰা টীকাও আছে। দণ্ডীৰ কাব্যাদৰ্শ এখন প্ৰসিদ্ধ গ্ৰন্থ। কামৰূপীয় পণ্ডিতে কৰা এই পুথিৰ টীকা আছে। আমাৰ দেশৰ পণ্ডিতসকলে কৰা স্মৃতি-সংগ্ৰহবিলাকৰ কথা দেশ বিদেশত জনাজাত।

কিন্তু আমাৰ সমবেত চেষ্টাৰ অভাৱ হেতুকে এই পুথিবিলাকতো আমি প্ৰকাশ কৰিবই পৰা নাই; এইবিলাক পুথি যে আছে, আমাৰ দেশত আগৰ দিনত বিদ্যাৰ যে এনে বহল চৰ্চা হৈছিল—এই কথাকে নাজানোঁ। এই বিষয়তো স্থানীয় সভাই পুথি গোটাই পুথিৰ বিৱৰণ সংগ্ৰহ কৰি অসমীয়া জাতিৰ প্ৰাচীন সম্পদ ৰক্ষাৰ কাৰণে অশেষ কাম কৰিব পাৰে।

ইয়াৰ উপৰি স্থানীয় গীত-পদ নাম আদিৰ সংগ্ৰহো আমাৰ দেশৰ বৰ লাগতিয়াল কাম। কোনো কোনো গীতত ইতিহাসৰ পুৰণি তথ্য, এতিয়া পাহৰা কথা পাবলৈ আছে। বৰফুকনৰ গীত, হৰদত্ত বীৰদত্তৰ গীত—সকলোৱে জনা শুনা। বুৰঞ্জী-প্ৰসিদ্ধ ঘটনা লৈ এইবিলাক গীত ৰচনা কৰা হৈছিল। কামৰূপত হাইদৰ গাজীৰ গীত বুলি এটা গীত চলিত আছিল; আজিকালি বৰ শুনিবলৈ পোৱা নাযায়। এওঁ কোন হাইদৰ গাজী, তেওঁ কি কৰিছিল, একো জানিব নোৱাৰি। উত্তৰ লক্ষীমপুৰত প্ৰচলিত 'জিকিৰ' গীতো এটা প্ৰাচীন উপাদেয় বস্তু। এই দৰৰ গীত-পদ ফকৰা সংগ্ৰহো আমাৰ সাহিত্যৰ অৰ্থে কৰিবলগীয়া কামৰ একোটা প্ৰধান অঙ্গ।

এইবিলাক কাম কৰিবলৈ হলে চিজিল লগাই কাৰ্য্য-প্ৰণালী স্থিৰ কৰিব লাগে। প্ৰতি কেন্দ্ৰ ঠাইত একোখন সাহিত্য-সভা কৰি, তাৰ স্থায়িত্বৰ কাৰণে চেষ্টা কৰিব লাগে। কোনো অনুষ্ঠান স্থায়ী কৰিবলৈ হলে তাৰ এটা আবাস, এটা স্থিৰ স্থান থকা উচিত। আপোনালোকে উত্তৰ লক্ষীমপুৰত যি সাহিত্য-সভা স্থাপন কৰিছে, ইয়াক স্থায়ী কৰিবলৈ হলে এই সভাৰ এটা ঘৰ সজাওক। তাত এখন লাইব্ৰেৰী পাতক আৰু এজন

বেতনভোগী স্থায়ী কাৰ্য্যকাৰক বা কেৰেণী নিযুক্ত কৰক। তেতিয়া ওপৰত কোৱা দৰে আৰু আন প্ৰকাৰেও সাহিত্যৰ উন্নতিৰ অৰ্থে, প্ৰাচীন সম্পদ ৰক্ষাৰ অৰ্থে যত্ন কৰিবলৈ সুচল হব। সেয়ে নহলে কেতিয়াবা উৎসাহৰ বতাহৰ আগত আজিৰ দৰে সম্মিলন পাতিব; আৰু কোনো সময়ত সেই বতাহৰ বেগ কমিলে সাহিত্য-চেষ্টাবো গতি-ৰোধ হৈ আহিব।

আপোনালোকৰ আদৰ্শকে লৈ এইদৰে যদি প্ৰতি মহকুমাৰ কেন্দ্ৰত একোখন সাহিত্য-সভা স্থাপিত হয়, আৰু প্ৰতি সাহিত্য-সভাই এইদৰে নিজ নিজ মহকুমাৰ কেন্দ্ৰঠাইবিলাকত সাহিত্য-সভা পাতি ভাষা আৰু সাহিত্যৰ উন্নতিৰ অৰ্থে যত্ন কৰে, তেনেহলে মোৰ বিশ্বাস আঠ দহ বছৰৰ পাচত আমি যিবোৰ কথা গাই আজি বিনাইছো সেইবোৰ কথালৈয়ে গৌৰৱ কৰিব পাৰিম।

মোৰ কৰ্ত্তব্য ইমানতে সামৰিবও পাৰোঁ; অথবা এই দৰৰ কথা কৈ আৰু বহুতো সময় নিয়াবও পাৰোঁ। কিন্তু মই এটা কথা নকলে কিজানি ৰাজহুৱা সভাৰ সভাপতি বাবৰ প্ৰতি অন্যায় কৰা হব। সেই কথাটো ব্যক্তিগত। অসমীয়া সাহিত্য-ক্ষেত্ৰত মই অপৰিচিত বুলি বৃথা বিনয় নকৰোঁ। আৰু সাহিত্যৰ ৰথী এজন বুলি বৃথা গৌৰৱো নকৰোঁ। মই নিজৰ শক্তি আৰু সেই শক্তিৰ সীমা সুন্দৰৰূপে জানোঁ। সাহিত্যৰ অৰ্থে মই যি কাম কৰিছো বা কৰিবৰ মন কৰোঁ তাৰ মূল্যও যে কালৰ হিচাবত অতি নগণ্য তাকো মই বঢ়িয়াকৈ বুজোঁ।

তথাপিতো সমসাময়িক সাহিত্য-চৰ্চাত মোৰ দুটা মতৰ বিষয়ে বহুতো তৰ্ক-বিতৰ্ক হয়। সেই দুটা বিষয়ে যদি মই ইয়াত এক আষাৰ নকওঁ, তেনেহলে কিজানি আপোনালোকৰ আতিথ্যৰ, আপোনালোকৰ উদাৰতাৰ প্ৰতি অবিচাৰ কৰা হয়—ইয়াকে ভাবি, আৰু কোনো কোনোৱে ফোঁপৰহী বুলি ইতিকিং কৰিবলৈ যে সুযোগ পাব তাৰ প্ৰতি উপেক্ষা কৰিও, অতি সংকোচ মনেৰে, অতি সংক্ষেপ কৰি এই দুটা কথা কব খুজিছো।

কিছুদিনলৈ অনেকৰ মনত ধাৰণা আছিল যে মই নামনী ফালৰ কিছুমান শব্দ অসমীয়া ভাষাত সুমাই ভাষাটো খিচিৰী কৰিব খুজিছো। সৌভাগ্য গুণে, সম্প্ৰতি সকলো বিবেচক মানুহে স্বীকাৰ কৰে যে অসমীয়া ভাষা যদি প্ৰকৃততে অসমীয়া মানুহৰ ভাষা হব লাগে তেনেহলে উজনী নামনী আৰু নামনীৰো নামনী ৰংপুৰ কোচবিহাৰ আদি ঠাইত প্ৰচলিত শব্দসমূহ সেই ভাষাত গ্ৰহণ কৰা আৰু ব্যৱহাৰ কৰা একান্ত যুগুত। অকল এয়ে নহয়; আৱশ্যক হলে আন ভাষাৰো শব্দ আনি লোৱা যুগুত। ভাষা ভাবৰ বাহন। এই কথাটো পাহৰিব নোৱাৰোঁ। আৰু জীৱন্ত ভাষাৰ যে জীৰ্ণকৰী শক্তি থাকিবই তাকো পাহৰিব নোৱাৰোঁ। শব্দ-ভঁৰালে ভাষাক চহকী কৰে, দুখীয়া নকৰে। ভাষাৰ নিজস্ব হৈছে সেই ভাষাৰ গঠন প্ৰণালী, তাৰ ব্যাকৰণ আৰু বাক্যবিন্যাস। মোৰ বক্তব্যৰ পাতনিতো এই বিষয়ে অলপ কৈ আহিছোঁ, গতিকে ইয়াত আৰু বেচি কবৰ সকাম নাই।

দ্বিতীয় কথাটো হৈছে এই যে অনেকে ভাবে মই বানানৰ নতুন পদ্ধতি প্ৰচলন কৰি অসমীয়া ভাষাটোৱে সৰ্ব্বনাশ কৰিবলৈ ওলাইছো। অসমীয়া ভাষাৰ বানান, ভাষাৰ প্ৰকৃতি আৰু উচ্চাৰণ চাই যেনে হোৱা যুগুত, মই নিজেও সেইদৰে লিখিবলৈ সাহ কৰা নাই। ইয়াৰ কাৰণ মই ভাবোঁ যে ৰাজহুৱা বিষয়ত মত-সহিষ্ণুতাৰ সমান ভাল গুণ একো নাই। অসমীয়া ভাষা মোৰ বা আন কাৰো নিজস্ব সম্পত্তি নহয়। যি কথাত জনাতে হক বা নজনাতে হক অনেকৰ আপত্তি তাক নকৰাই ভাল। সম্প্ৰতি মই মুঠে



ৰেফযুক্ত বৰ্ণবিলাক দুটীয়াকৈ লিখিবলৈ এৰিছোঁ। ইয়াতে অনেকে ভাবে যে ভাষাৰ কিবা সৰ্বনাশ ঘটিল। কিন্তু তেওঁলোকে অলপ ভাবি চালেই দেখিব যে ৩৩ টা ব্যঞ্জন বৰ্ণৰ ভিতৰত কেৱল চ, জ, ত, দ, ব, ম এই ছটাতহে ৰেফ দিলে দ্বিত্ব কৰি লিখাৰ নিয়ম এতিয়া চলিত আছে। মাজ যুগত আনবিলাক বৰ্ণও দুটীয়া কৰি লিখা হৈছিল। তৰ্ক লিখোতে আগেয়ে দুটা ক, দৰ্পত দুটা প, বৰ্ণ দুটা ণ ৰে লিখা হৈছিল। দহ-পোন্ধৰ বছৰ পূৰ্বেও গৰ্ভ লিখোতে ব—ভ যুক্ত কৰি ৰেফ দি লিখা হৈছিল। আৰু ৰেফযুক্ত বৰ্ণৰ দ্বিত্ব লৈ এই বাদবিসম্বাদ চলি থকাতো এই বিৰোধী লোকসকলৰ অনেকেই মাজে মাজে আৰ্জন আদি শব্দ এটা জৰে লিখে। হেম-কোষত অৰ্জ্জন শব্দ এটা জতে লিখা হৈছে। এনেস্থলত কৰ্ম, গৰ্ব, কৰ্তা—এইবিলাক শব্দত ৰেফযুক্ত বৰ্ণটো দুটীয়া নকৰাৰ পৰা ভাষা যে কেনেকৈ সৰ্বনাশপ্ৰাপ্ত হয় মই তাক বুজিব নোৱাৰোঁ।

আপোনালোকৰ কোনোৱে কব পাৰে যে ইয়াত লোকচান বাৰু নাই, লাভনো কি হব? লাভৰ কথা মই বিচাৰ কৰি চাইছোঁ।

জাতি এটা ডাঙৰ হব লাগিলে তাৰ সন্তান-বিলাক সবল আৰু শিক্ষিত হব লাগে। সবল হোৱাৰ প্ৰণালী আজিৰ সভাৰ আলোচ্য নহয়। কিন্তু বৰ্ণমালাৰ লগত আজিকালিৰ যুগৰ শিক্ষাৰ সম্বন্ধ অতি ঘনিষ্ঠ। আখৰ-চকুৱা হলেই শিক্ষিত নহয় মই জানো। কিন্তু আজি কালিৰ সভ্যতাৰ নিমিত শিক্ষাৰ পূৰ্বে আখৰ-চকুৱা হোৱা আৱ-শ্যক। পুৰণি আৰু বেলেগ ধৰণৰ সভ্যতাৰ মাজত আখৰ নিচিনিও মানুহ শিক্ষিত হৈছিল। সেই কাৰণে আজিও আমাৰ গাঁৱলীয়া সমাজত আচাৰ নীতি ধৰ্ম আদিৰ শিক্ষা লোপ পোৱা নাই। কিন্তু বৰ্তমান শিক্ষাই যি দৰে দিশ-বিদিশ বিয়পি ধৰিছে—ইয়াৰ মাজত আখৰ নিচিনি থাকিলে এতিয়াই শিক্ষা লাভ কৰা টান হৈছে; আগলৈ অৰ্থাৎ ২০।২৫ বছৰৰ পাচত অসম্ভৱ হব। এই শিক্ষা পাবলৈ হলে সৰল, সৰল ভাষা আৰু সেই ভাষা লিখিবৰ সৰল সংকেত কিমান আৱশ্যকীয় তাক কৈ অন্ত কৰিব নোৱাৰি। আখৰ চিনোৱা যাৰ ব্যৱসায় তেওঁলোকে বুজে। এই বিষয়েও বেচিকৈ কবলৈ গলে কিজানি আজিৰ সভাৰ প্ৰতি অন্যায় কৰা হব।

ওপৰৰ কথা দুটা মোৰ কৈফিয়ৎ হিচাবেহে দিলোঁ। আপোনালোকে মোক মাতি আনিছে যেতিয়া এইখিনি কৈফিয়ৎ নিদিলে আপোনালোকৰ সৌজন্যতাৰ প্ৰতি অবিচাৰ কৰা হয় যেন লাগিল। মোৰ মত লবলৈ আজি পৰ্য্যন্ত মই কাকো কোৱা নাই; আৰু আজিও আপোনালোককো কোৱা নাই। বাৰ বছৰ মই নৰ্ম্মাল স্কুলত শিক্ষকতা কৰিছোঁ। আৰু এই সময়ত অতি কমেও ১২০০ ছাত্ৰ মোৰ হাতেৰে শিক্ষক হৈ ওলাই গৈছে। তেওঁলোকৰ কাকো এদিনো মোৰ পদ্ধতি লবলৈ কোৱা নাই। কোনোৱে সুধিলেও তেওঁকো প্ৰচলিত ৰীতিমতেহে চলিবলৈ কৈছোঁ। কিন্তু মোৰ অন্তৰৰ দৃঢ় বিশ্বাস যে ভাষাৰ বানান সৰল কৰিব পাৰিলে আমাৰ জাতিৰ মহৎ উপকাৰ হব। সেইদেখি মই ভবা কথাখিনি কোৱা উচিত বুলি বিবেচনা কৰিছোঁ। মই বুজিব পাৰিলে, যে ইয়াৰ পৰা আমাৰ কিবা অলপমানো অহিত হৈছে, তেনে-হলে সেই ক্ষণতে মই এইৰূপ বৰ্ণবিন্যাসৰ ব্যৱহাৰ এৰি পেলাম।

মোৰ মনেৰে অসমীয়া জাতি সম্প্ৰতি এক সংকট অৱস্থাত উপস্থিত। আন দেশৰ মানুহ, আন দেশৰ আচাৰ ব্যৱহাৰ, আন দেশৰ কাপোৰ-কানি, আন দেশৰ ভাষা সাহিত্য—সকলোৱে আমাক গ্ৰাস কৰিবলৈ ওলাইছে। এই আক্ৰমণৰ হাত সাৰিবলৈ হলে, সকলো অসমবাসীয়ে আৰ্থিক

আৰু সামাজিক অৱস্থাৰ উন্নতি কৰিবলৈ বদ্ধপৰিকৰ হব লাগিব। গাওঁ-ভূঁইৰ স্বাস্থ্য পূৰ্ণ অৱস্থা, সতি-সন্তানৰ সবল দেহ, শিক্ষাৰ সবল ভাষা, ভাষাৰ মনোৰম সাহিত্য, সৰ্বসাধাৰণৰ আলস্যবিহীন জীৱন, জীৱনৰ কৰ্মৰ লগত আনন্দ—এইবিলাক জাতি-গঠনৰ, জাতি বলী আৰু কৰ্মী হোৱাৰ লক্ষণ। ভগৱন্তই আমাক সকলোকে এই দৰে কোনো কোনো কৰ্ম কৰিবলৈ শক্তি দিয়ক; আমাৰ মন আশা আৰু উৎসাহ-পূৰ্ণ কৰক, এই প্ৰাৰ্থনা কৰি মোৰ আজিৰ বক্তৃতা সামৰণ কৰিবলৈ আপোনালোকৰ অনুমতি মাগিছোঁ। *

---

# অসমীয়া ভাষা।

( আগৰ সংখ্যাৰ পৰা )

৺ হেমচন্দ্ৰ বৰুৱাই "হেমকোষ"ৰ ।০ পৃষ্ঠাত কৈছে,—"আমাৰ ভাষাত যেনেকৈ শ, ষ আৰু স এই কেইটা আখৰৰ উচ্চাৰণৰ একো প্ৰভেদ নাই; তেনেকৈ চ, ছ, ই ( ি ), ঈ ( ী ) আৰু উ ( ু ), ঊ ( ূ ), ইইতৰো প্ৰত্যেক যোৰৰ উচ্চাৰণৰ একো বিভিন্নতা নাই; **এতেকে শব্দৰ মূল ঠিককৈ ৰাখিবৰ প্ৰয়োজন নহলে স, চ, ই ( ি ) আৰু উ ( ু ) মাথোন ব্যৱহাৰ কৰা উচিত।"** এই কথাষাৰে বহুত তৰ্কৰ বাট মুকলি কৰে। কিয়নো আৰ্য্য ভাষা-বিলাকত অমূলক শব্দ নিচেই কমহে আছে। 'সুৰাট' শব্দৰ মূল হৈছে 'সৌৰাষ্ট্ৰ'; কিন্তু আমি যদি উচ্চাৰণ অনুসৰি 'চুৰাট' লেখোঁ তেন্তে তাৰ মূল বিচাৰি উলিয়াবলৈ টানেই হৈ পৰিব। গতিকে এইটো ঠিৰাং যে আমাৰ ভাষালৈ আন ভাষাৰ শব্দ সুমাবলৈ হলে অকল উচ্চাৰণ নাইবা অকল মূলৰ কথাকেই ঘাই বুলি ধৰি লব নোৱাৰি। তাৰ উপৰি ভাৰতৰ ভিতৰত অসমীয়া জাতিটোৰ গঠনত, ভাষাত আৰু নীতি-নিয়মত আৰ্য্য আৰু মঙ্গোলীয়ানৰ যি সংমিশ্ৰন হৈছে তাক কোনো মতে ফালিব নোৱাৰি। এই সংমিশ্ৰনৰ ফলতে অসমীয়াৰ চেহেৰা আন আন ভাৰতীয় জাতিৰ পৰা পৃথক হৈ আছে। ভাবি চাব—আহোম শব্দ 'দেও' আৰু সুদূৰ আৰবী ভাষাৰ শব্দ 'বাই' গোটখাই অসমীয়া 'বাইদেউ' হ'ল। সেইদৰেই আৰবী 'বলিগা', 'বতুৱা' অসমীয়া 'বলিয়া', 'বতুৱা' (ঘোঁৰা) হৈছে। ("অসমীয়া আৰবী ফাইললজী",) চেতনা, ভাদ, ১ম বছৰ, ৪৪৭ শকাব্দ, চাওক।) আকৌ ওপৰত কোৱা পৃষ্ঠাতে ৺ হেমচন্দ্ৰ বৰুৱাই কৈছে—"কোনো কোনো অসমীয়া লেখকৰ মতে শ, ষ বা স বে লিখা হিন্দী বা বঙ্গালী, ৪ থকা ইংৰাজী বা "চিন" আখৰ থকা ফাৰ্চী শব্দ অসমীয়াত লিখোঁতে সেই কেইটা আখৰৰ সলনি ছ লিখা বিহিত; কিন্তু এইটো মত যুক্তিসঙ্গত নহয়, কিয়নো ওপৰত কোৱা হৈছে যে আমাৰ ভাষাত চ, ছ, দুইৰো একে উচ্চাৰণ, একো প্ৰভেদ নাই; এনে স্থলত "চ" ক এৰি ছ লিখিবৰ একো কাৰণ দেখা নাযায়। কেৱল মছলমান শব্দ এই নিয়মৰ বাহ্; **কাৰণ শিক্ষিত বঙ্গালী মছলমা-নেও মুছলমান লিখে।"** ইয়াৰ বিচাৰ কৰিবলৈ হ'লে এবাৰ পুৰণি সাহিত্যৰ ফালে চকু দিয়ক। শ্ৰীশঙ্কৰ, মাধৱদেৱ, শ্ৰীধৰকন্দলি আদি মহাপুৰুষসকলৰ সাহিত্যত মৈথিলী, ব্ৰজবুলী, বঙ্গালী আৰু ফাৰ্চী শব্দ অনেক পোৱা যায়। কিন্তু সেইবিলাক শব্দৰ মূল সলনি হোৱা নাই। মহাৰাজ নৰনাৰায়ণৰ ৰাজকবি ৺ভূষণ দ্বিজ কবি ৰচিত "৺শঙ্কৰদেৱ"ৰ ৭৮ পৃষ্ঠাত—"**সণ্টৰা** বিলাইতে নদী-তীৰে ৰহিলন্ত" আৰু সেই পৃষ্ঠাতে পাব "**বাথৰুৱা** আঙ্গঠিক দেখন্তে হৰিষ" থকা এই দুশাৰী পদৰ **সণ্টৰা** আৰু **বাথৰুৱা** শব্দ দুটাৰ ফালে লক্ষ্য কৰক। সণ্টৰা মানে সুমথিৰা টেঙ্গা। এইটো হিন্দী শব্দ। ইয়াৰ হিন্দী উচ্চাৰণ Santra. চণ্টৰা বা ছণ্টৰা নিলিখি মূলৰ দৰেই সণ্টৰা লিখাৰ কাৰণ কি? আকৌ সেই পৃষ্ঠাতে পাব "পাট কৌটা পিন্ধি তৈল **ঘঁসিয়া** গাৱত।" ঘঁসিয়াৰ ঠাইত অসমীয়া ঘঁহিয়া নকৰিলে কিয়? ইফালে '**বাথৰুৱা**, শব্দটোও নিভাঁজ অসমীয়া দেখোন। ইয়াৰ উত্তৰ ৺হেমচন্দ্ৰ বৰুৱাৰ নিজৰ কথাৰেই দিবলৈ গলে ক'ব লাগিব "**অপভ্ৰংশ শব্দ যে তাৰ মূলৰ নিয়মৰ বিৰুদ্ধ, তাক ক'বৰ সকাম নাই।"** ((॥৴০ পৃষ্ঠা) আমি আগৰ প্ৰবন্ধটো কৈছিলোঁ যে অপভ্ৰংশৰ দোষটোৱেই সাহিত্যত জাতীয়ত্ব আনিব নোৱাৰে; নাইবা বঙ্গালীৰ পৰা আমাৰ নিজত্ব ৰক্ষা কৰিবলৈ ও কোনো অস্ত্ৰ নহয়। এটা ভাষাক আন এটা ভাষাৰ লগত বিজাই চাবলৈ হলে প্ৰধান বস্তু দুটা। এটা হৈছে কোন ভাষাৰ ব্যাকৰণৰ নিয়মবিলাক কেনেকুৱা ( যাক ইংৰাজীত Morphology বোলে ) আৰু আনটো ঐতিহাসিক সম্বন্ধ ( যাক ইংৰাজীত Geneological Study বোলে ); এইবিলাকৰ বিষয়ে বহল আলোচনা আমি পাচে কৰিম। কিন্তু এতিয়া আমাৰ ক'ব লগীয়া হৈছে বৰ্ণবিন্যাসৰ বিভ্ৰাটৰ বিষয়েহে।

আমাৰ মনেৰে অসমীয়া ভাষাৰ এই বেমেজালি গুচাবলৈ হলে সকলো লেখক লেখিকাই একমত হ'ব লাগিব। সকলোৱে হেম-কোষ অনুসৰণ কৰি চলাই মঙ্গল। শৃঙ্খলাবদ্ধ কৰি অসমীয়া ভাষা উন্নত কৰিবলৈ হলে শব্দমালাক দুটি ভাগত ভগাই লোৱা উচিত। প্ৰথম ভাগত চলিত শব্দ যেনেকৈ আছে তেনেকৈয়ে লোৱা হওক আৰু দ্বিতীয় ভাগত যিবিলাক নতুন শব্দ সোমাইছে সেইবোৰৰ মূল আৰু উচ্চাৰণ লক্ষ্য কৰি কেনে দৰে লিখা উচিত তাক স্থিৰ কৰা হওক। শ্ৰদ্ধাস্পদ শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী ডাঙৰীয়াই যি এটি স্বাধীন পথ উলিয়াই অসমীয়া ভাষাত তেখেতৰ এটা নিজা ৰীতি বান্ধিছে তাৰ পৰা যদি সঁচাকৈয়ে আমাৰ কিবা উপকাৰ হয় সি বৰ সন্তোষৰ বিষয়; কিন্তু যদিহে সি কেৱল এটা বেমেজালি ঘটায় তেন্তে তাৰ প্ৰতিকাৰ কৰা উচিত।

( ক্ৰমশঃ )

শ্ৰীআনন্দচন্দ্ৰ বৰুৱা।

* এই সন্মিলন ১৮৫২ শকৰ ৭ বহাগত ( ইং ১৯৩০ চনৰ ২০ এপ্ৰিলত ) মহা সমাৰোহেৰে উত্তৰ লক্ষীমপুৰ নগৰত হৈছিল।—সম্পাদক, উত্তৰ লক্ষীমপুৰ সাহিত্য সন্মিলন।

# ছাত্ৰী বনাব অভিভাবক।

## জ্ঞান-বিবেকৰ আদালত
## মোকাম টেঙাবাৰী—

বাদিনী—

টেঙাবাৰী বালিকা-মকতবৰ * ছাত্ৰীবৃন্দ।

বিবাদী—

বঃ

বেজুইনআলি মেম্বৰ প্ৰভৃতি মুছলমান ৰাইজ।

দাবী—লিখাপঢ়া কৰিবলৈ
বাদিনীইতৰ স্বত্ব থকা
সাব্যস্ত ক্ৰমে প্ৰাৰ্থনা
অনুযায়ী-ডিক্ৰী পোৱাৰ
গোচৰ—

### আৰ্জ্জি ঃ—

বাদিনীইতৰ নিবেদন এই যে :—

১। বাদিনীইত এই আদালতৰ এলাকাধীন টেঙাবাৰী মকতবৰ ছাত্ৰী হয়।

২। টেঙাবাৰী গাঁৱত মকতব মাদ্ৰাছা আজি বহু বছৰৰ পৰা চলি আহিছে; কিন্তু নিকপ-কপীয়া বান্ধ নথকা বালিৰ বান্ধে ইয়াক বিপদৰ আক্ৰমণৰ পৰা ভেটা দি ৰাখিব নোৱাৰা গতিকে মকতবখন আজিলৈকে ঠন ধৰি উঠি মনোমোহা হৈ উঠিব পৰা নাই।

৩। বুঢ়াদলক কাতি কৰি ডেকাদলে এই মকতবৰ ভাৰ ১৯২১ চনৰ পৰা লোৱাত ই সুবিধা ৰকমে চলিছিল যঁচা, কিন্তু যেতিয়া তেওঁলোকেও অৰ্থাভাৱত ইয়াক চলাবলৈ অসমৰ্থ হল, তেতিয়া স্থানীয় লোকেল বোৰ্ডক সহায় খুজি প্ৰাৰ্থনা কৰাত 'বালিকা মকতব হলে সাহায্য কৰিব পাৰি; বালক মকতব সেই ঠাইত হব নোৱাৰে" বুলি উত্তৰ পাই বিবাদীইতে বালক-মকতবৰ পৰিবৰ্ত্তে বালিকা-মকতব পাতিছে।

৪। টানত পৰি আমালোকৰ নামে মকতবৰ নাম পৰিবৰ্ত্তন কৰাত আমি লপুত্ব অনুভব কৰিছোঁ।

৫। এনেকুৱা অৱস্থাত যদিও মকতবৰ আমাৰ নামে নাম পৰিবৰ্ত্তন কৰি লৈছে তথাপি প্ৰকৃততে তেনে কাম হৈ উঠা নাই। আৰু তেওঁলোকে (বিবাদীইতে) আমাক বিদ্যা-শিক্ষা দিয়াতো কৰ্ত্তব্যৰ ভিতৰত ঠাই দিয়া নাই।

৬। বিশ্ব-পতি পাকৰবে † তেওঁৰ হেবানামাত (দান-পত্ৰত অৰ্থাৎ কোৰাণ-মজিদত) মতাৰ সমান মাইকীকো অধিকাৰ দিছে। আইনমতে প্ৰত্যেক মুছলমান নৰ-নাৰীয়ে বিদ্যা শিকা ফৰজ (অৱশ্য কৰ্ত্তব্য)। পুৰুষসকলে কেৱল নৰাক বিদ্যা শিকাই আমাক তাৰ পৰা বঞ্চিত কৰি আইন অৱজ্ঞাৰ লগে লগে আমালোকৰ প্ৰতি মহৎ অন্যায় কৰিছে।

৭। এই মকতবৰ বাবে টেঙাবাৰীৰ বয়োবৃদ্ধ পৰহেজগাৰ (ভাল কাজত লিপ্ত থকা) বয়াছেখ চাহাবে নিজ খুচিতে এবিঘা মাটি ৰেজেষ্টৰী দলিলক্ৰমে দান কৰি দখল দিছিল; এতিয়া কিছুমান দুষ্টবুদ্ধি মানুহৰ কুপৰামৰ্শমতে তেওঁৰ পুতেকে সেই মাটিৰ দখলত ব্যাঘাত জন্মাইছে; আৰু তেওঁ এতিয়া নিজে দখল কৰিবলৈ ধৰিছে। এই মাটি মকতবৰ আৰু মকতবে পাব লাগে।

৮। মতাই মাইকীক বিনা কাৰণে জুলুম কৰে। তেওঁলোকৰ বহুতে ফৰজৰ খবৰ নাৰাখে; অথচ ছুন্নত ‡ পালিবলৈ গৈ ৪ জনী তিৰোতা বিয়া কৰাই তিৰোতা কেইজনীৰ লগে লগে সন্তানবোৰৰো আলৈ-আথানীৰ সীমা নোহোৱা কৰে আৰু তাৰ প্ৰতিফলত আমালোকৰ বহুতে স্কুলত পঢ়িব নোৱাৰে। মানব-জাতিৰ মঙ্গলৰ হেতু এই অভিযোগটিও প্ৰতিকাৰৰ বাবে আৰ্জ্জিভুক্ত কৰা হল।

৯। মাটিৰ খাজানাৰ ৫ পাঁচ গুণ ৫।৴০ অনাৰ বছুম ৮০ আৰু ঘোষণামূলক দাবীৰ বাবে বছুম ১০৲ টকা একুনে ১০৸০ অনাৰ কোৰ্ট-ফি দিয়া হল।

নালিচৰ কাৰণ এই আদালতৰ এলাকাধীন টেঙাবাৰী গাঁৱৰ চান্দা-দাতাসকলে চান্দা দিম দিম বুলি আদায় নকৰা প্ৰত্যেক তাৰিখৰ পৰা উদ্ভৱ হৈছে।

১০। দেৱানী কাৰ্য্য-বিধিৰ ১ হুকুমৰ ৮ ৰুলমতে সৰ্ব্ব-সাধাৰণৰ ওপৰত নোটিচ জাৰি কৰাৰ দৰকাৰ; আৰু তাৰ বাবে বাদিনীইতে প্ৰাৰ্থনা কৰে।

এতেকে প্ৰাৰ্থনা এই যে :—

(ক) বিদ্যা-শিক্ষা কৰিবলৈ আমালোকৰ সম্পূৰ্ণ স্বত্ব থকা সাব্যস্ত কৰিব লাগে।

(খ) আমাক লৰাইতৰ দৰে স্কুল লাইব্ৰেৰী তৈয়াৰ কৰি দি পঢ়াবলৈ আৰু চান্দা আদিৰ দ্বাৰা সেইবোৰ চলাবলৈ বিবাদীইত বাধ্য বুলি ঘোষণা হব লাগে।

(গ) মকতবৰ নামে দান কৰা মাটিত মকতবৰ স্বত্ব সাব্যস্ত ক্ৰমে দখল ডিক্ৰী দিব লাগে।

(ঘ) পবিত্ৰ কোৰাণমতে যি অৱস্থাত ৪ জনী তিৰোতা বিয়া কৰাবলৈ হুকুম দিছে সেই অৱস্থাত নপৰালৈকে কোনো পুৰুষে একাধিক স্ত্ৰী গ্ৰহণ কৰিব নোৱাৰে বুলি ঘোষণা হ'ব লাগে।

(ঙ) এই মকৰ্দ্দমাৰ খৰচ আৰু বাদিনীইতে আন আন যি প্ৰতিকাৰ পাব পাৰে তাকো বিবাদীইতৰ ওপৰত ডিক্ৰী পাব লাগে।

সত্যপাঠ—

এই আৰ্জ্জিত লেখা সকলো কথা মোৰ জ্ঞান বিশ্বাস মতে সত্য; আজি টেঙাবাৰী মোকামত থাকি এই সত্যপাঠত দস্তখত দিলোঁ। ইতি—৬।১২।৩০

মঃ দোৱাকুৰ খাতুন
স্বয়ং আৰু টেঙাবাৰী বালিকা
মকতবৰ ছাত্ৰীবৃন্দ তৰফে।

বেজুইন আলি,
কাজিম কাৰক—
আলিমোল মহম্ম
বিবাদীইতৰ উকিল।

### প্ৰতিবাদীৰ বৰ্ণনা—

১। বাদিনীইতৰ মকৰ্দ্দমা চক্ৰান্ত-মূলক। বিবাদীইতক জুলুম কৰিবৰ নিমিত্তে পৰৰ উচটনিত বাদিনীইতে এই মকৰ্দ্দমা বিবাদীইতৰ ওপৰত দাখিল কৰিছে।

২। আৰ্জ্জিৰ ১, ২, ৩, ৬ দফাৰ উক্তি সত্য বুলি বিবাদীইতে স্বীকাৰ কৰে।

৩। আৰ্জ্জিৰ ৪ দফাৰ উক্তি সত্য নহয়। প্ৰকৃত কথা এই বাদিনীইতে অলপ আৰবী শিকি আলিম-ফাজিল (শিক্ষিত-অশিক্ষিত) পীৰ-মুৰছিদৰ (গুৰু-শিষ্য) কদৰ (মূল্য বা গুণ) বুজিবলৈ এই মকতব বিবাদীইতে বহু চেষ্টা কৰি খুলি দিছে; বিবাদীইত নিতান্ত গৰীব, সেই গতিকে মকতবৰ খৰচ-বহন কৰিবলৈ অসমৰ্থ হোৱাত, অসমীয়া নিশিকালে লোকেল বোৰ্ডে সাহায্য নকৰে দেখি কিছুমান ছোৱালীক অসমীয়া পঢ়িবলৈ দিছে। দীনি-ইলিমৰ (ধৰ্ম্ম-বিদ্যা) আগত অসমীয়া বা অইন বিদ্যাক বিবাদীইতে উপযোগী বুলি বিবেচনা নকৰে।

৪। আৰ্জ্জিৰ ৫ দফাৰ উক্তি বিবাদীইতে সম্পূৰ্ণ স্বীকাৰ নকৰে। ভাৰতবৰ্ষ হৈছে হিন্দু-স্থান অৰ্থাৎ হিন্দুৰ ঠাই। ইয়াত আবৰুৰ (মান-সন্মান বজাই ৰাখি) লগত ছোৱালীবিলাকে পঢ়িবলৈ যাব নোৱাৰে। এনেকুৱা অৱস্থাত হিন্দু বা অন্যান্য

* মকতব—ইছলামী ধৰণে শিক্ষা দিয়া নিম্ন প্ৰাইমাৰী স্কুল।
† পাক = পবিত্ৰ; ৰব = পালনকৰ্ত্তা; ঈশ্বৰৰ আখ্যা।
‡ ছুন্নত = যিবোৰ মহাপয়গম্বৰ হজৰত মোহাম্মদে নিজে কৰিছে আৰু কৰিবলৈ আদেশ দিছে সেইবোৰকে ছুন্নত বোলে।

ধৰ্ম্মাৱলম্বীয়ে ছোৱালীবিলাকক দেখিলে এই দোষৰ বাবে ইহঁতৰ মৃত্যুৰ পিচত ইহঁতক কবৰত জুইৰ শিকলিৰে হাত-ভৰি বান্ধি জুইত পুৰি জুইৰ গুৰ্জ্জ বেৰে (বাগ-টাণ্ডোন) অধালি-পথালিকৈ কোবাই মহাশাস্তি দিব আৰু ছোৱালীবোৰে দোজোখত ( নৰকত ) চিৰকাল কষ্ট ভুগিব। বিদ্যা-শিক্ষাৰ অজুহাতত বেচেৰীহঁতক ইমান বিপদজনক জাহান্নামত পেলাবলৈ বিবাদীহঁত সম্পূৰ্ণ অপাৰগ। কমৰ চুলতানে এই মুলুক জয় কৰি দখল কৰিলে এইবোৰ সমস্যাৰ আপোনাআপুনি সমাধান হ'ব।

৫। তিৰোতা জাতি দুৰ্ব্বল। তেওঁলোকে বাহিৰত ওলাই নিজে কাম-কাজ কৰি খাব নোৱাৰে; সেই নিমিত্তে তেওঁলোকৰ আশ্ৰয়ৰ সম্পূৰ্ণ দৰকাৰ। ৪ জনী তিৰুতা এজন পুৰুষে বিয়া কৰাৰ পৰা কথাটো আজিৰ নতুন নহয়। ইয়াত আমাৰ চিৰ দখল আছে ( adverse possession ); ছোৱালীবোৰে লিখা-পঢ়া নিশিকোঁতেই আমাৰ ওপৰত অভিযোগ আনিছে; শিক্ষা পালে নিশ্চয় আমাক নাকত ধৰি ঘূৰাই লৈ ফুৰাব। এইটো সম্পূৰ্ণ সত্য কথা যে, খোদাৰ বিনা হুকুমে গছৰ পাত নলৰে; এনেস্থলত কপালত নাথাকিলে আমি চাৰি জনী তিৰোতা ইচ্ছা কৰি বিয়া কৰোৱা কথাটো শুনতে আচৰিত! সেই হেতুকে বাদিনী-হঁতে এই বিষয়ে একো প্ৰতিকাৰ পাব নোৱাৰে। বিশেষতঃ এই মকৰ্দ্দমাত এই প্ৰাৰ্থনাৰ ঠাই দিয়া উচিত হোৱা নাই। জন-সংখ্যা-বৃদ্ধিৰ বহু-বিবাহ এটা উচ্চ উপায় বুলি বিবাদীহঁতে প্ৰত্যয় কৰে।

৬। বাদিনীহঁতৰ দাবী তামাদি হৈছে।

৭। বিবাদীহঁতে খুচিৰ ওপৰত মক্তব চলাইছে আৰু খুচিতে বাদিনীহঁতক পঢ়াশালিলৈ পঠাইছে; এই বিষয়ে বিবাদীহঁতক কোনেও কেতিয়াও বাধা কৰিব নোৱাৰে।

এই বৰ্ণনাত স্পষ্ট স্বীকাৰ কৰা উক্তিৰ বাদে বাকীবোৰ বিবাদীহঁতে অস্বীকাৰ কৰে আৰু বাদিনীহঁতে সেইবোৰ প্ৰমাণ কৰিবলৈ বাধ্য।

এতেকে প্ৰাৰ্থনা বাদিনীহঁতৰ অযথা অমূলক আখেজমূলক মকৰ্দ্দমা খৰচা সহ ডিচমিচ হব লাগে। ইতি—

সত্যপাঠ—

এই বৰ্ণনাত লিখা সকলো কথা আমাৰ জ্ঞান-বিশ্বাসমতে সত্য আৰু আজি টেঙাবাৰী মোকামত থাকি এই সত্যপাঠত দস্তখত দিলোঁ। ইতি

১০।১২।৩০

বেতুইন আলি

স্বয়ং আৰু সমূহ মুছলমানৰ তৰফে।

## বিচাৰ্য্য বিষয়

১। লিখা-পঢ়া কৰিবলৈ বাদিনীহঁতৰ স্বত্ব আছেনে নাই?

২। মক্তব মাদ্ৰাছা লাইব্ৰেৰী আৰু মকতবৰ বাবে দান কৰা মাটি বাদিনীহঁতে পাব পাৰেনে নোৱাৰে?

৩। বিবাদীহঁতে বাজে অজুহাতত চাৰিজনীলৈকে তিৰোতা বিবাহ কৰিব পাৰে নে নোৱাৰে?

৪। বাদিনীহঁতৰ দাবী তামাদি হৈছেনে নাই?

৫। বাদিনীহঁতে আন কি কি প্ৰতিকাৰ পাব পাৰে?

আবুল ইজ্জত মোহাম্মদ

আক্কেল ইৱান হৰমত আলি,

বিচাৰক।

---

## হুকুম—

---

বাদিনীহঁতৰ দাবী এই যে,—তেওঁলোকৰ বিদ্যা-শিক্ষাত পুৰুষৰ সমান অধিকাৰ আছে; তেওঁলোকক বিবাদীহঁতে লৰাৰ দৰে স্কুল-লাইব্ৰেৰী আদি পাতি দি শিক্ষা-লাভৰ সুবিধা কৰি দিব লাগে; পুৰুষে বাজে অজুহাতত বহু স্ত্ৰী বিবাহ কৰাব নোৱাৰে; ৱয়াছেখে দান কৰা মাটি তেওঁলোকে পাব লাগে ইত্যাদি। বিবাদীহঁতে তেওঁলোকৰ দাবী সম্পূৰ্ণ অস্বীকাৰ নকৰে, কিন্তু কয় যে ভাৰতবৰ্ষ হিন্দু আদি নানা জাতিৰ মানুহৰ বাসস্থান; ইয়াত ছোৱালীক পঢ়াবলৈ সুবিধাজনক নহয়; বেপৰ্দ্দা অবস্থাত থাকিব লগা হলে, অইন মানুহে দেখিলে, বেচেৰীহঁতে দোজোখত মহাশাস্তি পাব; অনাহকতে বিবাদীহঁতে এনেকুৱা অন্যায়জনক কাম কৰিব নোৱাৰে; কমৰ চুলতানে হেনো এই ঠাই দখল কৰিলে এইবোৰ সমস্যাৰ আপোনা-আপুনি সমাধান হব। তেওঁলোকৰ মতেৰে বহু-বিবাহ দূষণীয় নহয় আৰু এই ৰীতি বহুদিনৰ পৰা চলি আহিছে আৰু বাদিনীহঁতৰ দাবী তামাদি হৈছে।

এই মকদ্দমা বিচাৰৰ বাবে এই কেইটা "বিচাৰ্য্য বিষয়" নিৰ্দ্ধাৰিত হৈছে :—

(১) লিখা-পঢ়া কৰিবলৈ বাদিনীহঁতৰ স্বত্ব আছেনে নাই?

(২) মকতব-মাদ্ৰাছা-লাইব্ৰেৰী ও মকতবৰ বাবে দান কৰা মাটি বাদিনীহঁতে পাব পাৰেনে নোৱাৰে?

(৩) বিবাদীহঁতে বাজে অজুহাতত চাৰিজনীলৈকে তিৰোতা বিবাহ কৰিব পাৰেনে নোৱাৰে?

(৪) বাদিনীহঁতৰ দাবী তামাদি হৈছেনে নাই।

(৫) বাদিনীহঁতে আন কি কি প্ৰতিকাৰ পাব পাৰে?

### ১নং বিঃ বিঃ—

আমি এতিয়া প্ৰথমে ১নং বিচাৰ্য্য বিষয় সম্বন্ধে আলোচনা কৰিম; আৰু এই বিচাৰ্য্য বিষয়টি আলোচনা কৰিলেহে সমুদায় কথা ওলাই পৰিব।

জেৰানামা ( প্ৰমাণিত দলিল ১নং ) ও প্ৰঃ দঃ ২ (ক)—( বিদ্যা-শিক্ষা কৰা প্ৰত্যেক মুছলমান নৰ-নাৰীৰ ওপৰত ফৰজ ) ও প্ৰঃ দঃ ২ (খ)—( বিদ্যা-শিক্ষা কৰিবলৈ চীনদেশলৈকে যাবা ) মতে সুন্দৰ ৰকমে প্ৰমাণিত হৈছে যে বাদিনীহঁতৰ বিদ্যা শিকিবলৈ সম্পূৰ্ণ স্বত্ব আৰু পুৰুষৰ লগতে সমান অধিকাৰ আছে।

বিদ্যা-শিক্ষা কৰিলে মানুহৰ মনৰ অন্ধতা দূৰ হয়, খোদাক চিনিব পাৰে, হিতা-হিত জ্ঞান বৃদ্ধি হয়" আৰু অন্যায় কাজত আগ বাঢ়িবলৈ বিবেকে বাধা দিয়ে। ওই এজন বিদ্বানে ( বিবাদীহঁতৰ বিজ্ঞ উকীলৰ মতে ) অন্যায় কাজ কৰি থাকিলেও তাৰ দ্বাৰা মানুহৰ প্ৰকৃতিৰহে হেয়তা প্ৰকাশ হয়, কিন্তু বিদ্যাক কোনোমতেই কলুষিত কৰিব নোৱাৰে। এই হেতুকে এই বিচাৰ্য্য বিষয়টি বাদিনীহঁতৰ সপক্ষে মীমাংসা কৰা হল।

### ৩।৫নং বিঃ বিঃ—

বিবাদীহঁতৰ কেইজনমানক জেৰা কৰাত স্বীকাৰ কৰিছে যে তেওঁলোকৰ কিছুমানে পশু-প্ৰবৃত্তি চৰিতাৰ্থ কৰিবলৈ গৈ একাধিক তিৰোতা গ্ৰহণ কৰিবলৈ বাধ্য হৈছে আৰু তেওঁলোকৰ কিছুমানে মাতব্বৰি (ক্ষমতাপন্ন) বুজাবলৈকো বহু-বিবাহ কৰিছে; বৰ্ত্তমানে তেওঁলোকৰ জীৱন কণ্টকময়। তিৰী-মুনিহ, সতিনী, সতিনীৰ সন্তানবোৰৰ ভিতৰত প্ৰায় সদায় হাঁয়-কাজিয়া, মাৰ-পিত চলিবলৈ ধৰিছে। সতিনীহঁতৰ পৰস্পৰৰ জেদত ভাল ভাল লৰা-ছোৱালীয়ে পঢ়িবলৈ আগ বাঢ়িব নোৱাৰাত পৰিছে। বিবাদীহঁতৰ বিজ্ঞ উকীলে প্ৰমাণত ও তৰ্কত দেখুৱাইছে যে ভাৰতবৰ্ষত মুছলমানৰ সংখ্যা অতি কম। বহু-বিবাহ কৰি সংখ্যা-বৃদ্ধি নকৰিলে ৰাজনীতিক্ষেত্ৰত ঠগ খাব লাগিব; তদুপৰি বহু-বিবাহৰ ফলত হোৱা সন্তানৰ ভিতৰত যদি কোনো এজন আল্লাৰ আউলীয়া ( সিদ্ধ পুৰুষ ) হৈ যায় তেন্তে মাক বাপেক সাত পোস্তানক আল্লা তায়ালাই ( মহৎ ) কি বেহেস্তত ( স্বৰ্গ ) ঠাই নিদিব?

বিবাদীৰ বিজ্ঞ উকীলে আদালতক পুনঃ পুনঃ সতৰ্ক কৰি দিছে যে, এই বহু-বিবাহ প্ৰথাত—পুৰুষবোৰে ন্যায়মতেই কৰক অথবা অন্যায়মতেই

কৰক—বিবাদীহঁতৰ বহুদিনৰ দখল আছে আৰু বাদিনীহঁতৰ দাবী তামাদি হৈছে, গতিকে এই বিষয়ে তেওঁলোকে একো প্ৰতিকাৰ পাব নোৱাৰে আৰু সেইগুণে মকৰ্দ্দমা এই বিষয়ে ডিচমিচ হব লাগে।

বিবাদীহঁতৰ বিজ্ঞ উকীলৰ মতত এই আদালতে হয়-ভৰ দিব নোৱাৰাৰ কাৰণ :—

(ক) সংখ্যা বৃদ্ধি হবলৈ আৰু নৰবেছ (খাচি) পাবৰ আশাৰে সুখ-আলয়ত অসুখ অশান্তি সৃষ্টি কৰিবলৈ ন্যায় আৰু ধৰ্ম্মৰ ব্যৱস্থাই সহায় নকৰে।

(খ) বহু-বিবাহ ইছলামৰে বিধান ; কিন্তু তাৰ সদ্ব্যৱহাৰৰ ঠাইত অসদ্ব্যৱহাৰ হোৱাতহে বাদিনীহঁতে আপত্তি তুলিছে। "শক্তি অনুসাৰে ভক্তি কৰা" স্বত্ব কেৱে উৰাই দিবলৈ সাহস কৰিব নোৱাৰে। ১নং প্ৰঃ দঃ ৰ ( কেৰানামা অৰ্থাৎ পবিত্ৰ কোৰাণৰ ) ছুৰা নেছাৰ ৩ আয়াতত উল্লেখ কৰা আছে "আৰু যদি তোমাৰ ভয় হয় যে এতিমৰ ( মাউৰাৰ ) হক বজায় ৰাখিব নোৱাৰিবাঁ, তেনেহলে অইন যি যি তিৰোতা তোমাৰ পছন্দ হয় তাকে বিয়া কৰাবাঁ—দুই, তিনি বা চাৰিজনী ; আৰু যদি তোমাৰ ভয় হয় যে, সমান ইনছাফ ( বিচাৰ—তিৰোতা কেইজনীৰ সম্বন্ধে ) কৰিব নোৱাৰিবাঁ তেন্তে এজনীতে সদায় সন্তুষ্ট থাকিবা।"

ইয়াতকৈ আৰু খোলোছা কি লাগে আমি কব নোৱাৰোঁ। বাদিনীহঁতৰ ১নং সাক্ষীয়ে কৈছে যে তেওঁ মতা সুখে সংসাৰ চলাইছে।

২।৩ নং সাক্ষীসকলে কৈছে যে তেওঁলোক বিধৱা হৈহে কিছুদূৰ বক্ষা পৰিছে ;—কিন্তু ধন সম্পত্তি লৈ এতিয়াও হাই-কাজিয়াৰ অন্ত হোৱাই নাই। ৪নং সাক্ষীয়ে কৈছে যে তেওঁৰ জীৱনত সুখ কাক বোলে আজিলৈকে কবই পৰা নাই। (১নং সাক্ষী তেওঁৰ স্বামীৰ একমাত্ৰ স্ত্ৰী ; ২নং সাক্ষীৰ এজনী সতিনীয়েক, ৩নং সাক্ষীৰ দুজনী আৰু ৪ নং সাক্ষীৰ তিনি জনী সতিনীয়েক আছে)। এইবিলাক সাক্ষীক অবিশ্বাস কৰিবৰ কোনো কাৰণ নাই ; আৰু বিবাদী পক্ষেও এওঁলোকৰ লগত কোনো প্ৰকাৰৰ আখেজমূলক কথা থকা বুলি জনাব পৰা নাই ; বৰং তেওঁলোকৰ সাক্ষীয়েও জেৰাত এইবোৰ কথা সঁচা বুলি স্বীকাৰ কৰি গৈছে।

১নং প্ৰঃ দঃ হেৰানামা দাতাজন **চিৰঞ্জীৱ পৰম দয়ালু**—ভুলক্ৰমে কেৱে তেওঁৰ পবিত্ৰ হেৰানামাৰ কোনো স্বত্ব ভঙ্গ কৰি থাকিলেও অনুতপ্ত দিলেৰে পুনঃ অন্যায় কাম নকৰোঁ বুলি প্ৰতিজ্ঞা কৰিলে তেওঁ তৎক্ষণাত মাফ কৰি দিয়ে। এইক্ষেত্ৰত, দেখা যায়, বিবাদীহঁতে সম্পূৰ্ণ ভুলৰ বশবৰ্ত্তী হৈ অন্যায় অধিকাৰ কৰি আছে। বাদিনীহঁতৰ দাবী তামাদি হোৱা নাই আৰু এই দাবী সমূহ মানব জাতিৰ মঙ্গলজনক ; এই অভিযোগ আৰ্জ্জিভুক্ত কৰি ভুল কৰা নাই আৰু আৰ্জ্জিও এই দোষে দূষিত হোৱা নাই।

বাদিনীপক্ষৰ বিজ্ঞ উকীলে 'ৰহিমা খাতুন বনাম জাহাবাজ খাঁ'ৰ মকৰ্দ্দমাত কাজিউল কাজ্জাতৰ ( হাইকোৰ্টৰ প্ৰধান বিচাৰপতি ) হুকুমৰ নজিৰ দিছে ; তাত আছে :—

"এক তিৰীয়া নুতুৰ পুতুৰ,
দুই তিৰীয়া গাজৰ ইন্দুৰ,
তিন তিৰীয়াই নাপায় ভাত ;
চাৰি তিৰীয়াৰ কপালে হাত।"

এই কথাটি দলিয়াই পেলাব লগীয়া নহয় ; এই মকৰ্দ্দমাতো আমি তেনে ধৰণৰ সাক্ষ্য পাইছোঁ। ইত্যাদি কাৰণে এই বিচাৰ্য্য বিষয় কেইটি বিবাদীহঁতৰ বিৰুদ্ধে মীমাংসা কৰা হ'ল।

**২নং বিঃ বিঃ** ঃ—বিবাদীহঁতে নৰাইহঁতক পঢ়াইছে ; ছোৱালীহঁতক নানা বাজে অজুহাতত পঢ়াবলৈ হেচোঁ-নেচোঁ কৰিছে। উপৰোক্ত ( ১নং বিঃ বিঃৰ আলোচনা ) কাৰণদৃষ্টে কোনো ন্যায় বিচাৰকৰ আদালতে ছোৱালীবোৰৰ বিদ্যা শিকিবলৈ স্বত্ব নাই বুলি কব নোৱাৰে। বিবাদীহঁত বহুত



ৰকমৰ অনৰ্থক বেহুদা খৰচত লিপ্ত থকা প্ৰমাণ হৈছে। তেওঁলোকে এই দায়ীত্বৰ পৰা কোনো ৰকমে ৰেহায় পাব নোৱাৰে আৰু তেওঁলোকে মকতব মাদ্ৰাছা আদি পাতি ছোৱালীৰ শিক্ষাৰ সুবিধা কৰি দিবলৈ বাধ্য।

বাদী, বিবাদী ও উভয় পক্ষই সাক্ষীৰ জবানবন্দি আৰু প্ৰমাণিত দলিল আদিৰ পৰা মকতবৰ নামে দান কৰা মাটিডোখৰ সম্বন্ধে যি প্ৰমাণ পোৱা হল তাত কিছুমান দুষ্ট বুদ্ধিৰ মানুহৰ হাত থকা যেন অনুমান হৈছে ; মোটৰ ওপৰত মাটিডোখৰ দান কৰি এতিয়া গণ্ডগোল লগোৱা কাজটি বৰ গৰিহণাৰ বিষয়। এইবোৰ কাৰণত এই বিচাৰ্য্য বিষয়ত বিবাদীহঁতৰ বিৰুদ্ধে ৰায় দিয়া হ'ল।

মকৰ্দ্দমাৰ গোটেইবোৰ কথা ওজন কৰি চাই এই আদালত এই মীমাংসাত উপনীত হল যে বাদিনীহঁতৰ দাবী সত্য আৰু ন্যায়-সঙ্গত ; কাজেই বাদিনীহঁতৰ প্ৰাৰ্থনা অনুযায়ী মায় আদালত খৰচা মোকৰ্দ্দমা ডিক্ৰী দিয়া হ'ল। বিবাদী বয়াছেখে মাটিৰ দখল দিব আৰু সকলো বিবাদীয়ে চান্দা তুলি মকতব চলাব। ছোৱালীবোৰৰ এতিয়াও লাইব্ৰেৰীৰ দৰকাৰ হোৱা নাই—সেইগতিকে বৰ্ত্তমান অৱস্থাত বিবাদীহঁতে লাইব্ৰেৰী পাতি খৰচান্ত হব নালাগে।

আবুল ইজ্জত মোহাম্মদ
আক্কেল ইবান হৰমত আলি,
বিচাৰক। ২৬।১২।৩০।

যোৰহাট
১৫।৫।৩১
চান্দমোহাম্মদ চৌধুৰী,
( কামৰূপী )।

---

## চন্দ্ৰকান্ত সন্দিকৈ হলত ৺শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভুৰ চিত্ৰপটৰ আৱৰণ-উন্মোচন উপলক্ষ্যে প্ৰধান সম্পাদকৰ নিবেদন।

পৰম ভক্তিভাজন প্ৰভু আৰু উপস্থিত ভদ্ৰমণ্ডলী,

আপোনাসকলৰ ওচৰত ৺দক্ষিণপাট সত্ৰৰ ভূতপূৰ্ব্ব অধিকাৰ পূজ্যপাদ ৺শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভুৰ চিনাকি দিয়াৰ একো আৱশ্যক নাই। তেখেত যে এজন অতিশয় বিদ্যোৎসাহী মহাপুৰুষ আছিল, তাৰ শেষ দৃষ্টান্ত আসাম সাহিত্য-সভাক দিয়া ৫,০০০৲ পাঁচ হেজাৰ টকাৰ দানেই জ্বলন্তৰূপে প্ৰমাণ কৰিছে। এখেতে ১৮৫১ খৃষ্টাব্দত জন্ম গ্ৰহণ কৰিছিল আৰু ১৯২৬ খৃষ্টাব্দত ৭৫ বছৰ বয়সত স্বৰ্গী হৈছিল। এখেত ৺দক্ষিণপাট সত্ৰৰ দ্বাদশ অধিকাৰ আছিল। এখেতৰ বৰ পিতাক ৺শ্ৰীশ্ৰীবাসুদেৱ গোস্বামী প্ৰভুৱে নিচেই সৰুতে এখেতক নগাৱঁৰ গুৰুস্থী দক্ষিণপাট সত্ৰৰ পৰা মাজুলীৰ সত্ৰলৈ আনে আৰু তেখেতৰ নিজ তত্ত্বাৱধানত, ভবিষ্যতলৈ সত্ৰৰ ভাৰ দিবৰ মনেৰে, উপযুক্ত শিক্ষাৰ দ্বাৰাই এখেতক উপযুক্ত কৰি তোলে। পাণ্ডিত্য আৰু গাম্ভীৰ্য্য, সদালাপ আৰু ধৰ্ম্মনিষ্ঠা আৰু সকলোৰে প্ৰতি স্নেহ আৰু সমভাবৰ নামেই প্ৰভুৱে সকলোৰে হিয়াত ভক্তি আৰু আদৰৰ স্থান পাইছিল। অসমীয়া পুৰণি ধৰ্ম্ম-গ্ৰন্থ-প্ৰকাশৰ নিমিত্তে ১৯২৪ চনত প্ৰভুৱে এই সভাক ৫,০০০৲ টকা দান দিছিল—ইয়াৰ সুতেৰে কিতাপ প্ৰকাশ কৰি থাকিবলৈ।

এই পুঁজিৰ পৰা শ্ৰীশ্ৰীদেৱদামোদৰ-চৰিত্ৰ প্ৰকাশ হৈ গৈছে ; শ্ৰীশ্ৰীবনমালিদেৱ-চৰিত্ৰৰ ছপা শেষ হ'ল—এতিয়া বন্ধোৱা অৱস্থাত আছে আৰু

অলপতে প্ৰকাশ কৰা হ'ব । তৃতীয় গ্ৰন্থ-প্ৰকাশৰ বাবে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে এতিয়া দিহা কৰিবলৈ উদ্যত হৈ আছে ।

৺শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভু আমাৰ সাহিত্য সভাৰ প্ৰথম পৃষ্ঠপোষক আছিল—তেখেতৰ চিত্ৰপট এখনি এই সভা-ঘৰত স্থাপন কৰিবৰ নিমিত্তে কাৰ্য্য-নিৰ্ব্বাহক সমিতিয়ে প্ৰস্তাৱ গ্ৰহণ কৰি খৰচ মঞ্জুৰ কৰিছিল । সেই প্ৰস্তাৱ অনুসৰি এই চিত্ৰপট তৈয়াৰ কৰোৱা হয় । যোৱা যোৰহাট সাহিত্য-সম্মিলনত পূজ্যপাদ শ্ৰীশ্ৰীযুক্ত গড়মূৰীয় গোস্বামী প্ৰভুক এই চিত্ৰপটৰ আবৰণ উন্মোচন কৰিবলৈ জনোৱা হৈছিল আৰু প্ৰভুৱে এই ভাৰ সাদৰেৰে গ্ৰহণ কৰিছিল । কিন্তু সেই সময়ত হ'বলগীয়া আসাম প্ৰাদেশিক হিন্দু মহাসভাৰ অধিবেশন হঠাতে স্থগিত হোৱাত আৰু প্ৰভুৱেও সোনকালে সত্ৰলৈ উলটি যোৱাত এই কামটিও পিচলৈ স্থগিত হৈ থাকিল । এতিয়া উক্ত হিন্দু মহাসভাৰ অধিৱেশনৰ নিমিত্তে প্ৰভুৱে নিজ-সত্ৰ এৰি শিৱসাগৰলৈ অহা সুযোগতে প্ৰভুৰ দ্বাৰাই এই মহৎ কাৰ্য্য সম্পাদন কৰাবলৈ পাই আমি নথৈ আনন্দ পাইছোঁ আৰু আমাৰ কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ সহযোগী সভ্যসকল কৃতাৰ্থ হৈছে । এতিয়া উক্ত কাৰ্য্য-নিৰ্ব্বাহক সমিতিৰ হৈ ৺শ্ৰীশ্ৰীনৰদেৱ গোস্বামী প্ৰভুৰ পৰিবৰ্দ্ধিত চিত্ৰপটৰ আবৰণ-উন্মোচন কৰিবলৈ শ্ৰীশ্ৰীগড়মূৰীয় সত্ৰাধিকাৰ প্ৰভুক প্ৰাৰ্থনা জনাইছোঁ । ইতি—

| | |
|---|---|
| ৰবিবাৰ, ২৪ কাতি, ১৮৫৩ শক ; ইং ১০ নৱেম্বৰ ১৯২৯ । | শ্ৰীপূৰ্ণানন্দ শৰ্ম্মা, প্ৰধান সম্পাদক, আসাম সাহিত্য-সভা, যোৰহাট । |

## উক্ত চিত্ৰাবৰণ-উন্মোচন উপলক্ষ্যে শ্ৰীশ্ৰীগড়মূৰীয় সত্ৰাধিকাৰ প্ৰভূৰ উক্তি ।

শ্ৰীহৰিঃ শৰণং ।

ওঁ হৰিঃ ওঁ, সহনা ববতু, সহ নৌ ভুনক্তু, সহ বীৰ্য্যং কৰবাবহৈ । তেজস্বীনা বধীত মস্তু,মা বিদ্বিষা-বহৈ হৰিঃ । ওঁ শান্তিঃ শান্তিঃ শান্তিঃ ।

সমাগত ভদ্ৰ মহোদয়সকল !

আজি যাৰ চিত্ৰাবৰণ-উন্মোচন কৰিবলৈ এই অভাজনৰ ওপৰত আপোনালোকে ভাৰ দিছে, সেই কাৰ্য্যৰ ভাৰ পাই বাস্তবিকে মই নিজকে বৰ ভাগ্যবান্ বুলি ভাবিছোঁ । আপোনালোকৰ অবিদিত নহয় যে স্বৰ্গীয় এইজনা গোসাঞি অত্যন্ত ধৰ্ম্মানুৰাগী স্বাধীনচিন্তীয়া, আৰু বিদ্যানুৰাগী পুৰুষ আছিল । এখেতে নিজ সত্ৰতে বহু টকা খৰচ কৰি এটা সুন্দৰ ঘৰ সজাই তাতে ভাল পণ্ডিত ৰাখি ব্ৰাহ্মণ বালকক খোৱা-পিন্ধাৰ খৰচ পৰ্য্যন্ত দি সংস্কৃত শিক্ষাৰ পথ প্ৰশস্ত কৰি দিছিল ।

গত ১৯১৯ চনৰ অক্টোবৰ মাহত বৰলাট লৰ্ড চেম্‌চ্‌ফোৰ্ড চাহেবক অভ্যৰ্থনা জনোৱা উপলক্ষে যি সভা হৈছিল, সেই সময়ত আমি তেখেতৰ লগত সাক্ষাত্ হইছিলোঁ ; তেতিয়া তেখেতে আশা দিছিল যে যদি কোনোবাই কাৰ্য্য চলাবলৈ গাত ল'ব পাৰে, তেনেহলে সংস্কৃত কলেজ এটাৰ নিমিত্তে তেখেতে ১৪।১২ হাজাৰ টকা দি সাহায্য কৰিব । যদি আমাৰ কোনোবা সুযোগ্য পুৰুষে



সংস্কৃত কলেজৰ বাবে উপযুক্ত উদ্‌যোগ আয়োজন কৰিলেহেঁতেন, তেনেহলে তেখেতৰ পৰা সংস্কৃত কলেজৰ হকে উল্লেখ কৰা সাহায্য অৱশ্যেই পোৱা হ'লহেঁতেন । দুখৰ কথা যে নিদাৰুণ কালে অধিক দিন আৰু আমাৰ কাৰ্য্যক্ষেত্ৰত তেখেতক অৱস্থান কৰিব নিদিলে ।

তেখেত দুখীয়াৰ প্ৰতি বৰ দয়ালু আছিল । এবাৰ মই ঋণগ্ৰস্ত হোৱাত এই যোৰহাটৰে এজন মাৰোৱাড়ী বেপাৰীয়ে মোকৰ্দ্দমা কৰি মোৰ বিৰুদ্ধে ডিক্ৰী কৰি ক্ৰোকজাৰী দিয়াত তেখেতৰ ওচৰত সহায় প্ৰাৰ্থনা জনোৱাত তেখেতে তৎক্ষণাৎ এহেজাৰ টকা দি মোক ঋণমুক্ত কৰি দিছিল । তেখেত ইমান সহৃদয় আছিল যে বিশ্বস্তসূত্ৰে আমি খবৰ পাইছিলোঁ যে আৰ্থিক অভাৱত বিপদাপন্ন হোৱা অনেক লোকে তেখেতৰ ওচৰলৈ আহি ঋণমুক্ত হৈ যাব পাৰিছিল ।

এই আসাম প্ৰাদেশিক সাহিত্য সমিতি নিচেই দুখীয়া প্ৰতিষ্ঠান হোৱা স্থলতো সেই স্বনামধন্য গোস্বামী প্ৰবৰৰ বদান্যতা গুণৰ পৰা বঞ্চিত নহৈছিল । বৰঞ্চ তেখেতে সাদৰ সহানুভূতিপূৰ্ণ আশীৰ্ব্বাদ স্বৰূপ ৫,০০০ পাঁচ হাজাৰ টকা দান দি মৃতকল্প সাহিত্য সভাৰ জীৱনী শক্তি বঢ়ালে । এই সাহিত্য সভাৰ অৱস্থাৰ কথা জনাই সাহায্য ভিক্ষা কৰি স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামীদেৱে এই সাহায্যৰ টকাটো দিওৱাৰ দিহা কৰা বাবে তেখেতৰ প্ৰতি ও এই সাহিত্য-সভা নিশ্চয় কৃতজ্ঞ । উক্ত ৺হেমচন্দ্ৰ গোস্বামীদেৱে তেখেতক এই সাহিত্য-সভাৰ হকে প্ৰাৰ্থনা নজনোৱা হলে কিজানি ৺দক্ষিণপাটীয় গোস্বামী মহাত্মাৰ পৰা এই সাহায্য পোৱা নহলহেঁতেন ।

জগতত অৰ্থ উপাৰ্জ্জন কৰা লোক অনেক ; কিন্তু সকলোৱেই অৰ্থৰ সদ্ব্যৱহাৰ কৰিব নোৱাৰে । অৰ্থৰ সদ্ব্যৱহাৰৰ অভাৱত আমাৰ আসামত কোনো শুভ অনুষ্ঠানৰ আশা অনুৰূপ উন্নতি নোহোৱা হৈছে । কত ধনীলোকে কৃপণতা কৰি সৎকাৰ্য্যৰ বাবে আৰ্থিক সাহায্য নকৰে । কিন্তু এনে অৱস্থাতো স্বৰ্গীয় গোস্বামীদেৱে এই সভাক সাহায্য কৰিলে, গতিকে সকলোলোকেই এনে বদান্য পুৰুষৰ প্ৰতি হৃদয়ৰ শ্ৰদ্ধা অৰ্পণ কৰা সৰ্ব্বথা বাঞ্চনীয় ।

আজি আসামৰ আমালোক গোসাঞিসকলে প্ৰজাৰ কৰ, বৰঙনি লৈ লালিত পালিত হৈও সেই প্ৰজাৰ হকে আমালোকৰ আৰ্জ্জনৰ কিবা এটি অংশও উছৰ্গা কৰিব লাগে বুলি নাভাবোঁহক । কিন্তু এখেত গোসাঞিদেৱে গুৰুৰ প্ৰকৃত কৰ্ত্তব্য কৰি সমগ্ৰ গুৰু-সমাজত এটি নতুন আৰু উচ্চ আদৰ্শ ডাঙ্গি ধৰিলে ।

এনে একন আদৰ্শ পুৰুষৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিবৰ কাৰণে যে সাহিত্য সভাই তেখেতৰ এই সুন্দৰ চিত্ৰটি এই মন্দিৰত স্থাপন কৰিছে, সেই বাবে এই সভাৰ কৰ্ম্মীসকলৰ প্ৰতি মোৰ বিশেষ সৌজন্যতা জনাইছোঁ ।

পৰমেশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰোঁ যেন সেই জন মহাপুৰুষৰ অজস্ৰ আশীৰ্ব্বাদ সাহিত্য-সভাৰ ওপৰত পৰি এই সভাৰ সৰ্ব্বাঙ্গীন কুশল বিধান হয় । আৰু লগতে আসামৰ গুৰু আৰু ধনী সকলক খাটোঁ যেন এই প্ৰাতঃস্মৰণীয় স্বৰ্গীয় পুৰুষ প্ৰবৰৰ আদৰ্শ লৈ তেখেতসকলে এনে বিধ শুভ কাৰ্য্যত দান দি অৰ্থৰ সৎব্যৱহাৰ কৰি দেশৰ অভাৱ দূৰ কৰে ।

আজি ভাৰতত বিশেষ কৈ আসামত পৰৰ হকে স্বাৰ্থ ত্যাগ কৰা ভাৱ নিচেই সঙ্কীৰ্ণ হৈ আহিছে ; প্ৰায়েই সকলো লোকেই পৰৰ হকে উলটি নোচোৱাত পৰিছে । সকলোত্ কৈ আসামৰ আমালোক গুৰু সম্প্ৰদায়ৰ ভিতৰত পৰাথে অলপো স্বাৰ্থ ত্যাগ কৰিব নোৱাৰাত পৰিছোঁহক । এনেস্থলত স্বৰ্গীয় গোস্বামী মহোদয়ে যি আহি দেখুৱাই গৈছে, সেই আহি লৈ

যদি আমালোকৰ ভিতৰত পৰাৰ্থ ভাব উৎপন্ন হয়, তেনেহলে সি আমালোক অসমীয়াৰ পক্ষে বৰ সৌভাগ্যৰ কথা হ'ব। সৰ্ব্ব নিয়ন্তা জগদীশ্বৰৰ চৰণত প্ৰাৰ্থনা কৰোঁ যেন আমাৰ এই আদৰ্শ পুৰুষৰ আদৰ্শ দেখি আমালোকৰ ভিতৰত পৰাৰ্থভাব জাগৃত হয়।

ভদ্ৰ মহোদয়সকল! এইজন আদৰ্শ পুৰুষৰ যথাযোগ্য গুণাবলী বৰ্ণাবলৈ মোৰ ক্ষমতা আৰু যোগ্যতা নাই। সেইকে মোৰ নিচিনা অযোগ্য-জনে তেখেতৰ হকে সি খিনি কৰলৈ সুবিধা পালোঁ তাকে কৈ তেখেতৰ প্ৰতিকৃতিৰ আবৰণ উন্মোচন কৰিলোঁ। ওঁ তৎ সৎ ব্ৰহ্মাৰ্পণমস্তু।

শ্ৰীশ্ৰীগড়মূৰীয় গোস্বামী।

---

## উক্ত চিত্ৰপটৰ আবৰণ-উন্মোচন উপলক্ষ্যে

### শ্ৰীযুত চন্দ্ৰধৰ বৰুৱাৰ শলাগৰ শৰাই।

পূজনীয় প্ৰভু আৰু বন্ধুসকল!

আজিৰ দিন যোৰহাটবাসীৰ পক্ষে এটি স্মৰণীয় দিন। আজি আসাম-সাহিত্য-সভাৰ চন্দ্ৰকান্ত স্মৃতি-মন্দিৰত, সাহিত্য সভাৰ এগৰাকী পৰম মঙ্গলাৰ্থী আৰু প্ৰধান পৃষ্ঠপোষক পূজনীয় স্বৰ্গীয় নৰদেৱ গোস্বামী প্ৰভুৰ স্মৃতি-পটৰ আবৰণ, পৰম পূজ্যপাদ শ্ৰীল শ্ৰীশ্ৰীযুক্ত পীতাম্বৰ দেৱ গড়মূৰীয় অধিকাৰ গোস্বামী প্ৰভুৱে নিজ হাতেৰে উন্মোচন কৰিছেহি। স্বৰ্গীয় দক্ষিণপটীয়া প্ৰভুৱে সৈতে সাহিত্য সভাৰ সংশ্ৰৱ থকাটো সাহিত্য সভাৰ পৰম গৌৰৱৰ বিষয়। সেই গৌৰৱ-স্মৃতিকে চিৰ-স্মৰণীয় কৰিবৰ অৰ্থে সাহিত্য সভাই তেখেতৰ স্মৃতি-পট এই স্মৃতি-মন্দিৰৰ সন্মানিত স্থানত সন্মানেৰে স্থাপন কৰিছে। সাহিত্য সভাই আশা কৰিছে যে অচিৰতে আউনীআটি সত্ৰৰ প্ৰতিশ্ৰুত দানো লাভ কৰি, এই অনুক্ৰমেই স্বৰ্গীয় লীলাকান্ত প্ৰভুৰো স্মৃতি-চিহ্নেৰে এই মন্দিৰ গৌৰৱান্বিত কৰিব পৰা হ'ব।

এই ছলতে এই সাহিত্য-মন্দিৰ শ্ৰীশ্ৰীযুক্ত গড়মূৰীয় প্ৰভুৰ পদধূলিৰে পবিত্ৰ হোৱা বাবে সাহিত্য সভাই নৈথে সন্মান আৰু গৌৰৱ অনুভৱ কৰিছে। প্ৰকৃত পক্ষেও, এই যজ্ঞৰ তেখেতততকৈ যোগ্যতৰ হোতা আৰু কোনো হ'ব নোৱাৰে। এগৰাকী প্ৰাতঃস্মৰণীয় মহা পুৰুষৰ স্মৃতি-চিহ্ন-স্থাপনত আন এগৰাকী চিৰনমস্য মহাপুৰুষৰ সহযোগ থকাটো যোগ্যজনৰ যোগোৰে যোজনা হৈ পৰম সুশোভন হৈছে।

প্ৰভু ঈশ্বৰ, আপুনি বিবিধ দেশহিতকৰ কাৰ্য্যত সদায় ব্যাপৃত। সিদিনা মাথোন এটা ডাঙৰ ৰাজছৰা কামৰ * গধূৰ কৰ্ত্তব্য অশেষ দুখ-কষ্ট সহি পালন কৰি আহিছে। তথাপি, সমূলি বিশ্ৰাম ল'বলৈ নৌ পাওঁতেই আকৌ কেইবাদিনীয়াকৈ আমাৰ এই কাৰ্য্যৰ বাবে নানা প্ৰকাৰ দুখ-কষ্ট আৰু অসুবিধা অকাতৰে সহ্য কৰিছেহি। আপোনাৰ চৰণত আমি কৃতজ্ঞতাৰে বান্ধ খাই থাকিলোঁ। আপোনাৰ সহানুভূতিপূৰ্ণ অনুগ্ৰহৰ বাবে, আসাম সাহিত্য-সভাৰ হৈ, আজিৰ সভাত গোটখোৱা সমজুৱাসকলৰ হৈ আৰু মোৰ নিজৰ হৈ, আপোনাৰ চৰণলৈ আমাৰ আন্তৰিক ভক্তিৰে সৈতে প্ৰীতিপূৰ্ণ শলাগৰ শৰাই আগ বঢ়াইছোঁ; আৰু সকাতৰে খাটিছোঁ আপুনি যেন আমাক আগলৈকো এইদৰেই অনুগ্ৰহ কৰিব আৰু সদায় আশিৰ্ব্বাদ কৰিব। মহোদয়সকল, আপোনালোকে মোক সমস্বৰে সমৰ্থন কৰক।

শ্ৰীচন্দ্ৰধৰ বৰুৱা।

---

* শিৱসাগৰত হোৱা আসাম প্ৰাদেশিক হিন্দু মহাসভাৰ অতি সন্মানিত সভাপতিৰ বাব।



## সম্পাদকৰ কথা।

### (১) স্বৰ্গীয় ৰায় চাহাব কমলাকান্ত বৰুৱা।

১৯২৮ চনৰ ইষ্টাৰ বন্ধত যোৰহাটত হোৱা একাদশ আসাম সাহিত্য সম্মিলনৰ আদৰণী-সভাৰ থাই সম্পাদক ৰায় চাহাব কমলাকান্ত বৰুৱা ডাঙৰীয়া ১৯২৯ চনত গোলাঘাটত বহা আসাম সাহিত্য-সভাৰ দ্বাদশ বাৰ্ষিক সম্মিলনত, সাহিত্য সভাৰ প্ৰধান সম্পাদক মনোনীত হৈছিল; কিন্তু সম্পাদক স্বৰূপে দুমাহমান কাম কৰি সভাৰ প্ৰথম কাৰ্য্য-নিৰ্ব্বাহক সমিতি আহ্বান কৰি সমিতি বহাৰ তাৰিখৰ দিন দিয়েকৰ আগতে ১৯৩০ চনৰ ১ জানুৱাৰী তাৰিখে চিলঙত তেখেত হঠাতে স্বৰ্গী হল। তেখেতৰ মৃত্যুৰ বাতৰি সময়মতে সাহিত্য-সভাৰ পত্ৰিকাত প্ৰকাশ কৰিব নোৱাৰি আমি বৰ দুখিত। গ্ৰাহক-পাঠক-সকলে যেন আমাৰ সেই দোষ মাৰ্জ্জনা কৰিব। এই সংখ্যাৰ আদিতে তেখেতৰ এটি প্ৰতিকৃতিৰ সোৱঁৰণী দিয়া হ'ল।

৺কমলাকান্ত বৰুৱা গোলাঘাটৰ দেৱৰগাঁৱৰ দেৱগঞা বৰুৱাৰ বংশত জন্ম গ্ৰহণ কৰে; আৰু গোলাঘাট বেজবৰুৱা হাই স্কুলৰ পৰা ১৮৯৪ চনত এণ্ট্ৰেন্স পৰীক্ষা পাচ কৰি কলিকতাত বি, এ লৈকে পঢ়ে; তাৰ পাচত ১৮৯৯ চনত অতি কম দৰ্মহাত তেজপুৰ হাই স্কুলত শিক্ষকতা কামত সোমায়। তাত বছৰদিয়েক থকাৰ পাচত গোৱালপাৰাত স্কুল-চব-ইন্সপেক্টৰ আৰু পাচলৈ নগাওঁ আৰু গুৱাহাটীত ডেপুটী-ইন্সপেক্টৰ কাম কৰি পাচত আসাম প্ৰদেশৰ স্কুল সমূহৰ ডাইৰেক্টৰ চাহাবৰ পাৰ্চনেল এচিষ্টেণ্ট নিযুক্ত হয়। এই কামত থাকোঁতে তেখেতে সুখ্যাতিৰে কাম কৰাৰ চিন স্বৰূপে তেখেতক গৱৰ্ণমেণ্টে "ৰায় চাহাব" উপাধি দিয়ে। পাচত পেন্সন লবলৈ কেইবছৰমান থাকোঁতে তেখেতৰ নিজ ইচ্ছামতে যোৰহাটৰ নৰ্ম্মাল স্কুলৰ চুপাৰিণ্টেণ্ডেণ্ট পদত নিযুক্ত হৈ যোৰহাটলৈ আহে আৰু যোৰহাটতে নিজ ঘৰ-দুৱাৰ কৰি থকাৰ মন কৰে। যোৰহাটত থাকোঁতে তেখেতৰ এটি ডাঙৰ দুৰ্ঘটনা ঘটে, আৰু এই দুৰ্ঘটনাই তেখেতৰ মৃত্যু বহুত আগ বঢ়ায়। তেখেতৰ ডাঙৰ ল'ৰাটি চিলং হাই স্কুলৰ পৰা সুখ্যাতিৰে মেট্ৰিকুলেচন পাচ কৰি বৃত্তি পাই কটন কলেজত ভৰ্ত্তি হয় আৰু তাত সি, এ পঢ়ি থাকোঁতে হঠাৎ এদিন বগিডৰ পৰা নিৰুদ্দেশ হয়। আৰু তেওঁক ঘূৰাই পোৱা নগল। এই জ্বলন্ত অগনি ৰায় চাহাব বৰুৱা ডাঙৰীয়াই বুকুত সুমাই আৰু সৰহ দিন জীয়াই থাকিব নোৱাৰিলে। ১৯২৯ চনৰ বৰদিনৰ বন্ধত তেখেতে নিজা কামত চিলঙলৈ যাওঁতে এপপ্লেক্সী ৰোগত পুৰণা বন্ধু-বৰ্গৰ মাজত ইহলীলা সম্বৰণ কৰিলে। তেখেতৰ মৃত্যুৰ সময়ত তেখেতৰ শোক সন্তপ্তা বিধবা আৰু তিনিটি পুতেক, দুটী জীয়েক, দুজন জোঁৱায়েক আৰু তেখেতৰ এজন সহোদৰ থাকে। ভিতৰুৱা ভাৱত তেখেতৰ স্বদেশ-প্ৰেমৰ চিন আৰু সামাজিক উদাৰতাৰ লক্ষণ, তেখেতৰ লগত মিল থকা সকলোৱে সম্পূৰ্ণৰূপে অনুভৱ কৰিবলৈ পাইছিল। আৰু তেখেতে তেখেতৰ মনোগত ভাব নিৰ্ভীকভাৱেৰে ব্যক্ত কৰিছিল, আৰু নিজৰ জীৱনতো সেই দৰেই চলিছিল। আমি তেখেতক অকালত হেৰুৱাই বৰ দুখীয়া হলোঁহক আৰু সাহিত্য সভাৰো বহুত আশা ভঙ্গ হল।

( ২ )

এই সংখ্যা পত্ৰিকাত প্ৰকাশ কৰা উত্তৰ লক্ষীমপুৰ সাহিত্য সম্মিলনৰ সভাপতিৰ অভিভাষণৰ সম্পৰ্কে উক্ত সম্মিলনৰ যুটীয়া সম্পাদক শ্ৰীযুত আনন্দৰাম হাজৰিকাই উক্ত অভিভাষণৰ লগত পঠোৱা ৩০।৪।৩১ তাৰিখৰ চিঠিত

উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ সভ্যসকলৰ নাম লৈ অনুৰোধ কৰা বাবে উক্ত অভিভাষণত আলোচনা কৰা বৰ্ণবিন্যাস ৰাখি সেই প্ৰবন্ধ ছপা কৰা হ'ল। উক্ত চিঠিৰ দাগতীয়া অংশ তলত তুলি দিয়া হৈছে :—

"***** আপুনি অনুগ্ৰহ কৰি আসাম সাহিত্য সভাৰ একজন প্ৰধান গুৱিয়াল আৰু ভূতপূৰ্ব্ব প্ৰধান সম্পাদক শ্ৰীযুত শৰৎচন্দ্ৰ গোস্বামী, বি. এ, বি. টি, ডাঙৰীয়াৰ এই গঠনমূলক, পদ্ধতিপূৰ্ণ, সাৰুৱা আৰু দাগতিয়াল অভিভাষণখনি সাহিত্য সভা পত্ৰিকাত ঠাই দিব বুলি আমাৰ সাহিত্য সভাৰ সভ্যসকলে একান্ত আশা কৰিছে। আৰু সভাপতি শ্ৰীযুত গোস্বামী ডাঙৰীয়াৰ বৰ্ণবিন্যাস প্ৰণালীকে ৰাখি অভিভাষণখনি পত্ৰিকাত প্ৰকাশ কৰিবৰ কাৰণেও আমি আপোনাক বিনীত ভাবে অনুৰোধ কৰিলোঁ। বিশেষকৈ শ্ৰীযুত গোস্বামী ডাঙৰীয়াই তেখেতৰ প্ৰস্তাবিত বৰ্ণবিন্যাস-প্ৰণালী সম্পৰ্কে এই অভিভাষণত আলোচনা কৰি দেখুৱাইছে। সেই কাৰণেহে বোধ কৰোঁ আপোনাৰ প্ৰতি আমাৰ অনুৰোধ অন্যায় হোৱা নাই। ****"।

আমি উত্তৰ লক্ষীমপুৰ সাহিত্য সভাৰ অনুৰোধ অনুসৰি শ্ৰীযুত গোস্বামী দেৱৰ অভিভাষণ ছপোৱাৰ পিচত "আবাহন"তো সেই অভিভাষণ ওলোৱা দেখিবলৈ পালোঁ। শ্ৰীযুত গোস্বামী দেৱৰ প্ৰস্তাবিত ৰেফযুক্ত সকলো বৰ্ণ এটীয়াকৈ লিখা প্ৰণালী আসাম সাহিত্য সভাই গ্ৰহণ কৰিছে বুলি আমি গুজাব খোজা নাই। সংস্কৃত ব্যাকৰণ অনুসৰি বিকল্পে দ্বিত্ব হোৱা ৰেফযুক্ত বৰ্ণবোৰ তেখেতে লিখা দৰে এটীয়া কৈ লিখিলেও অশুদ্ধ নহয়; কিন্তু তেনে ৰীতি বৰ্ত্তমান অসমীয়া ভাষাত প্ৰচলিত নহয়। তেখেতৰ প্ৰবন্ধৰ ভিতৰতে তেখেতে লিখা "অৰ্ধ" শব্দটো উক্ত নিয়মৰ অন্তৰ্গত শব্দ নহয়— ইয়াক "অৰ্দ্ধ" এনে দৰে লিখিলেহে শুদ্ধ হ'ব— (হেমকোষৰ ৪৪ পৃষ্ঠা দ্ৰষ্টব্য)। দ্বিতীয়তঃ তেখেতৰ প্ৰবন্ধত "বিধুতি" শব্দৰ যি অৰ্থ দিছে— তাৰ বিষয়ে আমাৰ একাষাৰ কব লগীয়া আছে। "বি" উপসৰ্গৰ অৰ্থ সদায় "বিশেষ" নহয়— "বিহীন" অৰ্থতো "বি" উপসৰ্গ ব্যৱহৃত হয়; সেই কাৰণে "বিধুতি" শব্দৰ অৰ্থ "ধুৰি নোহোৱা"—"বিশেষ ধুত" বা "বিশুদ্ধ" নহয় (হেমকোষ ৬৭৩ পৃঃ চাওক)।

তেখেতৰ প্ৰস্তাবিত বৰ্ণবিন্যাস প্ৰণালী গ্ৰহণ কৰিলে শ্ৰীযুত গোস্বামীদেৱে নিজে তাৰ লাভ দেখুৱাব নোৱাৰি লোকচান কিবা হ'বনে সুধিছে? আমি কওঁ—সদায় চলি থকা বানানৰ ৰীতি এৰি নতুন ধৰণেৰে লিখিলে চকুৰে আসঙ্গা দেখা যায় আৰু এবাৰ শিকা কথা পাহৰি নতুন শিকিব লগীয়া হয়। মোটৰ ওপৰত আগৰ ৰীতি এৰিলে লাভ যদি নহয়, তেন্তে তেখেতৰ নতুন ৰীতি লোৱাৰ সাৰ্থকতা ক'ত?

গোস্বামীদেৱে লিখিছে—"সম্প্ৰতি মই দুটা ৰেফযুক্ত বৰ্ণাৱলীক দুটীয়াকৈ লিখিবলৈ এৰিছো।" আমি দেখিবলৈ পাইছো যে তেখেতে আৰু এটা ৰীতি ধৰিছে—ঙ্ক, ঙ্গ, ঙ্ঘ, আদি যুক্তাক্ষৰ কিছুমান ক্ৰমান্বয়ে—ংক, ংগ, ংঘ, আদিৰ দৰে তেখেতৰ হাতত ৰূপান্তৰিত হৈছে। যেনে, সংকট, সংকেত জংগলী, সংঘবদ্ধ ইত্যাদি; কিন্তু তেখেতে 'অঙ্ক'ক "অংক" "শঙ্কৰ"ক 'শংকৰ' "অঙ্গাঙ্গি"ক 'অংগাংগি' কৰি ৰূপান্তৰ কৰা নাই। সামঞ্জস্য ৰক্ষা কৰিবৰ নিমিত্তে আৰু বানান সৰল কৰিবৰ উদ্দেশ্য সফল কৰিবৰ নিমিত্তে একে প্ৰণালীৰেই একে ৰকম যুক্তাক্ষৰখিনি লিখিব লাগিব। ৮৩ পৃষ্ঠাত "কিন্তু বৰ্ণমালাৰ লগত ........................... ভাষা লিখিবৰ সৰল সংকেত কিমান আৱশ্যকীয় তাক কৈ অন্ত কৰিব নোৱাৰি। আখৰ চিনোৱা যাৰ ব্যৱসায় তেওঁলোকে বুজে।"—এই কথাখিনি বিশেষকৈ মন কৰিবলগীয়া। যদি ভাষা লিখিবৰ সৰল সংকেত অৱলম্বন কৰিবলৈ গৈ চৰমপন্থী ভাবিক সকলে তেখেতৰ অভিভাষণৰ আদিতে থকা:— 'অনুগ্ৰহ'ক 'অনুগ্ৰহ'; 'আহ্বান'ক 'আহ্ৱান'; 'কৃতাঞ্জলি'ক 'কৃতান্জলি'; কৃতজ্ঞতা'ক 'কৃতয্গতা'; 'সহিষ্ণুতা'ক 'সহিচ্নুতা'; 'বক্তৃতা'ক 'বক্তৃতা'; 'জনাৰ্দন'ক 'জনাৰ্দন'; 'বক্তব্য'ক 'বক্তইব'; লিখিলে কেনে লাগিব?

ভাষাৰ লিখন-প্ৰণালী সকলোতকৈ সৰল হ'ব বুলি ভাবি যাযাবৰীসকলৰ লিখাৰ দৰে আকাৰ, ইকাৰ আদি স্বৰচিহ্নবিৰ্বজিত ভাষা লিখিলে ভাষাৰ উন্নতি হ'বনে অধোগতি হ'ব? সৰল বানানৰ কাৰণৰ মূলত গোস্বামীদেৱৰ মতেৰে আধুনিক অসমীয়া ছাত্ৰ আৰু ৰাইজৰ যুক্তাক্ষৰ বা সংযুক্ত বৰ্ণৰ ৰূপ আয়ত্ব কৰিব পৰা ক্ষমতাৰ অভাৱ আৰু সেই অভাৱৰ পৰিচয় "আখৰ চিনোৱা যাৰ ব্যৱসায় তেওঁলোকে বুজে।" যদি এয়ে তেখেতৰ যুক্তি, তেন্তে খাচিয়া ভাষাৰ দৰে অসমীয়া ভাষা ইংৰাজী আখৰেৰে লিখিব পাৰিলেহে ছাত্ৰ, শিক্ষক আৰু ৰাইজ সকলোৰে সুবিধা হ'ব আৰু শিক্ষাৰ আৰু শিক্ষকতাৰ পৰিশ্ৰমৰ বহুত গুণে লাঘৱ হ'ব। ৮২ পৃষ্ঠাত গোস্বামীদেৱে তেখেতৰ স্বাভাৱিক সজ বিবেচনাৰে সৈতে মধ্যম পন্থা অৱলম্বন কৰি সুন্দৰ কথা কৈছে :— "অসমীয়া ভাষাৰ বানান, ভাষাৰ প্ৰকৃতি ........................................ অনেকৰ আপত্তি তাক নকৰাই ভাল।" তেন্তে সেয়ে হওকচোন, নতুন ৰীতি সৰ্ব্বসম্মত আৰু আসাম সাহিত্য-সভাৰ দ্বাৰাই স্বীকৃত নোহোৱালৈকে পূৰ্ব্বৰ প্ৰচলিত ৰীতি মতেই সম্প্ৰতি শিক্ষা বিভাগৰ উচ্চ বিষয়-অধিকাৰী গোস্বামীদেৱেও চলা উচিত আৰু তেনে কৰিলে তেখেতে সাহিত্য-সভাৰ একজন গুৱিয়াল আৰু আগৰ প্ৰধান সম্পাদক স্বৰূপে প্ৰণয়ন কৰোৱা নিয়মৰ মৰ্য্যাদা আৰু সাহিত্য-সভাৰো গৌৰৱ ৰক্ষা কৰা হ'ব। স্কুলীয়া কিতাপবোৰতো দুই ৰকমৰ বানান চলোৱা বাবে কোমলমতি ছাত্ৰ-ছাত্ৰীসকলৰ মগজুত খেলি-মেলি বেমেজালি ভাবৰ উদয় হয়--সেইটো সৰ্ব্বথা পৰিত্যাজ্য।

## (৩) পত্ৰিকাৰ কথা।

এই বছৰৰ ১ম-২য় সংখ্যা কাকতৰ শেহত অন্যান্য অসুবিধাৰ বাহিৰেও উপযুক্ত প্ৰবন্ধৰ অভাৱৰ কথা উল্লিকিউৱা হৈছিল। সাহিত্য-সভাৰ মুখপত্ৰ পত্ৰিকাৰ উপযোগী প্ৰবন্ধৰ অভাৱ হোৱা আৰু সেইবাবে পত্ৰিকা-প্ৰকাশৰ পলম ঘটা নবীন প্ৰবীণ সাহিত্যিকসকলে সহজে ধৰিব পাৰে। যোৱাবেলি প্ৰবন্ধৰ নিমিত্তে লিখকসকলৰ প্ৰতি জনোৱা গোহাৰিৰ উপযুক্ত সমিধান এতিয়ালৈকে পোৱা নাই; সেইবাবে আমি পুনৰ আমাৰ পূৰ্ব্বৰ অনুৰোধ দোহাৰিবলৈ বাধ্য হৈছোঁ। যিসকলৰ প্ৰবন্ধ-সাহায্যেৰে কষ্টেৰে এই দুই সংখ্যা কাকত একেলগে কৰি প্ৰকাশ কৰিব লগীয়া হ'ল, সেই সকলক আমাৰ কৃতজ্ঞতা জনাইছোঁ। প্ৰবন্ধখিনি মাহেক দেড়মাহেকৰ মূৰত এটা বা দুটাকৈ পোৱাতকৈ একেলগে কোনো সংখ্যা কাকত ছপাখানাত দিয়াৰ আগতে পালে একসংখ্যা পত্ৰিকা দুই আঢৈ মাহত প্ৰকাশ কৰিব পাৰি। সেয়ে নোহোৱা বাবে দুই সংখ্যা কাকত একেলগে প্ৰকাশ কৰিবলৈ আমি বাধ্য হ'লোঁ। প্ৰবন্ধবোৰ আগতে নোপোৱা বাবে সম্পাদকীয় সমিতিৰ বৈঠক কেইবাবাৰো পাতিব লগীয়া হয়। শেহত নানাতৰহৰ অসুবিধা আৰু অন্তৰায় অতিক্ৰম কৰাওঁতা পৰমেশ্বৰৰ চৰণত প্ৰণিপাত জনাইছোঁ; আৰু আমাৰ অনিচ্ছাকৃত ত্ৰুটিৰ কথা গ্ৰাহক পাঠকসকলে সৰল ভাবেৰে গ্ৰহণ কৰিব বুলি আশা কৰিছোঁ।

---

## (৪) বাঁহী আৰু আবাহন।

আবাহন ভনীটীৰ বয়স বঢ়াৰ লগে লগে উত্তৰোত্তৰ শ্ৰী-বৃদ্ধি হোৱা দেখি আমি সঁচাকৈয়ে অতিশয় সন্তোষ পাইছোঁ আৰু সম্পাদক ডাক্তৰ শ্ৰীযুত দীননাথ শৰ্ম্মা আৰু গুৱিয়ালসকলৰ শলাগ লৈছোঁ আৰু আবাহনৰ দীৰ্ঘ জীৱন কামনা কৰিছোঁ।

কিন্তু বাইদেও "বাঁহী"ৰ সম্ভৱতঃ বয়স-বৃদ্ধিৰ লগতে হোৱা মতি-গতিৰ অলপ লৰচৰ হোৱা দেখি আমি দুঃখিত হৈছোঁ। সকলে পৰা কৃষ্ণ-সাধন আৰু শঙ্কৰ-ভজনৰ পিচত হঠাতে বিহু-নাম, বিহু-গীতত বাঁহীৰ প্ৰীতি হোৱাটো বাৰ্দ্ধক্যৰ স্বাভাৱিক ধৰ্ম্ম নহয়, আৰু এই প্ৰীতিৰ ক্ৰম-বৃদ্ধিৰ চিন পাই আমি নিতান্ত মৰ্ম্মাহত হৈছোঁ। বাতৰি-কাকতত এই কথাৰ সম্পৰ্কে আলোচনা হোৱাৰ পিচত সাহিত্য-ৰথী সম্পাদক মাননীয় বেজবৰুৱা ডাঙৰীয়াই প্ৰতীকাৰ কৰা উচিত আছিল আৰু অগাপিচাকৈ কেইবা সংখ্যাতো অশ্লীল বিহু-নাম প্ৰকাশ কৰি আমাৰ ভাষাৰ সন্মানিত আৰু সৰ্ব্বজনাদৃত বাঁহীৰ কলেৱৰ কলুষিত কৰা অশোভন হৈছে। যথোপযোগী দৃষ্টান্তৰ দ্বাৰাই সুচিন্তিত আৰু সুলিখিত প্ৰবন্ধত পদ-লালিত্য, শব্দ-মাধুৰ্য্য, ভাষা-সৌষ্ঠৱ আৰু সাহিত্য-সম্পদ আদি গুণ-মণ্ডিত বিহু-নামৰ সমালোচনাৰ আদৰ থাকিব পাৰে, কিন্তু সেই বুলি বিহুনামৰ কু-কলাৰ পৰা আৰম্ভ কৰি অশ্লীল গীতৰ প্ৰচাৰ যাহেকীয়া আলোচনীৰ সম্পাদকৰ হ'ব নোৱাৰে। অসমীয়া ভাষাৰ অন্যতম গুৰু বেজবৰুৱা ডাঙৰীয়াৰ নিজ-সম্পাদিত যি বাঁহীৰ মাসিক আগমন এসময়ত উৎসুকতাৰ কথা আছিল, আৰু যি বাঁহীয়ে এতিয়াও আমাৰ নিচিনা অনেক অসমীয়াৰ হৃদয়ত মৰমৰ ঠাই অধিকাৰ কৰি আছে, সেই বাঁহীৰ অলপো অনাদৰ অসমীয়াই সহিব নোৱাৰে আৰু সেই বাঁহীৰ গাত আগতকৈ সুন্দৰতৰ সাজসজ্জাৰ অভাৱত অশ্লীল বিহু-গীতৰ মলিয়ন আৱৰণ দেখিলে কোনো অসমীয়াই ভাল পাব নোৱাৰে। মঙ্গলপুৰীয়া সম্পাদক—পিতা আৰু গুৱাহাটীলৈ উলিয়াই দিয়া "বাঁহী" জীয়াৰীৰ ভিতৰত স্নেহৰ সম্বন্ধটো শিথিল হৈছে যেন অনুমান কৰিবৰ যথেষ্ট কাৰণ ওলাইছে; বেজবৰুৱা ডাঙৰীয়াৰ বিপক্ষে কোনো কথা লিখা আমাৰ নিচিনা ক্ষুদ্ৰ প্ৰাণীৰ পক্ষে অশোভনীয়; কিন্তু মৰমৰ দোহাই দি বাবাই বুঢাৰ ওচৰত, দৰিদ্ৰই ধনীৰ ওচৰত, নিঃকিন প্ৰজাই পৰাক্ৰমী মহাৰজাৰ ওচৰত বেজাৰৰ কথা নিবেদন কৰিব পৰা পূৰ্ব্ব-প্ৰচলিত প্ৰথাৰ অনুসৰণ কৰি আমি বেজবৰুৱা ডাঙৰীয়াৰ আশ্ৰয় মাগিছোঁ। "বাঁহী"ক তৰুণ ছাত্ৰ-ছাত্ৰীৰ সদা-সুখ-পাঠ্য, আৰু ভাই-ককাই আৰু বাই-ভনীয়ে পৰস্পৰে মিলি একে ঠাইতে পঢ়িব পৰা আলোচনী কৰি ইয়াৰ শ্ৰী-বৃদ্ধি কৰিবলৈ আৰু পূৰ্ব্বৰ আদৰ আৰু গৌৰৱ ৰক্ষা কৰিবলৈ যেন যত্ন কৰিব ইয়াকে তেখেতৰ অসমীয়া ভাই-ককাই সকলে আশা কৰে।

---

## (৫) সাহিত্য-সভাত ৺শ্ৰীশ্ৰীনন্দ-দেৱ দক্ষিণ-পটীয়া অধিকাৰ গোস্বামীৰ চিত্ৰ-স্থাপন।

এই আনন্দৰ কামটি ১৮৫১ শকৰ ২৪ কাতি (ইং ১৯২৯ চনৰ ১০ নৱেম্বৰ) তাৰিখে যথাযোগ্য আয়োজনেৰে সৈতে সম্পাদন কৰা হৈছিল। ইয়াৰ অলপ দিনৰ পিচতে স্বৰ্গীয় ৰায় চাহাব কমলাকান্ত বৰুৱা ডাঙৰীয়াই সাহিত্য-সভাৰ প্ৰধান সম্পাদকৰ ভাৰ লয় আৰু অলপ দিনৰ পিচতে তেখেতক কালে হৰি নিয়া কথা অন্য ঠাইত কোৱা হৈছে। সেই সময়তে নতুন পত্ৰিকাৰ সম্পাদক শ্ৰীযুত দেৱানন্দ ভঁৰালী ডাঙৰীয়াই পত্ৰিকাৰ ভাৰ লয় আৰু পত্ৰিকা সম্পাদনা কাৰ্য্য চলায়। উপৰোক্ত চিত্ৰ-স্থাপন সম্পৰ্কীয় প্ৰীতি-সম্বাদে পত্ৰিকাত সময়মতে ঠাই পাব লাগিছিল; আৰু নোপোৱাটো আমাৰ ত্ৰুটি হৈছে। এই ত্ৰুটিৰ বাবে আমি বাইজৰ আৰু বিশেষকৈ শ্ৰীশ্ৰীযুক্ত গড়মূৰীয়া গোস্বামী প্ৰভুৰ ক্ষমা প্ৰাৰ্থনা কৰিলোঁ আৰু এই ছেগতে চিত্ৰ-স্থাপন-সম্পৰ্কীয় কথাখিনি এই পত্ৰিকাত প্ৰকাশ কৰিলোঁ।

---



# সমালোচনা।

## (১) গীত-ঘোষা পৰিচয় (আগচোৱা)৪

শ্ৰীযুত হৰিৰাম হাজৰিকা প্ৰকাশিত।

৮০ পিঠীয়া কিতাপ—প্ৰায় ছকুৰি গীত-ঘোষা আদিৰে পূৰ্ণ।

৵৹ পৃষ্ঠাত প্ৰকাশকে "নিবেদন"ৰ ভিতৰত কৈছে:— "বিশেষকৈ কৈৱৰ্ত্ত সম্প্ৰদায়ৰ অতি লাগতিয়াল সম্পত্তি বিশৃঙ্খলা হৈ থকা দেখি যতিয়াই আৰু সংশোধন কৰি দি ভবি গুণ-গানৰ অলপ উপকাৰ সাধিব পৰা হব বুলি আৰু জাতিৰ অভাৱ হোৱা অনুভৱ কৰি অশেষ পৰিশ্ৰম আৰু ক্ষতি স্বীকাৰ কৰিও এই পুথি খনি সঙ্কলন কৰিলো। এতিয়া যদি এই পুথি প্ৰকাশ হোৱাৰ পৰা কৈৱৰ্ত্ত সম্প্ৰদায়ৰ গৌৰৱান্বিত আতৈসৱৰ অলপো উপকাৰত আহে তেন্তে অধমৰ পৰিশ্ৰমৰ সাৰ্থক হ'ব বুলি ভাবিম।" প্ৰকাশকে মহাপুৰুষ শঙ্কৰদেৱ, মাধৱদেৱ আদি আৰু দিহিংসত্ৰৰো অধিকাৰীসকলৰ ৰচিত পুৰণি গীতবোৰ প্ৰকাশ কৰি সকলোৰে ধন্যবাদৰ পাত্ৰ হৈছে; প্ৰত্যেক গীতৰ লগত বিহিত সুৰৰ নামটি উল্লেখ কৰা বাবে গায়ক-সকলৰ ওপৰাঞ্চি উপকাৰ হ'ব তাত সন্দেহ নাই। ৵৹ পৃষ্ঠাত প্ৰকাশকে লিখিছে:—'অসমীয়া বৈষ্ণৱ-ধৰ্ম্ম-পৰায়ণ কৈৱৰ্ত্ত ও বৰ্ণীয়া জগতত অস্তিত্ব থাকে মানে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ গুৰুৰ ও ৺শ্ৰীমাধৱদেৱৰ আৰু অৱতাৰী গুৰুসকলৰ প্ৰতি ভক্তি সেই গীত-ৰাগেৰে সেইসকলৰ দ্বাৰায় সঞ্জীৱিত থাকিব। গীত বৈধন্ত সুৰত গাই আত্ম-সংযম কৰিবলৈ সহজ উপায়।' প্ৰকাশকৰ উদ্দেশ্য সফল হোৱা নিতান্ত বাঞ্ছনীয়। প্ৰকাশকে আশা কৰা মতে কেৱল কৈৱৰ্ত্ত বা বৰ্ণীয়া সমাজৰ উপকাৰৰ উপৰিও এই গীত-ৰাগ আদিৰ অনুশীলনৰ দ্বাৰাই অসমীয়া হিন্দু-সমাজ মাত্ৰৰেই উপকাৰ হোৱা উচিত; আৰু পুৰণি গীত হিচাপেও এই গীত-সংগ্ৰহ অসমীয়া ভাষাত অতুলনীয় সম্পত্তি বুলি সকলোৱে ভবা উচিত।

কিছুমান গীতৰ শেষত ৰচোঁতাৰ নাম অন্তৰ্ভুক্ত থকা দেখা যায়, কিন্তু কিছুমানত ৰচোঁতাৰ নামৰ উল্লেখ নাই। প্ৰকাশকে সকলোখিনি গীতৰ সুৰ দেখুৱাই দিয়া মতে ৰচকৰ নামো প্ৰত্যেক গীতৰ ওপৰতে বা তলতে লিপিবদ্ধ কৰি দিয়া হ'লে বেচি ভাল হ'লহেঁতেন। প্ৰকাশকৰ উদ্যম প্ৰশংসাৰ যোগ্য হৈছে; কিন্তু পুথিখনিৰ বৰ্ণাশুদ্ধি আৰু প্ৰকাশকৰ 'উচৰ্গা', 'নিবেদন' 'মহাপুৰুষৰ নাম-কীৰ্ত্তন' আদি স্বলিখিত কথাখিনিত ভাষাশুদ্ধি আৰু বৰ্ণাশুদ্ধি দোষ বিস্তৰ দেখি আমি নিতান্ত দুঃখিত হৈছোঁ। বৰ্ণাশুদ্ধি দোষে গীতবোৰৰ মাজতো বৰকৈ চকুত পৰে। প্ৰকাশকে ছাপা-খানাৰ আশ্ৰয় লোৱাৰ আগতে জনা-বুজা লোকৰ হতুৱাই পুথিখনি সংশোধন কৰাই লোৱা উচিত আছিল। সজ কাম যিমান পৰা যায় সুন্দৰকৈ সমাধা কৰিবলৈ চেষ্টাৰ অভাৱ হ'ব নালাগে। প্ৰকাশকৰ ওপৰত তুলি দিয়া কথাখিনি কিতাপত থকা দৰে হু-বহু তুলি দিয়া হৈছে; তাৰ পৰাই ৰাইজে আমাৰ কথাৰ সাৰ্থকতা বুজিব। প্ৰকাশকৰ উদ্দেশ্য সফল হওক আৰু দ্বিতীয় তাঙৰণত ওপৰত উল্লিখিত দোষখিনি খণ্ডন কৰিবলৈ প্ৰকাশকে যত্ন কৰক—আমি ইয়াকে আশা কৰোঁ।

## (২) অন্নদা সাহিত্য মন্দিৰৰ শিশু-সাহিত্য-চিৰিজঃ—

**প্ৰথম কিতাপ**—লাইটু বা লাওকলা—ৰায় চাহাব শ্ৰীযুত গোলাপচন্দ্ৰ বৰুৱা প্ৰণীত আৰু তেখেতৰ সুযোগ্য পুত্ৰ শ্ৰীযুত বিপিনচন্দ্ৰ বৰুৱা বি-এ, সম্পাদিত; ১২+৩২=৪৪ পৃষ্ঠাত সম্পূৰ্ণ। এই পুথিখনি ৰায় চাহাব ডাঙৰীয়াই আকৌ

ভাষাৰ পৰা অসমীয়া ভাষালৈ তৰ্জ্জমা কৰি ১৪ বছৰৰ আগতে ইং ১৯০১ চনত প্ৰকাশ কৰিছিল। আজিকালি প্ৰথম ভাগৰ পুথি বোধ কৰোঁ পাবলৈ নাই। আসামত ৰাজত্ব কৰা ইন্দ্ৰবংশী আহোমসকলৰ শাস্ত্ৰসম্মত সৃষ্টিতত্বৰ কথা সকলো অসমীয়াই জনা উচিত। ছাত্ৰসকলে সহজে বুজিব, পঢ়িব আৰু আয়ত্ত কৰিব পৰাকৈ অতি কৃতিত্বেৰে সেইতে অসমীয়া ভাষাত 'লাইটু' প্ৰণয়ন কৰা বাবে ৰায় চাহাব ডাঙৰীয়া বিশেষ শলাগৰ পাত্ৰ—এই কথা বোধ কৰোঁ কোনেও স্বই কৰিব নোৱাৰে। "গ্ৰন্থকৰ্ত্তাৰ কথা" আৰু "পাতনি" লাগতীয়া কথাৰে পৰিপূৰ্ণ আৰু উক্ত পাতনি পঢ়ি অসমীয়া ছাত্ৰসকলে নিশ্চয় আনন্দ পাব। পুথিৰ ছপা সুন্দৰ আৰু ভাষা মধুৰ হৈছে। "অন্নদা সাহিত্য মন্দিৰ"ৰ শিশু-সাহিত্য স্বৰূপে এই পুথিৰ পুনৰ প্ৰকাশ হোৱা অতি সন্তোষৰ কাম হৈছে; আমি এই পুথিৰ বহুল প্ৰচাৰ কামনা কৰিছোঁ। দাম এসিকি নিৰ্ম্মীয়া হৈছে।

**দ্বিতীয় কিতাপ—** ৰাণা প্ৰতাপ—

শ্ৰীযুত বিপিন চন্দ্ৰ বৰুৱা, বি,এ, সম্পাদিত; ৬০ পৃষ্ঠাত সম্পূৰ্ণ। মেৱাৰৰ প্ৰতাপী ৰজা প্ৰতাপসিংহ বা ৰাণা-প্ৰতাপৰ কথা ভাৰত-বুৰঞ্জী পাঠকসকলে অলপ অচৰপ জানে হয়, কিন্তু আমাৰ দেশৰ অনেক মানুহে সেই ইতিহাস-প্ৰসিদ্ধ প্ৰতাপৰ বীৰত্বৰ কথা আৰু মোগলৰ লগত তেওঁৰ সংঘৰ্ষৰ কথা আৰু আটাইতকৈ উল্লেখযোগ্য তেওঁৰ স্বদেশৰ গৌৰব-ৰক্ষাৰ-প্ৰশংসনীয় চেষ্টাৰ কথা নাজানে। স্বদেশানুৰাগৰ জ্বলন্ত আদৰ্শ ইতিহাস-প্ৰসিদ্ধ ভাৰতীয় বীৰ এজনৰ কাহিনী শিশু-সকলৰ উপকাৰৰ অৰ্থে প্ৰকাশ কৰা বাবে আমি সম্পাদকৰ শলাগ লৈছোঁ; বৰুৱাদেৱৰ লিখন আৰু বৰ্ণন-প্ৰণালীত খুঁট নাই; ছপা আদিও সুন্দৰ হৈছে; মোটতে বৰুৱাদেৱে ঐতিহাসিক সত্যক সাধুকথাৰ দৰে সুখ-পাঠ্য কৰিছে। 'অন্নদা সাহিত্য মন্দিৰ'ৰ সৎ উদ্দেশ্য সফল হওক, এই পুথিৰ বহুল প্ৰচাৰ হওক—আমি ইয়াকে আশা কৰোঁ। দাম ।/০ অনা উপযুক্ত হৈছে।

## অন্নদা সাহিত্য মন্দিৰৰ গল্প-চিৰিজ:—

**দ্বিতীয় বছৰৰ প্ৰথম সংখ্যা:—**

৪০ পৃষ্ঠাত সম্পূৰ্ণ। ইংৰাজ কবি কলেৰিজৰ ছাঁ লৈ লিখা 'বুঢ়া নাবিক', 'কবি' 'ৰাহিৰ ভিতৰ বা ৰজাৰ বিপদ', 'শামুকৰ পেটত মাণিক', 'কোন ভাল' এই চাৰিটা বিষয় এই সংখ্যাত আছে। 'বুঢ়া নাবিক'ৰ কথা মনোৰম হৈছে। 'ৰাহিৰ ভিতৰ বা ৰজাৰ বিপদ' নাটিকাকাৰত লিখা এটি গল্প—আজিকালি ৰজাসকলৰ বিপদ সুন্দৰ ৰূপেৰে প্ৰকাশ পাইছে। 'কোন ভাল' গল্পটিও নাটিকাকাৰত যুগুত হৈছে—আৰু আভকতীয়া ভেকা আৰু তেওঁৰ ঘৰত আশ্ৰয় লোৱা ভকতীয়া বুঢ়া এই দুজনৰ ভিতৰত 'কোন ভাল' এয়ে প্ৰশ্ন। এই প্ৰশ্নৰ উত্তৰ সম্পাদকে দিবলৈ কিয় টান পালে ক'ব নোৱাৰোঁ—পাঠক মাত্ৰেই একবাক্যেৰে আৰু নিঃসন্দেহে আভকতীয়া ভেকাক ভাল বুলিব।

**দ্বিতীয় বছৰৰ দ্বিতীয় সংখ্যা—**

৮২ পৃষ্ঠাত সম্পূৰ্ণ। ইয়াৰ ভিতৰৰ প্ৰথম ৬৪ পৃষ্ঠাত শ্ৰীযুত গোপালচন্দ্ৰ গোস্বামী বি-এ, প্ৰণীত দেমেলীয়া নাট "মকতমা" ছপা হৈছে; বাকী ১৮ পাতত কেইখনমান চিঠিৰ সমাবেশ হৈছে। "মকতমা" এটি জনাজাত দেমেলীয়া নাট; ই আজি কালি স্বনাম-প্ৰসিদ্ধ হৈ পৰিছে আৰু গোস্বামীদেৱৰ কৃতিত্বৰ পৰিচয় দিছে। ঈশ্বৰৰ ওপৰত আস্থাহীন অন্ধ আৰু বিদ্বান মানুহ এজনে ভাগ্য-বিপৰ্য্যয় হেতুকে চাক্ষুস আৰু মানস দৃষ্টি কেনেকৈ ঘুৰাই পালে আৰু কেনেকৈ নাস্তিকতাৰূপ অন্ধত্বৰ পৰা ৰক্ষা পৰিল তাকে চিঠি কেইখনৰ পৰা প্ৰকাশ হৈছে। চিঠি কেইখন পঢ়োঁতে শোক লাগি যায় কিন্তু শেষত মধুৰ সমাপ্তিৰ দ্বাৰাই পাঠকৰ শোক দূৰ হয়। লিখকৰ উত্তম শলাগযোগ্য হৈছে। বাৰ্ষিক বৰঙণি সাত সিকি নিৰ্ম্মীয়া হৈছে।

ইতিপূৰ্ব্বে প্ৰথম বছৰৰ বাৰ সংখ্যা "গল্প-চিৰিজ" সুন্দৰকৈ সম্পাদন কৰি সম্পাদক শ্ৰীযুত বিপিনচন্দ্ৰ বৰুৱাদেৱে ৰাইজৰ শলাগ পাইছে আৰু অসমীয়া ল'ৰাই সমাজৰ নিশ্চয় উপকাৰ সাধিছে। এতিয়া দ্বিতীয় বছৰৰ প্ৰথম আৰু দ্বিতীয় সংখ্যাৰ বিষয়ে ওপৰত আমাৰ মন্তব্য প্ৰকাশ কৰা হ'ল। আমি 'গল্প-চিৰিজ'ৰ উন্নতি আৰু দীৰ্ঘ জীৱন কামনা কৰিছোঁ। তৰুণ ছাত্ৰসকলৰ মনোৰঞ্জন কৰি বতুৱা দিয়া গল্পৰ কিতাপৰ প্ৰতি তেওঁলোকৰ বিতৃষ্ণা জন্মাব পাৰিলে আৰু ছাত্ৰসকলৰ মাজত সৰু সৰু গল্প লিখা আদি প্ৰচলন কৰিব পাৰিলে "গল্প-চিৰিজ"ৰ প্ৰকাশ সফল হ'ব। এই উদ্দেশ্য শিৰত লৈ সম্পাদকদেৱে নিজ কৰ্ত্তব্যত আগুৱান হওক—এয়ে আমাৰ বাঞ্ছা।

---

আসাম গৱৰ্ণমেণ্টৰ পৌৰাণিক ঐতিহাসিক অনু-সন্ধান বিভাগৰ দ্বাৰা প্ৰকাশিত **(১) আসাম বুৰঞ্জী** আৰু **(২) কামৰূপৰ বুৰঞ্জী** দুইখন কিতাপ উক্ত বিভাগৰ অবৈতনিক সহকাৰী অধ্যক্ষ শ্ৰীযুত সূৰ্য্যকুমাৰ ভূঞা, এম-এ, বি-এল অধ্যাপকৰ দ্বাৰা সম্পাদিত হৈছে।

### (১) আসাম বুৰঞ্জী—

হৰকান্ত শৰ্ম্মা বৰুৱা প্ৰণীত। কাশীনাথ তামুলী ফুকনৰ আসাম বুৰঞ্জীৰ কথা প্ৰায় শিক্ষিত অস-মীয়াই জানে। বৰ্ত্তমান পুথিখনি উক্ত বুৰঞ্জীৰ পৰিবৰ্দ্ধিত সংস্কৰণ আৰু এই সংস্কৰণ যুগুত কৰিছিল উপৰোক্ত হৰকান্ত বৰুৱা সদৰামিনে। গ্ৰন্থাৰম্ভৰ আগতে গ্ৰন্থকাৰৰ (সদৰামিনৰ) পাতনিত তলত লিখা দৰে আছে:— "এই আসাম দেশৰ বুৰঞ্জী অথচ ইন্দ্ৰবংশীয় ৰজাসকলৰ বিবৰণ স্থানে স্থানে আছে। কিন্তু সেইসকল বুৰঞ্জী মতান্তৰ, অথচ একখনিৰ সহিত সিখনি মিল নহয়। * * * * ৰজাদেৱৰ আজ্ঞাৰে ৰাধানাথ বৰবৰুৱা আৰো কাশীনাথ শৰ্ম্মা তামুলীফুকনে নানা স্থানৰ পৰা বুৰঞ্জীসকল একত্ৰপূৰ্ব্বক সাৰ সংগ্ৰহ কৰি একখানি গ্ৰন্থ চুম্বকমতে কৰিলে। কিন্তু সেই গ্ৰন্থখানত অনেক আৱশ্যকীয় কথা লিখিবৰ নিতান্ত আৱশ্যক আছিল। বোধ কৰো বাহুল্য হ'ব, সেই নিমিত্তে লিখা নহল। এতন্তে আমি সেই গ্ৰন্থখানিকে আদৰ্শ কৰি আৰো অনন্ত বুৰঞ্জীত যি পোৱা হৈছিল আৰো সত্যবাদী আহোম, ফুকন, বৰুৱাদিৰ মুখে যি যি শ্ৰৱন হৈছিল, সেইসকল সঙ্কলন কৰি অনেক বিবেচনা ও পৰিশ্ৰমপূৰ্ব্বক এইখানি গ্ৰন্থ লিখিবৰ আৰম্ভ কৰিলোঁ।"

আমি কওঁ যে সদৰামিন ডাঙৰীয়াই এটি সৎ কামৰ দ্বাৰাই তেখেতৰ নিজৰ নাম খ্যাতিযুক্ত আৰু চিৰস্মৰণীয় কৰি থৈ গ'ল; তেখেতে পৰবৰ্ত্তী অসমীয়া সমাজৰ নিমিত্তে যি কীৰ্ত্তিস্তম্ভ থৈ গ'ল সেই আসাম বুৰঞ্জীয়ে অসমীয়াক পূৰ্ব্বৰ লুপ্ত-গৌৰৱ সোঁৱৰাই থাকিব আৰু অসমীয়া-জাতিৰ ভৱিষ্যত উজ্জ্বল কৰিবৰ নিমিত্তে সেই বুৰঞ্জীয়ে উদগনি দিব। বৰ্ত্তমান প্ৰকাশকৰ বহুমূলীয়া পাতনি পঢ়ি আমি সন্তোষ পাইছোঁ আৰু তেখেতৰ শলাগ লৈছোঁ। পাতনি আদিৰে সৈতে ১৭৪ পৃষ্ঠাত সম্পূৰ্ণ সুন্দৰকৈ বন্ধোৱা, ধুনীয়াকৈ ছপোৱা আৰু সুশৃঙ্খল ভাবেৰে সম্পাদন কৰা "আসাম-বুৰঞ্জী"য়ে উক্ত বিভাগৰ সহকাৰী অধ্যক্ষ ভূঞাদেৱৰ সুনাম বঢ়াইছে। দাম এটকা নিৰ্ম্মীয়া হৈছে।

**(২) কামৰূপৰ বুৰঞ্জী**—কেইবাখনো পুৰণি বুৰঞ্জীৰ পৰা সংগৃহীত হৈছে, প্ৰকাশকৰ পাত-নিত সেই মূল পুথিবোৰৰ চমু বিৱৰণ দিছে। পাতনিৰ ভিতৰত ।৵০ পৃষ্ঠাত প্ৰকাশকে লিখিছে—'ভাষাৰ বৈশিষ্ট্যৰ বাহিৰেও বুৰঞ্জীৰ উপাদান হিচাবে এই পুথিৰ ঠাই অতি ওখ খাপত। আগৰ দিনৰ অস-মীয়াৰ ৰণনীতি, ৰাজনীতি আৰু সৰাতকৈ উপৰি অসমীয়া ৰাজপুৰুষ, বিষয়া আৰু কটকীসকলৰ অতুলনীয় দেশ প্ৰেম সেই সকলোৱে ইয়াত আভাস

পোৱা যায়। * * * * যি কালত বঙ্গদেশত গদ্য-সাহিত্যৰ উদ্ভব হোৱা নাছিল সেই সময়ত অসমীয়াৰ এনে বিচিত্ৰ গদ্য-সাহিত্য আৰু বুৰঞ্জীৰ সত্য-সংৰক্ষণৰ চেষ্টা দেখিলে আজিকালিৰ আত্মবিস্মৃত অসমীয়াই পুলকিত নহৈ নোৱাৰে।।" আমি প্ৰকাশকৰ উক্ত কথাখিনি সৰ্ব্বান্তঃকৰণেৰে সমৰ্থন কৰিছোঁ। অতি সুশৃঙ্খল ভাৱেৰে কিতাপখনি প্ৰস্তুত কৰা বাবে সম্পাদক সদৌ অসমীয়াৰ ধন্যবাদৰ পাত্ৰ হৈছে; আমিও সম্পাদকৰ কৃতিত্বৰ শলাগ লৈছোঁ। কিতাপৰ মুদ্ৰন আৰু বান্ধন ধুনীয়া হৈছে; পাতনি আদিৰে সৈতে ১৭২ পৃষ্ঠাত সম্পূৰ্ণ—আগতে নবাব মিৰজুমলাৰ সুন্দৰ প্ৰতিকৃতি আছে—কিতাপৰ মূল্য এটকা নিয়মীয়া হৈছে।

**অসমীয়া গীতা** ঃ—শ্ৰীযুত সৰ্ব্বানন্দ শৰ্ম্মা এম, আৰ. এ, এচ. (লণ্ডন) অনুবাদিত আৰু তেখেতৰ সুযোগ্য ভায়েক শ্ৰীযুত তুলসীনাৰায়ণ শৰ্ম্মা এম-এ, অধ্যাপকৰ দ্বাৰা সম্পাদিত আৰু প্ৰকাশিত। প্ৰাঞ্জল অসমীয়া ভাঙনিৰে সৈতে শ্ৰীমদ্ভগবদ্গীতাৰ ... নৱ সক সংস্কৰণ—পাতনি আদিৰে সৈতে ৫২৪ (২২+৪০২) পৃষ্ঠাত সম্পূৰ্ণ। ছপা ভাল হৈছে আৰু বাওঁহাতে মূল শ্লোকৰ বিপৰীতে সোঁহাতে অসমীয়া ভাঙনি দিয়াৰ বাবে পাঠকসকলৰ সুবিধা হৈছে। কিন্তু মূল আৰু ভাঙনি একে সমান আখৰেৰে ছপোৱা বাবে শ্লোকৰ মাজত কিছু কিছু ঠাই খালি কৈ এৰি দিবলগীয়া হৈছে। মূলখিনি অলপ ডাঙৰ আখৰেৰে ছপোৱা হ'লে দেখিবলৈ বেচি ভাল হ'লহেঁতেন; দ্বিতীয় সংস্কৰণ কৰিবৰ সময়ত এইদৰে ছপালে কিতাপখনি সৰ্ব্বাঙ্গসুন্দৰ হ'ব। এই পুথিখনি জেপত লৈ ফুৰিব পৰাকৈ সম্পাদন কৰি অসমীয়া ৰাইজৰ মাজত গীতাৰ বহুল প্ৰচাৰ কৰিবলৈ যত্ন কৰা বাবে আমি অনুবাদক আৰু সম্পাদক উভয় ভাই-ককাইক ধন্যবাদ দিছোঁ আৰু ৷৷৵০ দহ অনীয়া দামত সহজপ্ৰাপ্য এই কিতাপে অসমীয়া হিন্দুসকলৰ ঘৰে ঘৰে আৰু হাতে হাতে ঠাই পাব বুলি আশা কৰিছোঁ।

---

## সম্পাদকলৈ চিঠি।

শ্ৰীযুত পূৰ্ণানন্দ শৰ্ম্মা,

সম্পাদক, আসাম সাহিত্য-সভা-পত্ৰিকা,

যোৰহাট।

বৰপেটা।

১৮।৪।৩১

ডাঙৰীয়া,

যোৱা ৫ম বছৰ ১ম সংখ্যা আসাম সাহিত্য-সভা-পত্ৰিকাত মোৰ প্ৰবন্ধ "শ আৰু সৰ অসমীয়া উচ্চাৰণ" ত ২৬ পৃষ্ঠাত ছাপাৰ ভুলত* ক'ত ক'ত ছটা হল। এটা হব লাগিছিল, ছটা হোৱাৰ কাৰণত অন্য অৰ্থ হৈছে।

আপোনাৰ জ্ঞাতাৰ্থে জনালোঁ।

ইতি—

আপোনাৰ

শ্ৰীমজিতৰ ৰহমান।

---

* উপৰোক্ত ছপাৰ ভুলৰ বাবে আমি দুঃখিত হৈছোঁ আৰু এই ভুল দেখুৱাই দিয়া বাবে লিখকৰ শলাগ লৈছোঁ। পঃ সঃ